www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
□ PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি যদি শত্ৰু বিচৰা তোমাৰ প্ৰতিভাৱে তোমাৰ বন্ধুসকলক চেৰ পেলোৱা আৰু যদি বন্ধু বিচৰা তেন্তে তোমাৰ বন্ধুসকলক তোমাতকৈ আগুৱাই যাবলৈ দিয়া। - লা ৰচেফকাল্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□ প্ৰথম বছৰ □ সংখ্যা- ১৭০ □ বুধবাৰ □ ১৫ এপ্ৰিল, ২০২৬ চন □ Volume/Year- I □ Issue- 170 □ Wednesday □ 15th April, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

■ বজাৰত চাহিদা বৃদ্ধি থলুৱা শিপিনীৰ গামোচাৰ; মূল্যবৃদ্ধিৰ অভিলেখ ■

## আজি জুবিন বিহীন প্ৰথমটো ৰঙালী; নাই উচাহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ**
আজি পহিলা ব'হাগ। অসমীয়া সমাজত এই দিনটো মানুহৰ বিহু হিচাপে পালন কৰা হয়। ৰঙালী বিহুৰ দ্বিতীয় দিনা অসমীয়া নৱবৰ্ষৰ আনন্দত ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হৈছে। গৰু বিহুৰ পিছদিনা পালন কৰা মানুহৰ বিহুত পুৱাৰ পৰাই বিশেষ পৰম্পৰা পালন কৰা হয়। ৰাতিপুৱা মাহ-হালধিৰে গা-পা ধুই কনিষ্ঠসকলে জ্যেষ্ঠজনক সেৱা ধৰে। ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে আৰু বিহুৱান উপহাৰ প্ৰদান কৰে। ঘৰে ঘৰে নতুন কাপোৰ পিন্ধি, গামোচা, বিহুৱান আদান-প্ৰদান কৰি □ ৬ পৃষ্ঠাত



নীতিশ কুমাৰৰ পদত্যাগৰ লগে লগে বিহাৰৰ ৰাজনীতিত ২০ বছৰীয়া নীতিশ যুগৰ অন্ত


## আজি বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব সম্ৰাট চৌধৰীয়ে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** বিহাৰৰ ৰাজনীতিত এক যুগান্তকাৰী পৰিৱৰ্তন ঘটিল। দীৰ্ঘদিন ধৰি মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত নীতিশ কুমাৰে মঙলবাৰে লোকভৱনত ৰাজ্যপাল চৈয়দ আতা হাছনাইনৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। তেওঁৰ পদত্যাগৰ লগে লগে ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ভাৰতীয় জনতা পাৰ্টীৰ বিধায়িনী দলৰ বৈঠকত সম্ৰাট চৌধৰীক নতুন নেতা হিচাপে □ ৬ পৃষ্ঠাত

## আজিৰ কলম

### ব'হাগ বিহুৰ তাৎপৰ্য আৰু ইয়াৰ ভৱিষ্যত



শৰৎ চন্দ্ৰ চিৰিংফুকন

বিশ্বৰ সু-সভ্য মানৱ জাতিৰ ভিতৰত প্ৰত্যেক ভাষা-ভাষী আৰু ধৰ্ম-সম্প্ৰদায় বিশেষৰে কেতবোৰ নিজা নিজা উৎসৱ অনুষ্ঠান আদি আছে। প্ৰত্যেকৰে ৰুচি-অভীৰুচি মতে বছৰৰ ভিন ভিন ঋতু আৰু সময় অনুসৰি আয়োজন কৰা এনে উৎসৱ-পাৰ্বনবোৰ প্ৰাকৃতিক আৰু সামাজিক □ ৭ পৃষ্ঠাত

কেন্দ্ৰীয় চৰকাৰে আগবঢ়াইছে, মহিলা সংৰক্ষণ আইন কাৰ্যকৰী কৰাৰ পথ মুকলি

## লোকসভাৰ আসন ৫৪৩ৰ পৰা ৮৫০লৈ বৃদ্ধিৰ প্ৰস্তাৱ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** কেন্দ্ৰীয় চৰকাৰে লোকসভাৰ আসনৰ সংখ্যা বৰ্তমানৰ ৫৪৩খনৰ পৰা ৮৫০খনলৈ বৃদ্ধি কৰাৰ এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়াইছে। এই পদক্ষেপে বহু বছৰ ধৰি অপেক্ষা কৰি থকা মহিলাৰ ৩৩ শতাংশ সংৰক্ষণ আইন কাৰ্যকৰী কৰাৰ □ ৬ পৃষ্ঠাত



জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত আগবঢ়ালে নাহৰ ফুল, দৈ-চিৰা, বিভিন্ন প্ৰকাৰৰ পিঠা

## জুবিন বিহীন প্ৰথম ব'হাগ সোণাপুৰৰ জুবিন ক্ষেত্ৰতপত্নী গৰিমা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** ব'হাগ বিহুৰ ৰঙালী উৎসৱৰ মাজতে অসমীয়া সংগীত জগতৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ অনুপস্থিতিয়ে এইবাৰৰ বিহুক গভীৰ শোকৰ ছায়াত ঢাকি দিছে। জুবিনৰ □ ৬ পৃষ্ঠাত



দ্বিপাক্ষিক সম্পৰ্ক উন্নয়ন আৰু পশ্চিম এচিয়াৰ যুদ্ধ লৈ আলোচনা

## ট্ৰাম্প-মোদীৰ প্ৰায় ৪০ মিনিটৰ বাৰ্তালাপ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত প্ৰায় ৪০ মিনিট ধৰি দূৰভাষযোগে বাৰ্তালাপ অনুষ্ঠিত □ ৬ পৃষ্ঠাত

◄ সাম্প্ৰতিক ►

### ব'হাগ ঃ অসমীয়া জাতিৰ আয়ুস ৰেখা

জুৰিমণি মুদৈ

"ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ
ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।"

ব'হাগ মাথোঁ এটি মাহ বা এটি ঋতু, ই অসমীয়া জাতিৰ অস্তিত্ব, অসমীয়া জাতিৰ স্বাভিমান, গণজীৱনৰ শক্তি, অসমীয়া জাতিৰ আয়ুস ৰেখা আৰু □ ৭ পৃষ্ঠাত

■ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ দেশবাসীৰ হৈ শ্ৰদ্ধা ■

## আম্বেদকাৰৰ জয়ন্তীত সংবিধান স্থপতি গৰাকীলৈ শ্ৰদ্ধাঞ্জলি

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** সমগ্ৰ দেশে মঙলবাৰে ডঃ ভীমৰাও ৰামজী আম্বেদকাৰৰ ১৩৫ সংখ্যক জন্ম জয়ন্তী উদযাপন কৰিলে। ভাৰতীয় সংবিধানৰ মূল স্থপতি তথা সমাজ সংস্কাৰক ডঃ আম্বেদকাৰলৈ ৰাষ্ট্ৰপতি, □ ৬ পৃষ্ঠাত

□ জ্যেষ্ঠ নাগৰিকসকলক জনাব সন্মান □

## পহিলা ব'হাগত অসম সাহিত্য সভাই উদ্‌যাপন কৰিব 'নিজৰ দিন'

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৪ এপ্ৰিল ঃ** ৰাজ্যজুৰি ৰঙালী ব'হাগ বিহুৰ উৎসৱমুখৰ পৰিৱেশৰ মাজতে অসম সাহিত্য সভাই পহিলা ব'হাগৰ দিনটোক 'নিজৰ দিন' হিচাপে উদ্‌যাপন কৰিবলৈ প্ৰস্তুত হৈছে। এই বিশেষ দিনটোত □ ৬ পৃষ্ঠাত

## জজ খেলপথাৰত আছুৰ মুকলি বিহু

মোগলক পৰাস্ত কৰা অসমীয়াক কোনে কয় এলেহুৱা বুলি ?



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** প্ৰতি বছৰৰ দৰে এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত গৰু বিহুৰ দিনটোত ঐতিহ্যমণ্ডিত জজ খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হৈছে। অনুষ্ঠানৰ □ ৬ পৃষ্ঠাত

৯৭ বছৰ বয়সত গুৱাহাটীত শেষ নিশ্বাস ত্যাগ বৰুৱাৰ

## প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বেদব্ৰত বৰুৱাৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৪ এপ্ৰিল ঃ** প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছৰ প্ৰবীণ নেতা বেদব্ৰত বৰুৱাৰ আজি ৯৭ বছৰ বয়সত দেহাৱসান ঘটিছে। বাৰ্দ্ধক্যজনিত শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন □ ৬ পৃষ্ঠাত

◄ সাম্প্ৰতিক ►

### বিহুৰ সময়, খিতাপ ইত্যাদি

দিলীপ কুমাৰ ভট্টাচাৰ্য

আহিছে ব'হাগৰ বতৰ। বিহুৰ বতৰ। চ'ত-ব'হাগৰ দোমাহীত (সংক্ৰান্তিৰ দিনা) আৰম্ভ হয় ৰঙালী বিহু। বিহুৰ আচাৰ-অনুষ্ঠানবোৰ ছয় ব'হাগত সামৰণি পৰে যদিও বিহু সন্মিলনবোৰৰ সামৰণি পৰা দেখা নাযায়। এই কথা সকলোৰে বিদিত যে বিহু এক কৃষিভিত্তিক উৎসৱ। আদিতে কৃষিকৰ্মৰ লগত □ ৭ পৃষ্ঠাত

■ ইৰানৰ যিকোনো জাহাজ উৰুৱাই দিয়া হ'ব;ট্ৰাম্পৰ সতৰ্কবাণী ■

## হৰমুজ প্ৰণালীত আমেৰিকাৰ অৱৰোধ আৰম্ভ

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** আমেৰিকা আৰু ইৰানৰ মাজত চলি থকা সংঘাত এতিয়াও সমাপ্ত হোৱাৰ পথত নাই। উলটি, পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈছে। সোমবাৰৰ সন্ধিয়াৰ পৰা আমেৰিকাই হৰমুজ প্ৰণালীত নৌসেনাৰ অৱৰোধ আৰম্ভ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে স্পষ্ট সতৰ্কবাণী দিছে যে ইৰানৰ যিকোনো জাহাজক তৎক্ষণাত উৰুৱাই দিয়া হ'ব। □ ৬ পৃষ্ঠাত




◄ সাম্প্ৰতিক ►

### বিহুৰ কৰ্মশালা আৰু প্ৰাসংগিক চিন্তা


হেমন্ত কলিতা

বৰ্তমান চৌদিশে বিহুঢোলৰ গুমগুমণি। মেঘৰ গাজনিত ঢোলৰ ছেৱ তুলিবলৈ ঢুলীয়াসকল সাজু হৈ আছে। বৰদৈচিলাজনীয়ে ৰাজ্যৰ কেইবাঠাইতো নিজৰ অস্তিত্ব জাহিৰ কৰিছে। গছ লতিকাই ন সাজেৰে আভৰণ লৈছে। পথাৰত গজা কোমল ঘাহঁনিত গৰু □ ৭ পৃষ্ঠাত

বিহাৰৰ নতুন মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীক লালু যাদৱৰ 'শ্ৰেণীকোঠাৰ ফল' বুলি কটাক্ষ আৰজেডি নেতা গৰাকীৰ

## সম্ৰাট চৌধৰী লালুপ্ৰসাদ যাদৱৰ শিক্ষাৰ ফল; তেজস্বী যাদৱৰ তীব্ৰ সমালোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ এপ্ৰিল ঃ** বিহাৰৰ ৰাজনীতিত এক নতুন অধ্যায় আৰম্ভ হৈছে। নীতিশ কুমাৰৰ পদত্যাগৰ পিছত বুধবাৰে সম্ৰাট চৌধৰীয়ে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। কিন্তু এই ক্ষমতা হস্তান্তৰক লৈ বিৰোধী □ ৬ পৃষ্ঠাত



দৈনিক 'অসম বাৰ্তা' কাকতখন অনলাইনত পঢ়িবলৈ চাৰ্চ কৰক asombarta.in

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয় কেন্দ্ৰৰ নৱাগতাৰ চিনাকি পৰ্ব অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ এপ্ৰিল ঃ** 'মানৱ জীৱন সমৃদ্ধিশালী কৰিবলৈ দৃঢ় বিশ্বাস আৰু শিক্ষাই একমাত্ৰ আহিলা।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ২০২৬ (জানুৱাৰী-মাৰ্চ) শিক্ষা বৰ্ষত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলৰ চিনাকি পৰ্ব তথা আদৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠাত অনুষ্ঠিত হোৱা অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে কয়- শিক্ষা গ্ৰহণৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। সেয়েহে মানুহে ইচ্ছা কৰিলে আৰু মনত দৃঢ় সংকল্প থাকিলে সকলোপ্ৰকাৰৰ বাধাকো নেওঁচি নিজৰ জীৱনৰ লগতে সমাজখনলৈ অনবদ্য অৱদান আগবঢ়াই যাব পাৰে। তেওঁ কয়- আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষা তথা দূৰ শিক্ষা ব্যৱস্থাত মানৱ জীৱনৰ প্ৰয়োজনীয় সকলো শিক্ষা গ্ৰহণ কৰিব পাৰে। এইক্ষেত্ৰত অসমৰ প্ৰথমখন মুক্ত ৰাজ্যিক বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসমৰ শিক্ষাৰ্থীসকলৰবাবে এক অতি গুৰুত্বপূৰ্ণ সংস্কৰণ বুলি তেওঁ মত প্ৰকাশ কৰে। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয় কেন্দ্ৰৰ সমন্বয়ক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত শিক্ষা কেন্দ্ৰটোৰ প্ৰাক্তন প্ৰতিষ্ঠাপকসমন্বয়ক তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° আতিকুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা প্ৰাক্তন সমন্বয়ক ড° প্ৰিয়দেৱগোস্বামীয়ে উপস্থিত থাকি কেন্দ্ৰটোৰ প্ৰতিষ্ঠা লগ্নৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপাংকজ গগৈ, ডিব্ৰুগড় পলিটেকনিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰণৱজ্যোতি লহকৰ উপস্থিত থাকি নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যিমননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিক্ষা কেন্দ্ৰটোৰ লগত জড়িত বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অৰ্দ্ধশতাধিক নৱাগত ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# সৰুপথাৰৰ বিহুৰ বজাৰত ৰাইজৰ ভীৰ

## প্ৰায়ভাগ বস্তুৰে তিনিগুণ-চাৰিগুণ দাম বৃদ্ধি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৩ এপ্ৰিল ঃ** ৰঙালী বিহু অহাৰ লগে-লগেই ৰাজ্যবাসীৰ মাজত এক বুজাব নোৱাৰা আনন্দই বিৰাজ কৰে। ৰঙালী বিহুৰ প্ৰাকক্ষণত সকলো অসমবাসী ৰাইজেই বিহুলৈ বুলি সকলোৱে নিজকে সাজু কৰি তোলে। বজাৰ সমূহৰ দোকানে দোকানে সকলো ৰাইজে বিহুৰ যাৱতীয় বয়-বস্তু কিনাৰ লগতে বিহু বুলি নতুন কাপোৰ লবলৈ ভীৰ কৰা পৰিলক্ষিত হয়। সৰুপথাৰ নগৰৰ সাপ্তাহিক বজাৰতো বিহুৰ বজাৰ কৰিবলৈ যথেষ্ট ৰাইজৰ সমাগম হয়। পিছে এইবাৰ বিহুৰ বজাৰত শাক-পাচলি, ফলমূল ইত্যাদি বস্তুৰ দাম শুনি একাংশ লোকৰ মুৰ কামোৰণি হয়। প্ৰতিটো বস্তুৰে যথেষ্ট দাম বৃদ্ধি পায়। এইবাৰ সৰুপথাৰৰ বিহুৰ বজাৰত এটি জাতিলাও ৮০ টকাৰ পৰা ১৫০টকা পৰ্যন্ত বিক্ৰী হোৱা দেখা যায়। সমান্তৰালভাৱে নাৰিকলৰ যোৰা ২০০টকা, থেকেৰা ৩০ৰ পৰা ৫০টকা, বৰ বেঙেনা প্ৰতি কেজি ১২০টকা, নেমুটেঙা গোটে ২০টকা, কেঁচা হালধি প্ৰতি কেজিত ৮০টকা ইত্যাদি। অৱশ্যে এইসমূহ সামগ্ৰীৰ দাম শুনি একাংশ ৰাইজৰ মুৰ কামোৰণি হলেও গাঁৱৰ কৃষক ৰাইজে বিহুৰ দিনকেইটাতে দুই এপইচা পোৱাত সকলোৱে আনন্দ প্ৰকাশ কৰিছে। কাৰণ এই মূল্য সদায় একেই নাথাকে। বজাৰ অনুযায়ী সকলো সামগ্ৰীৰে দাম উঠা-নমা হয়। অৱশ্যে সৰুপথাৰ সমজিলাত পূৰ্বৰ তুলনাত এতিয়া বস্তুৰ উৎপাদনৰ হাৰ যথেষ্ট হ্ৰাস পাইছে। ইয়াৰো কাৰণ নোহোৱা নহয়। যোৱাটো বৰ্ষত অসম-নগালেণ্ড সীমান্তৰ বহুকেইটা অঞ্চলত অসম চৰকাৰে উচ্ছেদ অভিযান চলাইছিল। যিসমূহ অঞ্চলত উচ্ছেদিত ৰাইজে যথেষ্ট শাক-পাচলি আৰু ফলমূল উৎপাদন কৰি বজাৰলৈ পঠাইছিল। বৰ্তমান সময়ত সেই অঞ্চলসমূহৰ পৰা যিহেতু শাক-পাচলি বা ফলমূল অহাটো সম্পূৰ্ণৰূপে বন্ধ হৈ গল স্বাভাৱিকতেই বজাৰ সমূহত বস্তুৰ পৰিমাণ আগৰ তুলনাত কমি গল। যাৰবাবে সামগ্ৰী সমূহৰ মূল্য বৃদ্ধি পাইছে। সৰুপথাৰ অঞ্চলৰ যথেষ্ট সংখ্যক ৰাইজে কৃষি কৰ্ম কৰিয়েই নিজৰ পৰিয়াল পোহপাল দি আছে। সাধাৰণ কৃষক সকলে বহুত কষ্ট আৰু টকা-পইচা খৰচ কৰি খেতি-বাতি কৰে। কিন্তু সেই অনুপাতে তেওঁলোকে সামগ্ৰী সমূহত যিমান দাম পাব লাগে সেইমূল্য পোৱাৰ পৰা কেতিয়াবা বঞ্চিতও হয়। বিশেষকৈ বছৰটোৰ যিকোনো উৎসৱ পাৰ্বনৰ সময়ত দুই এদিন বস্তুৰ মূল্য বৃদ্ধি পালে একাংশ গ্ৰাহকৰ চকু কপালত উঠে। কিন্তু গোটেই বছৰটোত কৃষক সকলে কিদৰে দুখ কষ্টৰ মাজেৰে সময় অতিবাহিত কৰে সেইয়া শুনিবলৈহে কাৰো আহৰি নাই।

# সংবাদ মাধ্যমৰ কণ্ঠৰোধৰ প্ৰচেষ্টা! 'অসমীয়া প্ৰতিদিন'ৰ ওপৰত হোৱা আক্ৰমণৰ বিৰুদ্ধে গোসাঁইগাঁৱত সাংবাদিকৰ তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৩ এপ্ৰিল ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত বাৰম্বাৰ আক্ৰমণ! নিৰ্বাচন উত্তৰ হিংসাৰ বলি হ'ল সংবাদ প্ৰতিষ্ঠান। 'অসমীয়া প্ৰতিদিন'ৰ কাৰ্যালয়ত চলোৱা বৰ্বৰ আক্ৰমণৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদৰ জোৱাৰ উঠিছে। ব্যতিক্ৰম নহয় গোসাঁইগাঁও। আজি গোসাঁইগাঁও প্ৰেছ ক্লাবত একগোট হৈ সাংবাদিকসকলে সাব্যস্ত কৰিলে তীব্ৰ প্ৰতিবাদ। উল্লেখ্য যে, যোৱা ৯ এপ্ৰিলত নিৰ্বাচন সম্পন্ন হোৱাৰ পাছতেই উত্তৰ লখিমপুৰ আৰু শিৱসাগৰত দুৰ্বৃত্তই চলাইছিল চৰম তাণ্ডৱ। ৰাজ্যৰ আগশাৰীৰ সংবাদ গোষ্ঠী অসমীয়া প্ৰতিদিন'ৰ কাৰ্যালয়লৈ লক্ষ্য কৰি শিল নিক্ষেপ কৰাৰ লগতে অগ্নিসংযোগৰ দৰে জঘন্য কাণ্ড সংঘটিত কৰিছিল একাংশই। সংবাদ মাধ্যমৰ নিৰপেক্ষতাক আঘাত হনা এই ঘটনাই এতিয়া স্তম্ভিত কৰি তুলিছে সচেতন মহলক। এই আক্ৰমণৰ বিৰুদ্ধে আজি অৰ্থাৎ ১২ এপ্ৰিলত গোসাঁইগাঁও প্ৰেছ ক্লাবত এক জৰুৰী প্ৰতিবাদী সভা অনুষ্ঠিত কৰা হয়। স্থানীয় সাংবাদিকসকলে সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষাৰ দাবীত আৰু দোষীক কঠোৰ শাস্তি দিয়াৰ হুংকাৰ দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলৰ মূল দাবীসমূহ হ'ল- সংবাদ মাধ্যমৰ ওপৰত হোৱা আক্ৰমণ বন্ধ কৰক। অসমীয়া প্ৰতিদিনৰ কাৰ্যালয়ত আক্ৰমণ চলোৱা দুৰ্বৃত্তক শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰক। গণতন্ত্ৰৰ কণ্ঠৰোধ কৰা কাৰ্যক চৰকাৰে কঠোৰ হাতেৰে দমন কৰক। সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰক। প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলে স্পষ্ট কৰি দিয়ে যে, সত্যৰ পক্ষত থিয় দিয়াৰ বাবে যদি সংবাদ মাধ্যমক লক্ষ্য কৰি লোৱা হয়, তেন্তে আগন্তুক দিনত ইয়াতকৈও ভয়ংকৰ আন্দোলন গঢ়ি তোলা হ'ব। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীয়ে পুনৰ প্ৰমাণ কৰিলে যে ভয়-ভাবুকিৰে সংবাদ মাধ্যমৰ মুখ বন্ধ কৰা অসম্ভৱ।

## সামৰণি দিনা প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

# বাসুগাঁৱত পাঁচ দিনীয়াকৈ বিহু নৃত্য কৰ্মশালাৰ সফল সামৰণি



**অসম বাৰ্তা, বাসুগাঁও, ১৩ এপ্ৰিল ঃ** বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থা (আছু)ৰ উদ্যোগত যোৱা ৮ এপ্ৰিলৰ পৰা ১২ এপ্ৰিললৈ পাঁচদিনীয়াকৈ বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত হয়। বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত আজি সামৰণি অনুষ্ঠানত অতিথিসকলক সম্বৰ্ধনা পৰ্বৰ অন্তত বিহুনাচৰ প্ৰদৰ্শন হয়। ইয়াৰ প্ৰাকমুহূৰ্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যৰ্পনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উল্লেখযোগ্য যে সামৰণি অনুষ্ঠানত অতিথি তথা বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ অমৃত নাৰায়ণ পাটগিৰি উপস্থিত থাকি ইয়াৰ জৰিয়তে বিহুনাচৰ নিয়ম-নীতি আয়ত্ত কৰাৰ লগতে সুশৃংখল আৰু দৃষ্টি নন্দন ৰূপ দিয়াৰ বাবে এনেধৰণৰ কৰ্মশালাৰ অতীৱ প্ৰয়োজন। অসম বুলি কলে বিহু। বিহুক বাদ দি অসমীয়া জাতি অসম্পূৰ্ণ। বিহুক প্ৰণালীবদ্ধ ৰূপ দিয়াৰ ক্ষেত্ৰত বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰচেষ্টা ধন্যবাদৰ পাত্ৰ। এইবুলি ব্যক্ত কৰে অমৃত নাৰায়ণ পাটগিৰিয়ে। উল্লেখযোগ্য যে কৰ্মশালাত মূল সমল ব্যক্তি হিচাপে বিহুনাচ আৰু ঢোলবাদনৰ প্ৰশিক্ষণ আগবঢ়ায় অভিজ্ঞ বিহু নৃত্য শিল্পী বিধান দেউৰী হুকাই। তেওঁক নাচত দিপাঞ্জলী সিংহ, ঢোলত অৰ্পণজ্যোতি ৰায়, পেপাত জ্যোতিৰ্ময় ৰায় আৰু তালত সৌৰভ ৰায় সহযোগ আগবঢ়ায়। কণ কণ শিশুৰ পৰা কিশোৰী, গাভৰু আনকি অসমীয়া কব নোৱাৰা, বুলি নোপোৱা ছালাকাটি এন টি পি চিৰ পৰা অসমৰ বাহিৰৰ হিন্দীভাষী মহিলাও কৰ্মশালাত অংশগ্ৰহণ কৰি বিহুনাচ সাৱলীলভাৱে আয়ত্ব কৰে। পাঁচদিনীয়াকৈ বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা সুকলমে সম্পন্ন হোৱাত বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনিৰ্বাণ ৰায়, সাধাৰণ সম্পাদক পৰাগ কলিতা আৰু সাংস্কৃতিক সম্পাদক পৰিমল বৰ্মনে সকলো লৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানটিৰ আঁতধৰে চিৰাং জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নৱ কুমাৰ বৰ্মনে।

## দ্বিতীয় দিনা দুটা স্বৰ্ণ, এটা ৰূপৰ পদক লাভ

# খেল' ইণ্ডিয়া অস্মিতা মহিলা সাঁতোৰত অসমৰ দপ্দপনি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** আহমেদাবাদত অনুষ্ঠিত খেলো ইণ্ডিয়া অস্মিতা মহিলা সাঁতোৰ প্ৰতিযোগিতাৰ দ্বিতীয় দিনত অসমে দুটা স্বৰ্ণ আৰু এটা ৰূপ পদক লাভ কৰি দপদপীয়া প্ৰদৰ্শন আগবঢ়ালে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে দৰ্শিতা বৰুৱাই ১৮ বছৰ অনুৰ্ধ ছোৱালীৰ ৪০০ মিটাৰ ফ্ৰীষ্টাইল শাখাত ৪: ৪৮.৪৭ সময় লৈ প্ৰথম স্থান অধিকাৰ কৰি ৰাজ্যখনৰ বাবে প্ৰথমটো স্বৰ্ণ পদক জয় কৰে। প্ৰাপ্তি চালিহাই ১৮ বছৰ অনুৰ্ধ ছোৱালীৰ ২০০ মিটাৰ বাটাৰফ্লাই শাখাত ২: ৪৬.০৩ সময়ৰে আন এটা স্বৰ্ণ পদক অৰ্জন কৰে। ইফালে, মধুপ্ৰিয়া গগৈয়ে ১৮ বছৰ অনুৰ্ধ ছোৱালীৰ ২০০ মিটাৰ বেকষ্ট্ৰোক শাখাত ২: ৩৭.৬১ সময় লৈ ৰূপৰ পদক লাভ কৰে। সংস্থাটোৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে পদক বিজয়ীসকলক অভিনন্দন জনাই তেওঁলোকৰ প্ৰদৰ্শনক "অতুলনীয় আৰু প্ৰেৰণাদায়ক" বুলি অভিহিত কৰে।

## উত্তৰ পূৰ্বাঞ্চল কয়লা ক্ষেত্ৰ ক'ল ইণ্ডিয়া লিমিটেড, মাৰ্ঘেৰিটাৰ গাফিলতিৰ বাবে সংঘটিত ভয়াৱহ ঘটনা

# লিডুত ১১ কেভি বিদ্যুৎ তাৰৰ স্পৰ্শত মৃত্যু এজন লোকৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৩ এপ্ৰিল ঃ** ৮৩ নং মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত লিডুৰ ২নং ৰোড গাঁৱৰ পিৰুলাইনত সংঘটিত হৈছে এক অতি শোকাৱহ আৰু হৃদয়বিদাৰক ঘটনা। ১১ কেভি উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ তাৰৰ স্পৰ্শত এজন লোকৰ কৰুণ মৃত্যু হোৱাত সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, স্থানীয় বাসিন্দা ছাইদুল্লা আলী (৪২) আজি পুৱা নিজৰ ঘৰৰ চৌতালত ক'ল ইণ্ডিয়াৰ অধীনস্থ এডাল বিদ্যুৎ তাৰ পৰি থকা অৱস্থাত লক্ষ্য কৰে। পৰৱৰ্তী সময়ত, সেই তাৰডাল আতৰাবলৈ চেষ্টা কৰাৰ সময়তে তেওঁ বিদ্যুৎ স্পৰ্শ কৰি ঘটনাস্থলীতেই মৃত্যুবৰণ কৰে। এই দুৰ্ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য সৃষ্টি কৰাৰ লগতে স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ জোৱাৰ উঠিছে। ঘটনাটোৰ পিছতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সদস্য সকলৰ লগতে ৰাইজৰ উপস্থিত লিডু স্থিত উত্তৰ পূৰ্বাঞ্চল কয়লা ক্ষেত্ৰ ক'ল ইণ্ডিয়া লিমিটেড এজেণ্ট অফিচ ঘেৰাও কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে স্পষ্টভাৱে অভিযোগ উত্থাপন কৰি কয় যে, ক'ল ইণ্ডিয়াৰ বিদ্যুৎ বিভাগৰ অবহেলা আৰু গাফিলতিৰ বাবেই এনে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈছে। ইয়াৰ উপৰিও স্থানীয় ৰাইজ আৰু সংগঠনসমূহে ভুক্তভোগী পৰিয়ালক তাৎক্ষণিক আৰ্থিক সহায় আগবঢ়োৱা আৰু চৰকাৰী ভাৱে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবী জোৰদাৰ কৰিছে।

# মালিবাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, সোণতলী, ১৪ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ মালিবাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। জানিব পৰামতে, মালিবাৰী পথাৰ বজাৰস্থ ছছিঅ' ইক'নমিক ডেভলপমেণ্ট ছোছাইটি (এন.জি.অ)য়ে সদ্য ঘোষিত মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বাবে এই সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। মালিবাৰী পথাৰ বজাৰ কমিউনিটী প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত বিভিন্ন বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা মুঠ ৫০ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীক এখনকৈ ফুলাম গামোচা আৰু কলমেৰে জনায় সম্বৰ্ধনা। ছছিঅ' ইক'নমিক ডেবলপমেণ্ট ছোছাইটি (এন.জি.অ) ৰ সভাপতি শ্বাহিনুৰ ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জবাল ই ৰহমান একাডেমীৰ অধ্যক্ষ কলিম উদ্দিনে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বকো-ছয়গাঁও সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰমেন সিং ৰাভা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগৰবেৰাত অৱস্থিত এলিগেণ্ট ইনষ্টিটিউটৰ পৰিচালনা সঞ্চালক ছোলেমান সিকদাৰ আৰু অঞ্চলটোৰ বহু গণ্য মান্য ব্যক্তি সকল উপস্থিত থাকি ছাত্ৰ ছাত্ৰী সকলৰ উদ্দেশ্য মূল্যৱান ভাষণ প্ৰদান কৰে।

# এছিয়ান কিডছ ইংলিছ স্কুলত উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ এপ্ৰিল ঃ** অইন অইন বছৰৰ দৰে এইবেলিও অভয়াপুৰী আগশাৰৰ শিশু কেন্দ্ৰিক ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান এছিয়ান কিডছ ইংলিছ স্কুলৰ উদ্যোগত বিদ্যালয়খনৰ প্ৰাংগনত হেঁপাহৰ ৰঙালী বিহুটি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। পৰম্পৰাগতভাৱে অসমীয়া সংস্কৃতিৰ ৰঙেৰে ৰঙীন হৈ পৰা বিদ্যালয়খনৰ পৰিবেশে আজি সকলোৰে মনত এক আনন্দময় আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। বিহুৰ লগত সংগতি ৰাখি অসমৰ সমৃদ্ধ সংস্কৃতি আৰু অসমীয়া সমাজ জীৱনৰ লগত বিভিন্ন পৰম্পৰা খাদ্য সম্ভাৰ, সাজ-পোছাক আৰু ঐতিহ্যবাহী সামগ্ৰীসমূহ ছাত্ৰ-ছাত্ৰী আগত উৎযাপন কৰা হয়। ইয়াৰ জৰিয়তে কণকণ শিশুসকলক নিজৰ সংস্কৃতিৰ সৈতে চিনাকি কৰোৱা হয়। লগতে অভিভাৱকসকলৰ মাজত অসমীয়া পিঠাপনা প্ৰতিযোগিতা আয়োজন কৰা হয়, যত বিভিন্ন ধৰণৰ থলুৱা পিঠা-পনা প্ৰদৰ্শনে অনুষ্ঠানটোক অধিক মনোমোহা কৰি তোলে। এই প্ৰতিযোগিতাত অভিভাৱকসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি নিজৰ বন্ধন-নৈপুন্ন প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাৰ প্ৰথম চাৰিটা ষ্টাণ্ট দখল কৰে ক্ৰমে সোণমণিনাথ, জয়শ্ৰী দাস, পূজা দাস আৰু মৃদুস্মিতা দাসে। হেঁপাহৰ এই বিহু অনুষ্ঠানৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে এছিয়ান কিডছ ইংলিছ স্কুলৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস। বিশেষ অতিথি হিচাপে উপস্থিত থাকে মহাত্মা গান্ধী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বন্দনা কলিতা আৰু সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়। আজিৰ এই বিহু উৎসৱত সকলো অভিভাৱকে পৰম্পৰাগত অসমীয়া সাজ-পোছাক পৰিধান কৰি উপস্থিত থাকি অনুষ্ঠানটোক অধিক ৰঙীন কৰি তোলে। সামগ্ৰিকভাৱে এই আয়োজনে শিক্ষাৰ লগতে সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ এক উজ্জ্বল উদাহৰণ হিচাপে পৰিগণিত হয়। ৰঙালী বিহুৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীক ফুলাম গামোচা আৰু অসমীয়া জাপিৰে বিহুৰ উলগ জনোৱা হয়।

# তিনিচুকীয়াৰ ৫ বিধানসভা সমষ্টিত বিগত নিৰ্বাচনত কিমানসংখ্যক ভোট পৰিছিল ন'টাত?

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৪ এপ্ৰিল ঃ** ন'টা (None of the above) ভোট আচলতে এখন গণতান্ত্ৰিক দেশৰ ভোটাৰৰ এক ঋণাত্মক অভিব্যক্তি। অৰ্থাৎ কোনো এজন ভোটাৰে যদি কোনো প্ৰাৰ্থীক উপযুক্ত বুলি বিবেচনা নকৰে, তেনেক্ষেত্ৰত ন'টা ভোট সাব্যস্ত কৰিব পাৰে। ভাৰতবৰ্ষত ২০১৪ চনৰ পৰা নিৰ্বাচনত এই ন'টা ভোট প্ৰচলন হৈ আহিছে। ২০১৩ চনত উচ্চতম ন্যায়ালয়ে ন'টা ভোটক মান্যতা প্ৰদান কৰাৰ পিছত ২০১৪ চনৰ লোকসভা নিৰ্বাচনত আমাৰ দেশৰ ভোটাৰে প্ৰথমবৰলৈ এইন'টা ভোট প্ৰদানৰ সুবিধা লাভ কৰিছিল। অসমত ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত প্ৰথমবাৰলৈ এই ন'টা ভোট ব্যৱস্থাৰ প্ৰচলন হয়। নিৰ্বাচনত ন'টা ভোট ব্যৱস্থাক অন্তৰ্ভুক্ত কৰা ভাৰতবৰ্ষ হৈছে পৃথিবীৰ চতুৰ্দশ দেশ। ভোটাৰৰ মাজত এই ন'টা ভোটে বিগত নিৰ্বাচনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এক তথ্য অনুসৰি, অসমত ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত সৰ্বমুঠ ১ লাখ, ৮৯ হেজাৰ ৮৫ গৰাকী ভোটাৰে ন'টা ভোট প্ৰদান কৰিছিল। সেইবাৰ নিৰ্বাচনত ভোটদান কৰা ভোটাৰৰ মুঠ সংখ্যা আছিল ১ কোটি, ৬৯ লাখ, ১৯ হেজাৰ ৩৬৪ গৰাকী। অৰ্থাৎ ভোটদান কৰা ভোটাৰৰ ১.১২ শতাংশই এই ন'টা ভোটৰ আশ্ৰয় লৈছিল। সেইদৰে যোৱাবাৰ অৰ্থাৎ ২০২১ চনৰ নিৰ্বাচনত প্ৰায় ১.৯২ কোটি ভোটাৰৰ ২.১৯ লাখ ভোটাৰেই ন'টা ভোট সাব্যস্ত কৰিছিল। অৰ্থাৎ ১.১৪ শতাংশ ভোটাৰে এই ন'টাত ভোট প্ৰদান কৰিছিল। এতিয়া আহোঁ, বিগত ২০১৬ আৰু ২০২১ চনৰ নিৰ্বাচনত তিনিচুকীয়া জিলাৰ ৫ সমষ্টিত কিমান সংখ্যক ভোটাৰে ন'টাত ভোট সাব্যস্ত কৰিছিল? তথ্য অনুসৰি, ২০১৬ চনৰ অসম বিধানসভা নিৰ্বাচনত তিনিচুকীয়া জিলাৰ ১২৬নং শদিয়া বিধানসভা সমষ্টিত ন'টাত ভোট পৰিছিল ২, ০৪৪টা ভোট। সেইবাৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৫৬, ৬১৯ গৰাকী। ইয়াৰে ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ১, ২০, ৮৪৮ গৰাকী। আনহাতে, ২০২১ চনত সমষ্টিটোৰ সৰ্বমুঠ ১, ৮৯, ৮৫৪ গৰাকী ভোটাৰৰ ভিতৰত ১, ৪২, ৫৭৫ গৰাকী ভোটাৰে ভোটদান সাব্যস্ত কৰিছিল। ন'টাত ভোটদান সাব্যস্ত কৰা ভোটাৰৰ সংখ্যা আছিল ১, ৯১৮ গৰাকী। সেইদৰে, তিনিচুকীয়া বিধানসভা সমষ্টিত ২০১৬ চনৰ নিৰ্বাচনত ১, ৯৮৬ গৰাকী ভোটাৰে ন'টাত ভোটদান সাব্যস্ত কৰিছিল। সেইবাৰ মুঠ ১, ৪৪, ২৩৪ গৰাকী ভোটাৰৰ ভিতৰত ১, ১৫, ৮৪৩ গৰাকী ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিছিল। আনহাতে, ২০২১ চনৰ নিৰ্বাচনত সমষ্টিটোত ২, ৫৩৯ গৰাকী ভোটাৰে ভোট প্ৰদান কৰিছিল ন'টাত। মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৭৩, ৫৬২ গৰাকী। ভোটদান কৰিছিল ১, ৩০, ৯২৫ গৰাকী ভোটাৰে। আনহাতে, ২০১৬ চনত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত ন'টাত ভোট পৰিছিল ২, ১৩৭টা ভোট। সেইবাৰ সমষ্টিটোৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৬৩, ০৮৮ গৰাকী। ভোটদান কৰিছিল ১, ৩৬, ৭৪০ গৰাকী ভোটাৰে। আনহাতে, ২০২১ চনত সমষ্টিটোত ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ২, ৫৩৬ গৰাকী। মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৯৬, ২১০ গৰাকী। ভোটদান কৰিছিল ১, ৫৩, ২৭৯ গৰাকী ভোটাৰে। ডিগবৈত ২০১৬ আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ক্ৰমে ২, ২৪৬ আৰু ২, ৭৩৩ গৰাকী। ২০১৬ চনত সমষ্টিটোৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ১৫, ৬৫৪ গৰাকী। ভোটদান কৰিছিল ৯৫, ৫২৫ গৰাকী ভোটাৰে। আনহাতে, ২০২১ চনত সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ৪০, ২৫৯ গৰাকী। ইয়াৰে ভোটদান কৰিছিল ১, ০৭, ১৯২ গৰাকী ভোটাৰে। সেইদৰে ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিত ২০১৬ চনত ন'টাত ভোট পৰিছিল সৰ্বাধিক ৩, ৩১৭টা ভোট। সেইবাৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ১, ২৩, ৮১১ গৰাকী। ভোটদান কৰিছিল ১, ০৩, ৩৯২ গৰাকী ভোটাৰে। আনহাতে, ২০২১ চনৰ নিৰ্বাচনত ডুমডুমা সমষ্টিৰ মুঠ ১, ৫২, ৬৩২ গৰাকী ভোটাৰৰ ভিতৰত ৩, ১৮৬ গৰাকী ভোটাৰে ভোটদান কৰিছিল এই ন'টাত। ভোটদান কৰা ভোটাৰৰ সংখ্যা আছিল ১, ১৭, ৭৫৯ গৰাকী। গতিকে দেখা গৈছে যে বিগত নিৰ্বাচনত ভোটাৰৰ মাজত ন'টা ভোটাৰৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই আহিছে। তিনিচুকীয়া জিলাৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ডুমডুমা বিধানসভা সমষ্টিতেই ন'টাত ভোটদান কৰা ভোটাৰৰ সংখ্যা সৰ্বাধিক। সমষ্টিটোত ২০১৬ চনত ৩.২১ শতাংশ ভোটাৰে ন'টাত ভোটদান কৰাৰ বিপৰীতে ২০২১ চনৰ নিৰ্বাচনত ন'টাত ভোটদান সাব্যস্ত কৰিছিল ২.৭১ শতাংশ ভোটাৰে। ৰাজনৈতিক পৰ্যবেক্ষকসকলৰ মতে, এইবাৰো ন'টা ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। তিনিচুকীয়া জিলাৰ এইবাৰৰ মুঠ ৬টা সমষ্টিত কিমান সংখ্যক ভোটাৰে কিমান ন'টাত ভোট প্ৰদান কৰে, কোনটো সমষ্টিত ভোটাৰে সৰ্বাধিক ন'টা ভোট সাব্যস্ত কৰে, সেয়া ৪ মে'ৰ ভোট গণনাৰ পিছতেই স্পষ্ট হব।

# ৰাম স্বৰসতী একাডেমীৰ কীৰ্তি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, সোণতলী, ১৪ এপ্ৰিল ঃ** কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত ছমৰীয়া সত্ৰৰ 'ইংৰাজী মাধ্যমৰ বিদ্যালয়' ৰামস্বৰসতী একাডেমী'ৰ কীৰ্তিমান ছাত্ৰ- ছাত্ৰীক সম্বৰ্ধনা জনায়। উল্লেখ্য, বিদ্যালয়খনৰ পৰা এইবেলি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১১ গৰাকীকৈ ছাত্ৰ- ছাত্ৰীয়ে অৱত্তীৰ্ণ হৈছিল। ইয়াৰে ডিষ্টিংশ্যনসহ ৭ গৰাকীয়ে প্ৰথম স্থান, দুগৰাকীয়ে দ্বিতীয় আৰু দু গৰাকীয়ে তৃতীয়া স্থান লাভ কৰে। বিদ্যালয়খনৰ পৰা ইয়াৰে নাঈম আকতাৰ ৰৌশনে ডিষ্টিংশ্বন আৰু আশ্বিকুল আজাদে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ এশ শতাংশই সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সোমবাৰে বিদ্যালয়ৰ তৰফৰ পৰা ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায়।

# মঙলদৈত বিশিষ্ট সাহিত্যিক ফুলেন্দ্ৰ নাথ চহৰীয়াৰ ৯৩ সংখ্যক জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা মঙলদৈ, ১৪ এপ্ৰিল ঃ** মঙলদৈ সনাতন ধৰ্মসভাৰ উদ্যোগত ধৰ্মসভাৰ মুখ্য উপদেষ্টা, বিশিষ্ট সাহিত্যিক, প্ৰাক্তন সভাপতি তথা শিক্ষাবিদ ফুলেন্দ্ৰ নাথ চহৰীয়াৰ দেওবাৰে ৯৩ সংখ্যক জন্ম দিন পালন কৰা হয়। জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ লগতে প্ৰায় তিনি শতাধিক জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত প্ৰবীণ সাহিত্যিকগৰাকীৰ ওপজা দিন উপলক্ষে ধৰ্মসভাৰ সভা কক্ষত মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি পঞ্চানন শৰ্মাৰ সঞ্চালনাত এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। মঙলদৈ সনাতন ধৰ্মসভাৰ সাধাৰণ সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকাই আঁত ধৰা এই অনুষ্ঠানত ধৰ্মসভাৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, জাপি আদিৰে জ্যেষ্ঠ শিক্ষাবিদগৰাকীক উষ্ণ সম্বৰ্ধনা জ্ঞাপন কৰে। জ্যেষ্ঠ সংস্কৃত পণ্ডিত তৰণ চন্দ্ৰ শৰ্মাৰ মঙ্গলাচৰণৰে আৰম্ভ কৰা অনুষ্ঠানটিতে দৰং জিলা সাহিত্য সভাৰ হৈ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, দৰং জিলা কৰ্মচাৰী পৰিষদৰ হৈ সাধাৰণ সম্পাদক কুলেন চন্দ্ৰ ডেকা, খৰিকাজাঁই শতদল সাহিত্য সভাৰ হৈ সভাপতি হেমকান্ত নাথ, সম্পাদক মদন চন্দ্ৰ বৰুৱা, উপ-সভাপতি সুৰেন্দ্ৰ বৰুৱা, সাংগঠনিক সম্পাদক আনন্দ ডেকা, এছ আৰ ডি গ্ৰুপৰ হৈ সঞ্চালক ৰাজীৱ কুমাৰ ডেকা, যুথ ক্লাবৰ হৈ সভাপতি গিৰিশ ডেকা, মঙলদৈ প্ৰেছ ক্লাবৰ হৈ সভাপতি হোমেন কাকতি, দ্যা মঙলদৈ ক্লাবৰ হৈ সম্পাদক ডাঃ ভূপেন চহৰীয়া, মঙলদৈ ক্লিয়েটৰ্চ ইউনিটৰ হৈ সভাপতি হৰেন কাকতি, চৰকাৰী পেন্সনাৰ সন্থাৰ হৈ সভাপতি মদন চন্দ্ৰ দত্ত, মঙলদৈ পৌৰসভাৰ হৈ সভানেত্ৰী নিৰ্মালী দেৱী শৰ্মা, মঙলদৈ বনিক সন্থাৰ হৈ বিশিষ্ট ব্যৱসায়ী ৰমেশ ঘোষ আৰু নিতাই ঘোষ, মিলিজুলি মইনা পাৰিজাতৰ হৈ সভাপতি দ্বীপেন্দ্ৰ শৰ্মা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰিও অভিযন্তা ভবেন বৰ্মন, অৱসৰ প্ৰাপ্ত প্ৰশাসনিক বিষয়া প্ৰমোদ চন্দ্ৰ ডেকা, বিশিষ্ট সমাজ সেৱক মাণিক চন্দ্ৰ মেধি, অৱসৰপ্ৰাপ্ত শিক্ষক ৰাধাৰাম ভূঞা, সমাজসেৱক অৰুণ বৰুৱা আদিয়ে ধৰ্মসভাৰ মুখ্য উপদেষ্টা ফুলেন্দ্ৰ নাথ চহৰীয়াক ৰাজহুৱাভাৱে জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। এই অন্তৰংগ আলাপ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱী, বিশিষ্ট সাহিত্যিক গীতিকাৰ ইদ্ৰিছ আলি, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, দৰংজিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, পেন্সনাৰ সন্থাৰ সভাপতি মদন দত্ত, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক চহিৰ ভূঞা, ধৰ্মসভাৰ উপ-সভাপতি উপেন্দ্ৰ চহৰীয়া, কোষাধ্যক্ষ মুকুল চন্দ্ৰ ডেকা আদিয়ে বৰ্ষীয়ান ব্যক্তিগৰাকীক ওপজা দিনৰ ওলগ জনাই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ফুলেন্দ্ৰ নাথ চহৰীয়াৰ নাতিনী হৰ্শিতা চহৰীয়াই এটি সাৱলীল গীতেৰে ককাকক জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰি সকলোকে মোহিত কৰে। অন্তৰংগ আলাপত জন্ম দিনৰ ৰাজহুৱা শুভেচ্ছা গ্ৰহণ কৰি ফুলেন্দ্ৰ নাথ চহৰীয়াই কয়- মোৰ জীৱন কালতে সনাতন ধৰ্মসভাত মোৰ তিনি পুৰুষে সেৱা কৰাৰ সুযোগ পালো। আজি সনাতন ধৰ্মসভাৰ উদ্যোগত যি মৰম যাচিলে ইয়াত কৈ আৰু মোক কি সুখ লাগে। মোৰ প্ৰতি আজি যি মৰম দেখুৱালে এই দয়া যাতে সদায় ৰাখে তাৰ প্ৰতি আহ্বান জনায়। সনাতন ধৰ্ম সভাই বহুত কৰিছে, তাক লৈ মই গৌৰৱ কৰো। এনে আধ্যাত্মিকতাৰ অনুষ্ঠানটোক আপোনালোকে নিজৰ আপোনভাৱে লৈ উন্নত কৰিবলৈ অনুৰোধ জনায়। এদিন সনাতন ধৰ্মসভা স্বৰ্গপুৰীত পৰিণত যে হ'ব তেওঁ আশাবাদী বুলি মন্তব্য আগবঢ়ায়।

# নাহৰ ফুল আৰু ৰঙালী বিহু
## এক আধ্যাত্মিক আৰু সামাজিক বিশ্লেষণ



পদ্ম মৰাণ

প্ৰকৃতিৰ বুকুত যেতিয়া এজাক বলিয়া বতাহে কুলিয়ে কুউ কুউ কৰি বসন্তৰ আগমনৰ বতৰা দিয়ে, তেতিয়াই অসমীয়া মানুহৰ হিয়াখন এক অজান শিহৰণেৰে কঁপি উঠে। ঋতুৰাজ বসন্তক আদৰিবলৈ আমাৰ চৌপাশ যেন অপূৰ্ব সাজেৰে সজাই তোলে স্বয়ং বিধাতাই। তগৰ, কপৌ আৰু মদাৰৰ লগত প্ৰতিযোগিতাত নামি বসন্তৰ আন এক অনন্য উপহাৰ হৈছে নাহৰৰ কোমল কুঁহিপাত আৰু তাৰ শুভ্ৰ সুগন্ধি ফুল। নাহৰ আৰু ৰঙালী বিহু— এই দুয়োৰে মাজত থকা সম্পৰ্ক কেৱল ঋতুগত নহয়, ইয়াৰ আঁৰত লুকাই আছে এক গভীৰ আধ্যাত্মিক সংযোগ আৰু সামাজিক চেতনাৰ এক নীৰৱচ্ছিন্ন ধাৰা, যি অসমীয়া জাতিক যুগে যুগে এক সুকীয়া পৰিচয় প্ৰদান কৰি আহিছে। নাহৰৰ সেই বিশেষ সুবাসটো নাপালে যেন এজন অসমীয়াৰ বাবে বিহু বিহু লগা অনুভৱটোৱেই সম্পূৰ্ণ নহয়।

নাহৰ ফুলৰ সেই স্নিগ্ধ বগা পাহিবোৰ আৰু মাজৰ হালধীয়া পৰাগ কেশৰবোৰ দেখিলে মনটো আপোনা-আপুনি এক পবিত্ৰতাৰে ভৰি পৰে। অসমীয়া সমাজত নাহৰৰ স্থান কেৱল এবেগত ফুলৰ মাজতে সীমাবদ্ধ নহয়। আমাৰ আধ্যাত্মিক জগতখনত নাহৰৰ এক সুকীয়া মহিমা আছে। বিশেষকৈ মহাপুৰুষীয়া ধৰ্মীয় পৰম্পৰাত নাহৰ ফুলৰ পবিত্ৰতাক বিশেষ মান্যতা দিয়া হয়। সত্ৰীয়া সংস্কৃতিৰ লগত নাহৰৰ যি নিবিড় সম্পৰ্ক, সি আমাক আমাৰ শিপাৰ কথা সোঁৱৰাই দিয়ে। বিহুৰ বতৰত যেতিয়া নাহৰ ফুল ফুলে, তেতিয়া যেন আমাৰ গাঁৱৰ নামঘৰৰ চ'তালখনতো এক আধ্যাত্মিক সুবাস বিয়পি পৰে। নাহৰৰ কাঠ যিদৰে কঠিন আৰু মজবুত, ইয়াৰ ফুলো তেনেদৰে কোমল আৰু পবিত্ৰ। এই বৈপৰীত্যই যেন জীৱনৰ কঠিন সত্য আৰু মনৰ কোমলতাক একেলগে প্ৰতিনিধিত্ব কৰে। বহু ক্ষেত্ৰত কোৱা হয় যে নাহৰ গছৰ তলত বহি কৰা চিন্তা বা প্ৰাৰ্থনাই মনলৈ এক অপূৰ্ব শান্তি কঢ়িয়াই আনে। ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতো যেতিয়া এজন অসমীয়াই এজোপা ফুলি থকা নাহৰৰ পিনে চায়, তেতিয়া তেওঁৰ মনলৈ আহে প্ৰকৃতি আৰু স্ৰষ্টাৰ সেই মহান একাত্মবোধ। বিহু কেৱল নৃত্য-গীতৰ ধেমালি নহয়, ই হ'ল প্ৰকৃতিৰ ওচৰত মানুহে কৰা এক সশ্ৰদ্ধ কৃতজ্ঞতা স্বীকাৰ। আৰু এই কৃতজ্ঞতাৰ শ্ৰেষ্ঠ অৰ্ঘ্য হ'ল নাহৰৰ সেই পবিত্ৰ পাহিবোৰ, যাৰ শুভ্ৰতাই সমাজৰ কলুষতা ধুই নিয়াৰ ক্ষমতা ৰাখে।

সামাজিক দিশৰ পৰা চালে নাহৰ ফুল অসমীয়াৰ আৱেগ আৰু ঐতিহ্যৰ এক সুদৃঢ় প্ৰতীক। এসময়ত আমাৰ আই-আইতাসকলে বিহুৰ বতৰত নাহৰৰ কোমল কুঁহিপাতত 'দেৱ দেৱ মহাদেৱ...' মন্ত্ৰ লিখি ঘৰৰ চালত গুজি দিছিল। ইয়াৰ উদ্দেশ্য আছিল ধুমুহা, বৰষুণ বা বজ্ৰপাতৰ পৰা পৰিয়ালটোক ৰক্ষা কৰা। ইয়াক কেৱল এক লোকবিশ্বাস বুলি উলাই কৰিব নোৱাৰি; বৰঞ্চ ইয়াৰ আঁৰত প্ৰকৃতিৰ প্ৰতি থকা মানুহৰ অদম্য বিশ্বাস, নিৰ্ভৰশীলতা আৰু এক গভীৰ পাৰস্পৰিক সম্পৰ্কহে প্ৰকাশ পায়। আজিৰ যান্ত্ৰিক যুগৰ কোলাহলত হয়তো এইবোৰ কথা আমাৰ বাবে কিছু অবান্তৰ যেন লাগিব পাৰে, কিন্তু সেই বিশ্বাসৰ মাজতেই লুকাই আছিল সমাজখনক একেলগে ধৰি ৰখাৰ এক অদৃশ্য শক্তি। বিহুৰ দিনা নতুন কাপোৰ পিন্ধি ডেকাই যেতিয়া গাভৰুৰ খোপাত কপৌফুলৰ লগতে নাহৰৰ সৌন্দৰ্যকো বিচাৰি ফুৰে, তেতিয়া সমাজখনৰ প্ৰতিটো স্তৰত এক যোগাত্মক আৰু স্নিগ্ধ পৰিৱেশৰ সৃষ্টি হয়। নাহৰৰ দৰেই আমাৰ সমাজখনো হোৱাটো বিচাৰোঁ— য'ত থাকিব বাহ্যিক পবিত্ৰতাৰ লগতে অভ্যন্তৰীণ সহনশীলতা আৰু সুগন্ধি বিলাই দিয়াৰ এক সহজাত প্ৰবৃত্তি।

ৰঙালী বিহু অহা মানেই কেৱল নাচ-গান নহয়, ই হ'ল নতুনক আদৰাৰ এক প্ৰস্তুতি। এই প্ৰস্তুতিত নাহৰ গছে যেন এক মৌন সাক্ষী হৈ আমাৰ চোতালত থিয় দি থাকে। নাহৰৰ ডালত পৰি যেতিয়া কুলিয়ে মাতে, তেতিয়া সেয়া কেৱল এটা চৰাইৰ মাত হৈ নাথাকে, সেয়া হয় এক সাংস্কৃতিক আহ্বান। বৰ্তমান সময়ত আমি যেতিয়া ৰঙালী বিহু পালন কৰোঁ, তেতিয়া আমি কেৱল মঞ্চৰ বিহু বা ঢোল-পেঁপাৰ কৰ্ণভেদী শব্দতে সীমাবদ্ধ নাথাকি নাহৰৰ সেই আধ্যাত্মিক গাম্ভীৰ্যকো হৃদয়েৰে অনুভৱ কৰা উচিত। নাহৰ গছে আমাক শিকায় কেনেকৈ কাল ধুমুহাৰ মাজতো অবিচলিত হৈ থিয় দি থাকিব পাৰি, কেনেকৈ নিজৰ অস্তিত্বক আনৰ বাবে সুগন্ধিৰে মহীয়ান কৰি তুলিব পাৰি। অসমীয়াৰ বাবে ৰঙালী বিহু কেৱল এটা বাৰ্ষিক উৎসৱ নহয়, ই আমাৰ জাতীয় পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। আৰু এই পৰিচয়ক পূৰ্ণতা দেয় নাহৰৰ দৰে আমাৰ এই আপুৰুগীয়া প্ৰাকৃতিক সম্পদসমূহে। নাহৰ ফুলৰ বগা ৰঙটোৱে আমাক নিৰ্মলতা আৰু একতাৰ বাৰ্তা দেয়, যিটো আজিৰ স্বাৰ্থকেন্দ্ৰিক আৰু অস্থিৰ সমাজখনৰ বাবে আটাইতকৈ বেছি প্ৰয়োজনীয়।

বিহুৰ আনন্দৰ মাজত আমি যাতে আমাৰ এই প্ৰকৃতিপ্ৰদত্ত সম্পদবোৰক পাহৰি নাযাওঁ, সেয়া আমাৰ ডাঙৰ সামাজিক দায়িত্ব। আজি বননি ধ্বংস হৈছে, চহৰীয়া সভ্যতাৰ নামত আমি নাহৰৰ লানি কাটি কংক্ৰিটৰ দেৱাল তুলিছোঁ। কিন্তু মনত ৰখা উচিত যে নাহৰৰ সেই গোন্ধ নোহোৱা হ'লে বিহুৰ আৱেগ আধৰুৱা হৈ ৰ'ব। নাহৰৰ কুঁহিপাতৰ সেই ৰঙা আভা যেনেকৈ আমাৰ তেজৰ লগত মিলি আছে, ঠিক তেনেকৈ বিহুৰ ঢোলৰ গুমগুমনিও আমাৰ শিৰাই শিৰাই বয়। প্ৰতি বছৰে নাহৰ ফুলে, প্ৰতি বছৰে বিহু আহে। কিন্তু প্ৰতিটো বিহুৱে আমাক সোঁৱৰাই দিয়া উচিত যে প্ৰকৃতি অবিহনে আমাৰ জীৱনৰ কোনো মূল্য নাই। নাহৰৰ কোমল পাতত যেনেকৈ বসন্তৰ পৰশ লাগে, তেনেকৈ আমাৰ মনবোৰতো বিহুৰ পবিত্ৰতাই চুই যাওক।

নাহৰ ফুলৰ সেই শান্ত আৰু গহীন ৰূপটোৱে আমাৰ সমাজৰ প্ৰতিজন ব্যক্তিক এক সুস্থ আৰু আধ্যাত্মিক চিন্তাৰ অধিকাৰী কৰি তোলক। আজিৰ যুগত আমি যিদৰে আধুনিকতাৰ পিছত দৌৰিছোঁ, তাত যেন নাহৰৰ দৰে স্থিৰতা আৰু গাম্ভীৰ্যৰ বৰ প্ৰয়োজন হৈ পৰিছে। যিদৰে নাহৰৰ সুবাসে আকাশ-বতাহ আমোল-মোলাই তোলে, তেনেদৰে আমাৰ পুৰণি সংস্কৃতি, আমাৰ বিহু আৰু আমাৰ আন্তৰিক ভাতৃত্ববোধৰ সুবাসেও বিশ্বদৰবাৰত অসমীয়া জাতিৰ গৌৰৱ নতুনকৈ প্ৰতিষ্ঠা কৰক। বিহুৰ সেই পবিত্ৰ দিনটোত যেতিয়া আমি নাহৰৰ তলত থিয় দিওঁ, তেতিয়া যেন আমি আমাৰ পূৰ্বপুৰুষৰ সেই চহা কিন্তু নিৰ্মল জীৱনবোধক আকৌ এবাৰ বিচাৰি পাওঁ।

শেষত ক'ব পাৰি যে, নাহৰ আৰু ৰঙালী বিহুৰ এই মিলন কেৱল এটা ঋতুৰ পৰিৱৰ্তন নহয়, ই অসমীয়া মানুহৰ আত্মাৰ এক চিৰন্তন স্পন্দন। এই স্পন্দনত আছে হেঁপাহ, আছে মৰম আৰু আছে আধ্যাত্মিকতাৰ এক অনন্য মিশ্ৰণ। এইবাৰৰ ৰঙালী বিহুৱে নাহৰৰ সেই অম্লান পবিত্ৰতাৰে আমাৰ সমাজৰ সকলো নেতিবাচক চিন্তা, বিভেদ আৰু হিংসা ধুই মচি এক নতুন আৰু উজ্জ্বল দিগন্তৰ সূচনা কৰিব বুলি আমি আশা কৰিব পাৰোঁ। বসন্তৰ এই পৰশ আমাৰ প্ৰতিটো উশাহতে অনুভৱ হওক, নাহৰৰ সুবাসে আমাৰ জীৱনবোৰ পবিত্ৰ কৰি তোলক আৰু অসমীয়া সংস্কৃতিৰ এই জয়যাত্ৰা অব্যাহত থাকক। নাহৰ ফুলৰ দৰেই আমাৰ মনবোৰো যাতে সদায় শুভ্ৰ আৰু সুগন্ধি হৈ থাকে— এয়াই হওক এই বিহুৰ শ্ৰেষ্ঠ সংকল্প।



# ব'হাগ বিহুত লোকগীতৰ ভূমিকা

জীৱনজ্যোতি গগৈ

অসমৰ সংস্কৃতিৰ এক উজ্জ্বল প্ৰতীক হ'ল ব'হাগ বিহু। এই উৎসৱে কেৱল কৃষিজীৱনৰ নতুন আৰম্ভণিৰ সংকেত দিয়াই নহয়, ইয়াত লুকাই থাকে অসমৰ মানুহৰ আনন্দ, আশা, অনুভূতি আৰু ঐতিহ্য। এই বিহুৰ এক গুৰুত্বপূৰ্ণ অংগ হ'ল লোকগীত, বিশেষকৈ বিহুগীত, যিয়ে উৎসৱৰ প্ৰাণ স্বৰূপ। ব'হাগ বিহুত লোকগীতৰ ভূমিকা অতি গভীৰ আৰু ব্যাপক। গাঁৱৰ পথাৰত যেতিয়া ঢোল, পেঁপা, গগনা আদি বাদ্যযন্ত্ৰৰ সুৰে সুৰে বিহুগীত গোৱা হয়, তেতিয়া সেই সুৰে মানুহৰ হৃদয়ত এক বিশেষ উল্লাস সৃষ্টি কৰে। লোকগীতৰ এই সুৰে মানুহক একেলগ কৰে, সামাজিক সম্পৰ্ক শক্তিশালী কৰে আৰু একতাৰ বাৰ্তা প্ৰেৰণ কৰে।

লোকগীতত মূলতে প্ৰেম, যৌৱন, প্ৰকৃতি আৰু জীৱনৰ সৰল আনন্দবোৰৰ প্ৰকাশ পোৱা যায়। বিহুগীতত ডেকা-গাভৰুৱে প্ৰেমৰ অনুভূতি প্ৰকাশ কৰে, কেতিয়াবা ঠাট্টা-মস্কৰা আৰু কৌতুকৰ মাজেৰে মনোৰঞ্জন কৰে। এইবোৰ গীতৰ ভাষা সহজ, সুৰ মধুৰ আৰু প্ৰকাশ ভংগী অতি স্বাভাৱিক, যাৰ বাবে সকলো বয়সৰ মানুহে সহজে অনুভৱ কৰিব পাৰে। ইয়াৰ লগতে, লোকগীতে ব'হাগ বিহুৰ সাংস্কৃতিক পৰিচয় সংৰক্ষণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰজন্মে প্ৰজন্মে মুখে-মুখে চলি অহা এই গীতবোৰে অসমৰ ঐতিহ্য, বিশ্বাস আৰু জীৱনধাৰা সংৰক্ষণ কৰি ৰাখিছে। আধুনিক যুগতো এই লোকগীতবোৰে মানুহক নিজৰ ভেটিৰ সৈতে সংযোগ কৰি ৰাখে।

ব'হাগ বিহুত লোকগীতৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ সামাজিক ভূমিকা। গাঁৱত বিহু উদ্‌যাপনৰ সময়ত সকলো মানুহ একেলগে গীত-নৃত্যত অংশগ্ৰহণ কৰে। ইয়াৰ ফলত সামাজিক দূৰত্ব কমে, সম্প্ৰীতি বৃদ্ধি পায় আৰু এক সুখী সমাজ গঢ়ি উঠে। লোকগীতৰ জৰিয়তে মানুহে নিজৰ দুখ-সুখ ভাগ-বতৰা কৰে। কিন্তু বৰ্তমান যুগত আধুনিক সংগীত আৰু প্ৰযুক্তিৰ প্ৰভাৱত লোকগীতৰ গুৰুত্ব কিছু পৰিমাণে হ্ৰাস পাইছে। তথাপি বহু শিল্পী আৰু সাংস্কৃতিক সংগঠনে লোকগীত সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে চেষ্টা কৰি আছে। নতুন প্ৰজন্মৰ মাজতো এই গীতবোৰৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা অতি প্ৰয়োজন। সেইদৰে, ব'হাগ বিহুত লোকগীত কেৱল মনোৰঞ্জনৰ উপায় নহয়; ই অসমৰ সংস্কৃতি, ঐতিহ্য আৰু সামাজিক জীৱনৰ এক অবিচ্ছেদ্য অংশ। এই গীতবোৰে আমাৰ জীৱনত আনন্দ আনে, সমাজক একেলগ কৰে আৰু আমাৰ পৰিচয় অক্ষুণ্ণ ৰাখে। সেয়ে, লোকগীত সংৰক্ষণ আৰু আগবঢ়োৱা আমাৰ সকলোৰে দায়িত্ব। ব'হাগ বিহুত লোকগীতৰ ভূমিকা আৰু অধিক গভীৰভাৱে বুজিবলৈ হ'লে ইয়াৰ সংগীতিক আৰু নান্দনিক দিশসমূহৰ ওপৰতো লক্ষ্য দিব লাগে। বিহুগীতৰ সুৰ, তাল আৰু লয় এক বিশেষ ধৰণৰ, যিয়ে শুনোতাক স্বাভাৱিকভাৱে নাচিবলৈ উদ্দীপিত কৰে। ঢোলৰ দ্ৰুত তাল, পেঁপাৰ তীক্ষ্ণ সুৰ আৰু গগনাৰ সঙ্গতত গোৱা এই গীতবোৰে এক জীৱন্ত পৰিৱেশ সৃষ্টি কৰে। এই সংগীতিক বৈশিষ্ট্যই লোকগীতক অন্য সংগীতৰ পৰা পৃথক কৰি তোলে।

লোকগীতৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ তাৎক্ষণিক সৃষ্টিশীলতা। বহু সময়ত বিহুগীত আগতীয়াকৈ লিখা নহয়, বৰঞ্চ পৰিস্থিতি অনুসৰি তাতেই গোৱা হয়। ডেকা-গাভৰুৱে একে সময়তে প্ৰশ্ন-উত্তৰৰ দৰে গীত গায়, যাক "হুচৰী" বুলিও কোৱা হয়। এই ধৰণৰ গীতত বুদ্ধিমত্তা, আৰু সৃষ্টিশীলতাৰ সুন্দৰ সমন্বয় দেখা যায়। ইয়াৰ উপৰিও, লোকগীতে শিক্ষামূলক ভূমিকা পালন কৰে। গীতৰ মাজেৰে জীৱনৰ নীতি-নিয়ম, সামাজিক মূল্যবোধ আৰু আচাৰ-ব্যৱহাৰৰ কথা সহজভাৱে শিকোৱা হয়। বয়োজ্যেষ্ঠসকলে এই গীতবোৰৰ জৰিয়তে নতুন প্ৰজন্মক জীৱনৰ বাস্তৱতা বুজায় আৰু সঠিক পথ দেখুৱায়। এইদৰে লোকগীত কেৱল বিনোদন নহয়, ই এক শিক্ষাৰ মাধ্যমো। সময়ৰ লগে লগে লোকগীতত কিছু পৰিৱৰ্তনো আহিছে। আধুনিক বাদ্যযন্ত্ৰ আৰু নতুন সুৰৰ সংযোজনে বিহুগীতক নতুন ৰূপ দিছে। তথাপি মূল সাৰবস্তু— প্ৰেম, আনন্দ, প্ৰকৃতি আৰু সমাজ— এইবোৰ আজিও একেই আছে। এই পৰিৱৰ্তনে লোকগীতক অধিক জনপ্ৰিয় কৰি তুলিছে আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰসাৰ বৃদ্ধি কৰিছে। ব'হাগ বিহুত লোকগীত এক জীৱন্ত ঐতিহ্য, যিয়ে অতীত আৰু বৰ্তমানক সংযোগ কৰে। ই আমাৰ সংস্কৃতিৰ আত্মা, যাক সংৰক্ষণ কৰা অতি প্ৰয়োজন। যদি আমি এই লোকগীতবোৰক মৰমেৰে আগবঢ়াওঁ, তেন্তে এই ঐতিহ্য আগন্তুক প্ৰজন্মৰ বাবেও সদায় জীয়াই থাকিব।

# ব'হাগ নতুন চিন্তা, নতুন দিশ আৰু স্বাৱলম্বী অসমৰ স্বপ্ন

বিতু ডেকা

অসমীয়াৰ জীৱনত ব'হাগ মাথোঁ এক উৎসৱ নহয়, ই এক নতুন চিন্তা আৰু নতুন দিশ নিৰ্ধাৰণৰ সময়। বসন্তৰ আগমনে যিদৰে প্ৰকৃতিক নতুন ৰূপ দিয়ে, ঠিক তেনেদৰে ব'হাগে মানুহৰ মনতো নতুন সপোন আৰু নতুন লক্ষ্য জগাই তোলে। এই সময়টোত আমি ভাবিব লাগিব - কোন কোন দিশত আমি আগবাঢ়িব পাৰোঁ, কেনেকৈ নিজকে স্বাৱলম্বী কৰিব পাৰোঁ আৰু কেনেকৈ এখন শক্তিশালী সমাজ গঢ়ি তুলিব পাৰোঁ।

প্ৰথমতে, কৃষি খণ্ডটো আমাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ। অসম এখন কৃষিভিত্তিক ৰাজ্য কিন্তু এতিয়াও বহু ক্ষেত্ৰত আমি পুৰণি পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি আছোঁ। এতিয়া সময় আহিছে নতুন প্ৰজন্মই কৃষিত নিজৰ প্ৰতিভা প্ৰকাশ কৰাৰ। আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি, উন্নত বীজ, সঠিক পৰিকল্পনা আৰু বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰি আমি অধিক উৎপাদন লাভ কৰিব পাৰোঁ। পৃথিৱীৰ আন আন ঠাইত কেনেদৰে আধুনিক কৃষি কৰা হ'য় তাৰ পৰা শিক্ষা লৈ আমিও নিজৰ কৃষি ব্যৱস্থাক উন্নত কৰিব লাগিব। ব'হাগ হৈছে সেই নতুন চিন্তা আৰম্ভ কৰাৰ সঠিক সময় য'ত কৃষিকো লাভজনক আৰু সন্মানজনক পেছা হিচাপে গঢ়ি তুলিব পাৰি।

দ্বিতীয়তে, উদ্যোগ খণ্ডটোত আমাৰ বহুত আগবঢ়াৰ অৱকাশ আছে। আজিও বহু সামগ্ৰী বাহিৰৰ পৰা আহে যিবোৰ আমি নিজৰ ৰাজ্যতেই উৎপাদন কৰিব পাৰোঁ। সেয়ে নতুন উদ্যোগ গঢ়ি তোলা অতি প্ৰয়োজন। ক্ষুদ্ৰ উদ্যোগ, গৃহ উদ্যোগ বা নতুন উদ্যোগিক ধাৰণাৰে আমি নিজকে আৰ্থিকভাৱে স্বাৱলম্বী কৰিব পাৰোঁ। খাদ্য প্ৰস্তুত সামগ্ৰী, হস্তশিল্প, কাপোৰ, দৈনন্দিন ব্যৱহাৰৰ বস্তু আদি ক্ষেত্ৰত আমাৰ অসীম সম্ভাৱনা আছে। ব'হাগে আমাক সেই দিশত চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে "আমি কিয় নোৱাৰোঁ?" এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি আমি আগবাঢ়িব লাগিব।

তৃতীয়তে, সমাজ সেৱাৰ ক্ষেত্ৰতো আমি অধিক সক্ৰিয় হ'ব লাগিব। এনজিঅ' গঠন কৰি আমি সমাজৰ বহু সমস্যা সমাধানৰ চেষ্টা কৰিব পাৰোঁ। আমাৰ সমাজত এতিয়াও বহু অন্ধবিশ্বাস আৰু অসচেতনতা আছে। এইবোৰ দূৰ কৰিবলৈ সচেতনতা বৃদ্ধি কৰাটো অতি প্ৰয়োজন। বিভিন্ন ৰোগৰ বিষয়ে সজাগতা সৃষ্টি কৰা, শিক্ষা বিস্তাৰ কৰা আৰু দুৰ্বল শ্ৰেণীক সহায় কৰা - এইবোৰ কামৰ জৰিয়তে এখন সুস্থ-সবল সমাজ গঢ়ি তুলিব পাৰোঁ। ব'হাগ হৈছে এই ধৰণৰ সামাজিক দায়িত্ব লোৱাৰ সময়।

চতুৰ্থতে, নাৰী সৱলীকৰণো এক গুৰুত্বপূৰ্ণ বিষয়। এতিয়াও বহু ঠাইত নাৰীসকল পিছ পৰি থকা দেখা যায়। সেয়ে শিক্ষা, যোগ, আত্মৰক্ষা আদিৰ জৰিয়তে নাৰীসকলক শক্তিশালী কৰি তোলা অতি প্ৰয়োজন। যেতিয়া নাৰী শক্তিশালী হ'য়, তেতিয়াই এটা পৰিয়াল আৰু এখন সমাজ শক্তিশালী হয়। ব'হাগে এই দিশতো নতুন চিন্তা কৰিবলৈ আমাক উদ্বুদ্ধ কৰে।

পঞ্চমতে, ক্ৰীড়া আৰু শাৰীৰিক সুস্থতাৰ ক্ষেত্ৰতো আমি গুৰুত্ব দিব লাগিব। বৰ্তমান সময়ত মোবাইল ফোন আৰু ডিজিটেল গেমৰ প্ৰভাৱত খেল-ধূলা কমি গৈছে। ইয়াৰ ফলত শাৰীৰিকভাৱে মানুহ দুৰ্বল হৈ পৰিছে। সেয়ে নতুন প্ৰজন্মক খেল-ধূলাত উৎসাহিত কৰা অতি প্ৰয়োজন। ক্ৰীড়াই দেহ আৰু মন দুয়োটাকে সুস্থ ৰাখে।



ইয়াৰ উপৰিও, আজিৰ সময়ত এটা অতি গুৰুত্বপূৰ্ণ দিশ হৈছে - কৰ্মমুখী শিক্ষা আৰু দক্ষতা অৰ্জন। নতুন প্ৰজন্মই কেৱল চাকৰিৰ পিছত দৌৰি থকাতকৈ বিভিন্ন কাম শিকি স্বাৱলম্বী হ'ব লাগিব। আমাৰ যুৱক-যুৱতীসকলে হাতৰ কাম শিকি বহু দিশত আগবাঢ়িব পাৰে। যেনে - AC মেকানিক, TV মেকানিক, ইলেক্ট্ৰিচিয়ান, কাঠ মিস্ত্ৰী, টাইলছ মিস্ত্ৰী, অ'টোমোবাইল মেকানিক আদি কাম শিকি সহজে উপাৰ্জন কৰিব পাৰি। এইবোৰ কামৰ চাহিদা সদায় থাকে আৰু ইয়াৰ জৰিয়তে নিজৰ গাঁৱতে থাকি সন্মানজনক জীৱন যাপন কৰিব পাৰি।

বৰ্তমান সময়ত বহু অসমীয়া যুৱক-যুৱতীয়ে বাহিৰ ৰাজ্যলৈ কামৰ সন্ধানত গৈ নানা সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। তাৰ বিপৰীতে, যদি আমি নিজৰ ঠাইতে উপলব্ধ কামসমূহ চিনাক্ত কৰি সেইবোৰত নিপুণতা অৰ্জন কৰোঁ, তেন্তে ইয়াতে বহুত সুযোগ আছে। ব'হাগ হৈছে এই চিন্তা কৰাৰ সময় - নিজৰ মাটিত থাকি কেনেকৈ স্বাৱলম্বী হোৱা যায়।

ইয়াৰ লগতে পশুপালনো এটা লাভজনক ক্ষেত্ৰ। হাঁহ, কুকুৰা, গাহৰি, ছাগলী আদি পালন কৰি সহজে উপাৰ্জনৰ পথ সৃষ্টি কৰিব পাৰি। কম মূলধনেৰে আৰম্ভ কৰিব পৰা এই কামবোৰে বহু লোকক স্বাৱলম্বী কৰি তুলিছে। নতুন প্ৰজন্ময়ো এই ক্ষেত্ৰত আগ্ৰহবোধ কৰিলে নিজৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব পাৰিব।

এই সকলোবোৰ দিশ একেলগে চালে এটা কথা স্পষ্ট হ'য় - ব'হাগ মানেই নতুন চিন্তা আৰু নতুন কামৰ আৰম্ভণি। কৃষি, উদ্যোগ, দক্ষতাভিত্তিক কাম, পশুপালন, সমাজ সেৱা, নাৰী সৱলীকৰণ আৰু ক্ৰীড়া - এই সকলো ক্ষেত্ৰতেই আমি আগবাঢ়ি যোৱাৰ অসীম সম্ভাৱনা আছে।

শেষত ক'ব পাৰি, ব'হাগ আমাৰ বাবে মাথোঁ আনন্দৰ সময় নহয়, ই এক দায়িত্বৰ আহ্বান। "নতুন চিন্তা, নতুন কাম, স্বাৱলম্বী জীৱন" - এই আদৰ্শক সাৰ্থক কৰিবলৈ আমি সকলোৱে একেলগে আগবাঢ়িব লাগিব। নিজৰ ওপৰত বিশ্বাস ৰাখি, নতুন দিশত আগবাঢ়ি আমি এখন স্বাৱলম্বী আৰু শক্তিশালী অসম গঢ়ি তুলিব পাৰোঁ। ব'হাগ হওক সেই নতুন যাত্ৰাৰ আৰম্ভণি।

# ব'হাগ মানে যেন ৰং, ৰহস্য আনন্দৰ উৎসৱ

বেণুৰাম ৰাভা

ঋতুৰাজ বসন্তৰ আগমনত গছ লতাই পুৰণি পাত সলাই ন ৰূপত সজাই তোলে। এনেকুয়ে সোণত সুৱগা চৰায় ঢোল- পেপা আৰু গগণাৰ মাতেই মানুহৰ দেহ মন পুলকিত কৰি তোলে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে এক কৰাৰ আদাৰ্শই হ'ল এই আমাৰ মৰমৰ হিয়া আমঠু ৰঙালী বিহু। ব'হাগ মানে যেন ৰং ৰহস্য আনন্দৰ উৎসৱ। কুলি কেতেকীৰ মিঠা মাতে, গছৰ ডালৰ কপৌ পাহে প্ৰত্যেক বছৰে যেন এই বিনন্দীয়া ধৰালৈ সুখৰ, আশাৰ আৰু সমবৃদ্ধিৰ বতৰা কঢ়িয়াই লৈ আনে, যাৰ প্ৰতি অসমবাসী ৰাইজৰ হেঁপাহৰ অন্ত নাই, উলাহৰ শেষ নাই। ৰঙালী বিহু চ'ত মাহৰ শেষৰ দিনটোৰ পৰা আৰম্ভ কৰি বহাগৰ প্ৰথম ছদিনলৈ পালন কৰা হয়। চ'তৰ শেষৰ দিনটো গৰু বিহু হিচাপে পালন কৰা হয় আৰু সেই দিনটো সংক্ৰান্তি বা দোমাহী বুলি কোৱা হয়। অসমীয়া কৃষিজীৱি সমাজত হালবোৱাকে আদি কৰি বিভিন্ন ক্ষেত্ৰত গৰুৰ ব্যৱহাৰ কৰা হয়। হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ বাবে গৰুৰ ধৰ্মীয় মহত্ত্বও আছে। সেই দিশৰ পৰা গৰুৰ নামত এটা দিন উৎসৱ হিচাপে পালন কৰাটো পৰম্পৰাগত নিয়ম। হিন্দু ধৰ্মাৱলম্বী সকলে বিভিন্ন ৰীতি-নীতিৰে সেই দিনাখন ঘৰৰ গাই গৰুৰ প্ৰতি মৰম, শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সেই দিনাখন ৰাতিপুৱাই খাল, পুখৰী, বিল আদিলৈ গাই গৰুবোৰক নি গা ধুৱাই আনি তেল হালধি লগোৱা হয়, নতুন পঘা দিয়া হয়, গোহালি পৰিষ্কাৰ পৰিচ্ছন্ন কৰা হয় আৰু গধূলি ধূপ ধূনা দি গৰুক সেয়া শ্ৰদ্ধা জনোৱা হয়। এই দৰে বহাগৰ প্ৰথম দিনটোক মানুহ বিহু বুলি কোৱা হয়, এই দিনটো সকলোৱে নতুন কাপোৰ কানি পিন্ধে আৰু সৰুৱে ডাঙৰক সেৱা শ্ৰদ্ধা জনায় আৰু ডাঙৰে সৰুক আশীৰ্বাদ, মৰম শুভেচ্ছা জনাই। বিহুৰ নামত ৰাজহুৱা স্থানত বিভিন্ন খেল ধেমালি, গীত মাত, ছবি অকা, নৃত্য প্ৰতিযোগিতা আদি কাৰ্যসূচী হাতত লয়।

বিহুত হুঁচৰি দল অবিহনে বা বিহু হুঁচৰি দল অবিহনে কেতিয়াও বিহু শেষ নহয়। ডেকা গাভৰুৱে দলে-দলে লোকৰ ঘৰে ঘৰে গৈ হুঁচৰি নৃত্য গীত কৰি গৃহস্থক আৰ্শীবাদ- শুভেচ্ছা জনায়। পথাৰৰ মাজত গছৰ তলত ডেকা গাভৰুৱে প্ৰেম যৌৱনৰ অনুভূতি প্ৰকাশক গীত আৰু নৃত্য কৰি মুকলি বিহুত অংশগ্ৰহণ কৰে। এই দৰে অসমৰ বিভিন্ন জনজাতি লোক সকলোৱে নিজা নিজা ৰীতি-নীতিৰে গীত মাত, বেশ ভূষাৰে ভিন্ন ভিন্ন বিহু পালন কৰি বাৰেৰহণীয়া কলা কৃষ্টিৰে বিশাল অসমীয়া জাতীয় অস্তিত্ব, ঐক্য, সংস্কৃতি গঢ় লৈ উঠিছে। বিহু নৃত্য গীতৰ সময়ত ঢোল, পেপা, গগণা, তাৰ, বাঁহী, বাঁহৰ টকা আৰু সুতুলী আদি বাদ্য যন্ত্ৰ বজোৱা হয়। বাপোতি সাহোন ৰঙালী বিহুৰ সাতদিনক ক্ৰমে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, কুটুম বিহু, চেনেহী বিহু আৰু চেৰা বিহুৰে উলহ মালাৰে উৎযাপন কৰা হয়। অসমীয়া সমাজৰ নতুন বছৰ আৰু ৰঙালী বিহুৰ উপলক্ষে অসমীয়া সমাজত আত্মীয় স্বজন আৰু বন্ধু বান্ধৱৰ মাজত গামোচা, বিহুৱান, নতুন কাপোৰ, আৰু উপহাৰ আদি বিনিময় কৰা এক পৰম্পৰাগত নিয়ম। সাধাৰণতে এনেধৰণৰ উপহাৰকে বিহুৱান বুলি কোৱা হয়। বিহুৱান বুলি ক'লে সাধাৰণতে গামোচা খনকে কোৱা হয় যদিও বিহুত বন্ধু বান্ধৱে দিয়া যিকোনো বস্তু বা উপহাৰকে বিহুৱান বুলিয়ে সাঙুৰি লোৱা হয়। গৰু বিহু আৰু মানুহ বিহু দুয়োটা দিনে মা হালধিৰে গা ধোৱা উপৰিও চিৰা আখৈ, বিভিন্ন ধৰণৰ জাত জাত পিঠা পনাৰে জুতি লগাই জলপান খোৱা হয়। বিহুৰ বতৰত বেচি ভাগ পিঠা পনা ধানৰ পৰা খুন্দি পিঠাগুৰি প্ৰস্তুত কৰা হয় ধানৰ পৰা কৰা চিৰা, আখৈ, মুৰি, সান্দহ, কোমল চাউল, বোকা চাউল, গোট কৰাই, কৰাই গুৰি, পিঠাগুৰি আদি ৰঙালী বিহুৰ বিশেষ উপাদান।

ব'হাগ তথা ৰঙালী বিহুত জেতুকা অসমীয়া জীয়ৰী বোৱাৰীৰ এক উল্লেখযোগ্য। গৰু বিহুৰ দিনাই হাতত জেতুকা লোৱাটো অসমীয়া জীয়ৰী বোৱাৰীৰ এক অপৰিহাৰ্য্য অংগ আৰু ফূৰ্টিময় ৰীতি। জেতুকা পাত কেৱল হাতত ৰং বলাবলৈ লোৱাই নহয়, ই এক বনৌষধিৰ কাম কৰে বুলি অসমীয়া সমাজত সৰ্বজনবিদিত। জেতুকা পাত, পাণ, থেকেৰা আদিৰ সৈতে পটাত খুন্দি মিহিকৈ কৰি লোৱা হয় আৰু হাতৰ তলুৱাত লগোৱা হয়। জেতুকা পাতে ছালৰ বেমাৰো প্ৰতিৰোধৰ ক্ষমতা আছে বুলি বিশ্বাস কৰা হয়। এইদৰে অসমীয়াৰ নতুন বছৰটোত যাতে কোনো বেমাৰ আজাৰে আক্ৰমণ কৰিব নোৱাৰে, বতাহ ধুমুহা আদিৰ পৰা ৰক্ষা পৰি সুখ শান্তিৰে জীৱন অতিবাহিত কৰিব পাৰি তাৰ বাবে কৌশল কামনা কৰা হয়। এই জেতুকাৰ ৰঙে আধুনিক সময়ত মেহেন্দী নামেৰে ব্যৱহাৰ কৰি ডেকা গাভৰুৱে বিহু হুঁচৰিত ভাগ লয়, বিয়া আদি অনুষ্ঠানত কইনাৰ সৌন্দৰ্য বৃদ্ধি কৰিবলৈ মেহেন্দী বা জেতুকাৰ ৰঙে শোভা বঢ়াই তোলে।



ৰঙালী বিহুত বিহু হুঁচৰিৰ দল উপৰিও বিহু নাচ এটা উৎসৱ হিচাপে পালন কৰা হয়। এই বিহু নাচ সাধাৰণতে ডেকা গাভৰু বিলাকে নাচে। বিহু নাচৰ সমুধুৰ গীত-সুৰত ডেকা গাভৰুৱে ৰঙ মনে হিয়া উজাৰি নাচে আৰু ৰঙালীৰ ৰঙ উপভোগ কৰে। এই বিহু নাচৰ বলিষ্ঠ অংগী ভংগিমাত যৌৱন প্ৰেমৰ ইংগিতো প্ৰতিফলন হয়। বিহুনাচৰ গীতসমূহ মানুহৰ মুখে মুখে চলি অহা কিছুমান আকৌ আৰ্হিতে এনে গীতসমূহ গাই বিহু নৃত্য কৰা হয়। হুঁচৰি, বিহু নাচৰ ৰং-ৰহস্যৰ উপৰিও তাহানিৰ পৰা চলি অহা বিহুৰ সময়ত বিভিন্ন ধৰণৰ খেল-ধেমালিয়ে আকৰ্ষণীয় কৰি তোলে। যেনে ম'হ যুঁজ, কুকুৰা যুঁজ, শেনমেলা, হাতী যুঁজ, কণী যুঁজ, মল্ল যুঁজেই প্ৰধান আছিল। আজিকালি অৱশ্যে এই খেল সমূহ কম ঠাইতহে খেলা দেখা যায়। আজিৰ বিহু অনুষ্ঠান সমূহত এই খেল সমূহৰ পৰিৱৰ্তে হাহ ধৰা, , ৰচী টনা, হাৰি ভঙা আদি খেল খেলা দেখা যায়।

পৰম্পৰা ৰীতি-নীতি মতে অসমীয়া সমাজত বিহুৰ সময়ত ১০১ বিধ বিভিন্ন ধৰণৰ শাক-পাচলি খোৱাটোও এক নিয়ম। জন বিশ্বাস মতে গৰু বিহুৰ দিনাখনে এই ১০১ বিধ শাক-পাচলি খাই নিৰোগী হোৱাৰ কামনা কৰে সকলোৱে। এই ১০১ বিধ শাক বিচাৰি পোৱাটো আজিৰ সময়ত যথেষ্ট কঠিন, সেয়েহে এটা শাকৰ লগতে অন্য এটা শাকৰ মিহলি কৰি মিলাই খোৱা হয়। এইদৰে ব'হাগ কেৱল এটি মাহহে নহয়, ই এক জীৱনৰ উৎসাহ উদ্দীপনা, জীয়াই থাকিবলৈ মানুহৰ জীৱন লৈ ৰং ৰহস্য আনি দিয়াৰ লগতে নতুনৰ বতৰা কঢ়িয়াই আনে আৰু সুখ শান্তি, সমবৃদ্ধি আৰু ৰঙেৰে উপচাই তোলে। বন্ধু বান্ধৱ, আত্মীয় স্বজনক আশীৰ্বাদ, মৰম, শুভেচ্ছা জনাই ইজনে সিজনক অসমীয়াৰ নতুন বছৰৰ শুভেচ্ছা জনায়।

ৰীতি অনুসৰি ব'হাগৰ প্ৰথম দিনটো সকলোৱে নতুন কাপোৰ কানি পিন্ধি মা দেউতাৰ পৰা আশীৰ্বাদ বিচাৰে আৰু ঘৰে ঘৰে গৈ গৃহস্থক সেয়া শ্ৰদ্ধা জনায় বছৰটো কৌশল কামনা কৰাৰ লগতে নিৰোগী সু-স্বাস্থ্যৰ কামনা কৰে।

*বৰ্তমান আধুনিকতাৰ নামত বিভিন্ন অঞ্চলত মঞ্চ বিহুক সাংস্কৃতিক সন্ধিয়াৰ নাম দি সুৰা আৰু অদ্ভুত অপৰিচিত নৃত্য অনুষ্ঠানলৈ পৰ্যবেশিত কৰিছে। তথা-কথিত শিল্পী আৰু উপভোগ কৰিবলৈ যোৱা দৰ্শক সকলো একে ঘাটৰ পানীলৈ গতি কৰিছে। এচাম নামি-দামী গায়কে মঞ্চতেই সুৰা ৰাগিত অপ্ৰকৃতিস্থ হৈ অশ্ৰাব্য কথাৰে দৰ্শকক আমোদ দিবলৈ চেষ্টা কৰা আৰু দৰ্শকেও সেইবোৰ শুনি কিৰিলি পাৰি আনন্দ উপভোগ কৰা কাণ্ড দেখিলে সভ্য সমাজত থকা লোকৰ হাত-ভৰি পেটতে লুকাও যেন হয়।*



# বিহুৰ ঐতিহ্য ৰক্ষা কৰিব কোনে ?

**বি**হু বিহু বিহুটি ঐ
আমাৰ বিহু তিনিটি ঐ
কাতি বিহু কঙালী ঐ
মাঘ বিহু ভোগালী ঐ
ব'হাগতে ধেমালি কৰো।

বিহুক অসমীয়াৰ গণ জীৱনৰ আয়ুস ৰেখা বুলি বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাই কৈ গৈছে। পদ্মনাথ গোহাঞিবৰুৱাই "ডেকা-গাভৰু" নামৰ গ্ৰন্থত বিহুক অসমীয়াৰ জাতীয় ঐক্যৰ সংগমস্থলী বুলি উল্লেখ কৰিছে। ৰজনীকান্ত বৰদলৈয়ে বিহুক বাপোতি সাহোন অসমীয়াৰ জাতীয় উৎসৱ বুলি কৈছিল। ড° লীলা গগৈয়ে বিহুক পথাৰৰ মাজত থকা এজোপা আঁহত গছৰ লগত তুলনা কৰি কৈছে যে, পথাৰখনৰ যিকোনো এটা মোৰৰ পৰা চালে গছজোপক নাকৰ পুনে পুনে দেখাৰ দৰে বৰ অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীয়ে বিহুক তেনেদৰেই দেখে। তেখেতৰ "বিহুগীত আৰু বনঘোষা" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে যে বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ। অতি চেনেহৰ বহাগৰ বিহুটো অসমীয়া মনৰ, প্ৰাণৰ, হেঁপাহৰ আদৰৰ উৎসৱ। ভেভেলিলতা ফুলাৰ বতৰ পালেহি ডেকা গাভৰুৰ গাত বিহুৰো দেওধনি উঠে। উজতিত যঁতৰ ভাঙি গাভৰু গৈ ফুলপানী চিগা পাইগৈ। বিহু বুলিলে গা সাতখন আঠখন নকৰা অসমীয়া নাই বুলিলেই হয়। আদিম কৃষিজীৱী সমাজৰ লোকবিশ্বাস আজি বৈজ্ঞানিক সত্যত পৰিণত হৈছে। সংগীতৰ প্ৰভাৱত ধান খেতিৰ উৎপাদন বৃদ্ধি পায়। এইটো কুৰি শতিকাৰ পৰীক্ষালব্ধ বৈজ্ঞানিক সত্য। আদিম কৃষিজীৱী সমাজে এই তথ্য প্ৰকৃতিৰ পৰা পাইছিল আৰু চ'তৰ বিহু কৰি আহু ধানৰ উৎপাদন বঢ়াইছিল। বসন্তৰ পৰশ লাগি উন্মাদনা হোৱা প্ৰাকৃতিক পৰিৱেশৰ লগত সুৰ মিলাই হিয়া উদিয়াই আনন্দ প্ৰকাশ কৰিছিল, ডেকা গাভৰুৰ নাচোনৰ গিৰিপনিত পৃথিৱীৰ শস্য সম্ভৱা হৈছিল আৰু খেতিয়কৰ আশাৰ, হেঁপাহৰ ধান মুঠি সোণজিলিকাদি জিলিকি উঠিছিল। বিহপুৰীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কিৰণ গগৈয়ে তেখেতৰ "হুঁচৰি, বিহু আৰু বনগীত" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছে যে এই বিহু বা আনন্দ উৎসৱ প্ৰকৃতিৰ অৱদান। প্ৰকৃতি মাতৃৰ গৰ্ভত গজি উঠা সুজলা সুফলা শস্য চামলাই সৃষ্টিশীল মানৱ জাতিক যেনেকৈ আনি দিছে আনন্দৰ উৎস ঠিক তেনেকৈ প্ৰকৃতি জগতৰ ছয় ঋতু পৰিৱৰ্তনে আনি দিছে অন্যান্য প্ৰাণীজগতক অনেক অনন্য আনন্দৰ উৎস। বাদ্যযন্ত্ৰৰ বিভিন্ন সুৰ সমলয়ো এই প্ৰকৃতি জগততে উপলব্ধ। বতাহৰ সোসোৰনিত সুৰৰ মূৰ্চনা বাঁহগছৰ মাজে-মাজে বতাহৰ সোসোৰনিত বাঁহী গগনা আদিৰ চেও, আকাশত ডাৱৰৰ আঁৰে আঁৰে উঠা ধুমুহা গাজনি ঢেৰেকণিত ঢোল-তালৰ গিলগিলণি, গছৰ পাতৰ চিৰচিৰণিত বাঁহী-বীণ, গগনা- পেপাৰ চেও বিহু গীতৰ বিনতি শুনিবলৈ পোৱা যায়। দেশ বিদেশৰ অন্যান্য আনন্দ উৎসৱতকৈ অসমৰ বিহুৰ বৈশিষ্ট্য সুকীয়া আৰু সৰ্বজনীন।

কৃষি আৰু প্ৰকৃতিৰ লগত ওতপ্ৰোতভাৱে জড়িত আমাৰ প্ৰাণৰো প্ৰাণ ব'হাগ বিহুটিক স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালতে ৰাজ কাৰেঙলৈ আদৰি আনি ৰজাই প্ৰজাৰ আগত আঁঠুলৈ বছৰটোৰ বাবে ৰাজ্যখনৰ কুশল-মংগলৰৰ্থে আশীৰ্বাদ গ্ৰহণ কৰিছিল। প্ৰজাৰ আগত আঁঠুলৈ সেৱা জনাই আশীৰ্বাদলৈ দেশ শাসন কৰা বিশ্বৰ প্ৰথমটো জাতি নিঃসন্দেহে হয়টো অসমীয়াই হ'ব বুলি অনুমান কৰিব পাৰি। এনে এটা মহান জাতিৰ জাতীয় উৎসৱ বিহু হাবিৰ পৰা ৰাজকাৰেঙ আৰু শেষত মঞ্চ বিহুৰে প্ৰাধান্য পোৱাত সময়ৰ পৰিৱৰ্তনৰ ধাম-ধুমীয়াত কৃষি ভিত্তিক সাতদিনীয়া ব'হাগ বিহুৰ তাৎপৰ্য নাইকিয়া হৈ মাহ মাহ ধৰি চলিবলৈ আৰম্ভ কৰিলে।

চ'ত মাহৰ শেষৰটো দিনত উৰুকা তথা গৰু বিহু আৰু ব'হাগ মাহৰছটা দিনৰ প্ৰথম দিনটোত মানুহ বিহু, দ্বিতীয় দিনা কুটুম বিহু, তৃতীয় দিনত তাঁত বিহু, চতুৰ্থ দিনা নাঙল বিহু পঞ্চম দিনত চেনেহী বিহু আৰু ষষ্ঠ দিনত সাত বিহু বা চেৰা বিহু আয়োজন কৰি আনন্দ উপভোগ কৰাৰ পৰম্পৰা নাইকিয়া হ'বলৈ ধৰিলে। বৰ অসমৰ বহুতো জাতি আৰু জনজাতিয়ে ব'হাগৰ প্ৰথম বুধবাৰৰ পৰা আৰম্ভ কৰা বিহুৰ সৌন্দৰ্য আৰু মাদকতাই বেলেগ আছিল। গাঁৱৰ ৰাইজে ধনী-দুখীয়া, উচ্চ-নীচ, ধৰ্মীয় ভেদভাৱ পৰিহাৰ কৰি গাঁওখনৰ প্ৰতিঘৰ গৃহস্থৰ চোতালত হুঁচৰি গাই বিহু মাৰি গৃহস্থক আশীৰ্বাদ আৰু গৃহস্থৰ পৰাও ঐক্যবদ্ধ সমাজ গঢ়াৰ বাবে প্ৰেৰণালৈ গাঁওবোৰক একগোট কৰায় ঐক্যবদ্ধ সমাজ গঢ়ি তুলিছিল। গাওঁখনৰ জেষ্ঠজনৰ ঘৰত বিহু হুঁচৰি আৰম্ভ কৰি একেবাৰে দুখীয়া ঘৰটো বিহু মাৰি বিহুৱা ডেকাই আশীৰ্বাদ দিছিল। সকলোৰে মাজত একতা আৰু সম্প্ৰীতিৰ বান্ধোন বিহুৱে কটকটীয়া কৰিছিল। এনেদৰেই সামাজিক জীৱন শান্তিময় ভাৱে পৰিচালিত হৈছিল।

কৃষি আৰু প্ৰকৃতিৰ লগত ওতপ্ৰোতঃভাৱে জড়িত অসমীয়াৰ প্ৰাণৰো প্ৰাণ ব'হাগ বিহুটিক ১৯৩২ চনত গোলাঘাটৰ দেৰগাঁৱৰ বাপুজীত, ১৯৪২ চনত শিৱসাগৰ নাট্য মন্দিৰত আৰু ১৯৫২ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰৰ মঞ্চলৈ বিহুক আদৰি আনিছিল। বিহুক মঞ্চত প্ৰাধান্য দিয়াৰে পৰা পৰিৱৰ্তনৰ ধাম-ধুমীয়াত কৃষি ভিত্তিক সাতদিনীয়া ব'হাগ বিহুৰ তাৎপৰ্য নাইকিয়া হৈ "ব'হাগী বিদায়" নামত মাহ মাহ ধৰি চলিবলৈ আৰম্ভ কৰিলে। এনেদৰে সময়ৰ সোঁতত লাহে লাহে ব'হাগ বিহুৰ মাদকতা পুৰ্বৰ গৰিমাত ম্লান পৰি আহিছে বুলি ক'ব পাৰি। আধুনিকতাৰ ধাম-ধুমিয়াত মঞ্চ বিহুৱে জাতিটোকে এফালৰ পৰা নিশকতীয়া কৰি আনিছে। আমাৰ মাজত থকা ঐক্য সম্প্ৰীতিৰ বান্ধোন ঘুণে ধৰিবলৈ ধৰিছে। বিহুক বিশ্বায়নৰ দিশলৈ অৰ্থনৈতিক সম্বলৰ আহিলা হিচাবে ব্যৱহাৰ কৰিবলৈ গৈ বিহুলৈ দুমাহ মান থকাৰ আগতেই বিভিন্ন বিহু সুৰীয়া গীতসমূহ আখৰা কৰি বাতৰি কাকত আৰু সহজলভ্য সামাজিক মাধ্যমত নিজক শিল্পী বুলি বিজ্ঞাপন দি বিহু মঞ্চত গীত পৰিৱেশনৰ জৰিয়তে কিমান টকাত চুক্তি কৰিব তাৰ দৰদাম চলিবলৈ আৰম্ভ হ'বলৈ ধৰিলে। বিহুৰ নামত সাংস্কৃতিক সন্ধিয়া পাতি এতিয়া তথা-কথিত শিল্পীৰ টকা ঘটাৰ মাধ্যমত পৰিণত হৈছে। শিল্পীয়ে টকা ঘটাতো কোনো সভ্য অসমীয়াৰ আপত্তি নাথাকে। কিন্তু ব'হাগ বিহুৰ নামত জেঠ আহাৰ মাহত সন্মিলন পাতি সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানৰ নামত বিহু সুৰীয়া কেইটামান গীত পৰিৱেশন কৰি ৰাইজৰ পৰা লাখ লাখ টকা জেপৰ পৰা ওলাই যোৱাটোত বিবেকবান অসমীয়াৰ নিশ্চয় আপত্তি থাকিব। নিৰ্দিষ্ট সংখ্যক শিল্পী আৰু গায়ক গায়িকাৰ বাদে বহুতৰ নিজস্ব সৃষ্টি নাই। আনৰ কিছুমান গান নকল কৰি কণ্ঠনিগৰাই নিজকে শিল্পীৰ পৰিচয় দিয়াটোতহে আপত্তি আছে। বহু গায়ক গায়িকাক অসমৰ ৰাইজে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা অসমলৈ জিলিকাই আনিবলৈ সক্ষম হৈছিল। কিন্তু নিজস্ব সৃষ্টি নথকাৰ বাবে সেইসকলৰ এতিয়া ক'ত কোনেও নাজানে। ক'লা গুৰু বিষ্ণু প্ৰসাদ ৰাভাই দৰ্শকক দেৱতাৰ আখ্যা প্ৰদান কৰা জনতাক এতিয়া একাংশ ন-পুৰণি শিল্পী নামৰ গায়ক-গায়িকাই মঞ্চৰ ওপৰৰ পৰাই বিৰূপ মন্তব্য কৰিবলৈ কুণ্ঠাবোধ নকৰা হ'ল। সাংস্কৃতিক সন্ধিয়া উপভোগ কৰা জনতাক জনপ্ৰিয় শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গে নিৰাপত্তা ৰক্ষীক নামাৰিবলৈ কোৱাৰ বিপৰীতে আজিকালি এচাম তথাকথিত গায়ক-গায়ীকালৈ দৰ্শক শ্ৰদ্ধাই কেনেকৈ চাব

**ড° সীমান্ত বৰুৱা**

লাগিব তাৰো শিক্ষা দৰ্শকক দিবলৈ ধৰিলে। ইয়াতে ক্ষান্ত নাথাকি আঙুলি টোৱাই দৰ্শকৰ শাৰীৰ পৰা বিশেষ ভাৱে উলিয়াই দিবলৈ সমিতিক হুকুম দিবলৈ কুণ্ঠাবোধ নকৰা হ'ল। আন এচাম ভৰ যৌৱনা যুৱতীয়ে মঞ্চতে শিল্পীৰ ডিঙিত ধৰি উঠন বুকুৰ উম দি গায়ক আৰু গানক ভাল পোৱাৰ প্ৰমাণ মঞ্চতে দিবলৈ চেষ্টা কৰিছে। একাংশ গায়ক গায়িকাই এতিয়া নিজৰ সুৰক্ষাৰ স্বাৰ্থত নে পে-মাৰৰ স্বাৰ্থত বাউঞ্চাৰ জাতীয় বিজতৰীয়া সংস্কৃতি বিহুৰ সাংস্কৃতি সন্ধিয়াৰ মঞ্চলৈ লগত লৈ আহিবলৈ আৰম্ভ কৰাটোৱে বিহুৰ মৰ্যাদা লাঘৱ কৰাৰ লগতে ভাবুকিও কঢ়িয়াই আনিছে বুলি ক'ব পাৰি। আনহাতে সংস্কৃতিক সন্ধিয়া চাবলৈ যোৱা সাধাৰণ দৰ্শক সকলো কোন কেতিয়া গায়ক গায়িকাৰ ৰোষত পৰে তাৰ ঠিকনা নাই। কৃষি ভিত্তিক উৎসৱ বিহুৰ এতিয়াৰ অৱস্থা নাজল নাস্থল। বিহু যেতিয়া আমাৰ গাঁও সমূহৰ মাজত, গছৰ তলত আছিল তেতিয়া কিন্তু বিহুৰ মৰ্যাদা কেতিয়াও ম্লান হোৱা নাছিল। সকলো সমস্যাৰ সমাধান ৰাইজৰ সহায় সহযোগৰ দ্বাৰা ইতিবাচক ভাৱেই হৈছিল। জনতাই আমোদ লৈছিল। ডেকা গাভৰুৱে যৌৱন মৰ্যাদা সহকাৰে উপভোগ কৰিছিল। নতুন জীৱনৰ আৰম্ভণি হৈছিল।

বৰ্তমান আধুনিকতাৰ নামত বিভিন্ন অঞ্চলত মঞ্চ বিহুক সাংস্কৃতিক সন্ধিয়াৰ নাম দি সুৰা আৰু অদ্ভুত অপৰিচিত নৃত্য অনুষ্ঠানলৈ পয্যবেশিত কৰিছে। তথা-কথিত শিল্পী আৰু উপভোগ কৰিবলৈ যোৱা দৰ্শক সকলো একে ঘাটৰ পানীলৈ গতি কৰিছে। এচাম নামি-দামী গায়কে মঞ্চতেই সুৰা ৰাগিত অপ্ৰকৃতিস্থ হৈ অশ্ৰাব্য কথাৰে দৰ্শকক আমোদ দিবলৈ চেষ্টা কৰা আৰু দৰ্শকেও সেইবোৰ শুনি কিৰিলি পাৰি আনন্দ উপভোগ কৰা কাণ্ড দেখিলে সভ্য সমাজত থকা লোকৰ হাত-ভৰি পেটতে লুকাও যেন হয়। তেওঁলোকৰ চিন্তা হয় এইবাৰ বিহু মঞ্চৰ পৰা কিমান অ-সামাজিক শব্দ সমাজে গ্ৰহণ কৰিব লাগিব। যিকোনো এজন শিল্পীকে কোনো সভ্য অসমীয়াই অপমান কৰাটো সহ্য নকৰে। যোৱা ২০২৫ চনৰ ১৬ এপ্ৰিল তাৰিখে গুৱাহাটী চান্দমাৰী পুব-গুৱাহাটী বিহু সন্মিলনত এজন শিল্পীক মঞ্চৰ পৰা নমাই দিয়াক লৈ সামাজিক মাধ্যমত বিহুৰ প্ৰথম সপ্তাহত যি ব্যাপক চৰ্চা চলিলে সেই বিষয়টিয়ে অন্ততঃ ইমান গুৰুত্ব পাব লগা নাছিল। কিন্তু টিভি চেনেলৰ পৰা আৰম্ভ কৰি বাতৰি কাকত, চচিয়েল মিডিয়াকে ধৰি মাধ্যমবোৰে প্ৰকৃত উৎসৱটোৰ উদ্দেশ্য আৰু হাজাৰ হাজাৰ বছৰ ধৰি পালন কৰি অহা ঐক্যবদ্ধ সমাজখনৰ সম্পৰ্কে বৈজ্ঞানিক বিশ্লেষণ কৰাটোহে উচিত আছিল যদিও দেখা পোৱা নগ'ল। বিষয়টো আছিল একেবাৰে সহজ। এখন বিহু সন্মিলনীত নিৰ্দিষ্ট কিছুমান নীতি নিৰ্দেশনা সকলোৱে ঠিক কৰি লয়। এই নীতি নিৰ্দেশনাৰ হেৰফেৰ হ'লে সমিতিখন দায়বদ্ধ হৈ পৰে আৰু ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হয় সভাপতি আৰু সম্পাদকজনে। সামাজিক মাধ্যমত দেখা আৰু শুনা মতে মঞ্চত গীত পৰিৱেশনৰ বাবে শিল্পীজনৰ পৰিবাৰক নিমন্ত্ৰণ জনোৱা হৈছিল। তেখেত পত্নীৰ লগতহে গৈছিল। শিল্পী গায়িকাৰ লগত যোৱা শিল্পী স্বামীক অসমৰ ৰাইজে চিনিপায়। তেখেতক সমিতিয়ে বিহুৰ ওলগ জনায়। সিমানতে শেষ হ'ব লাগিছিল। বিহু সমিতিৰ তৰফৰ পৰা কোৱা হৈছে তেখেত অ-নিমন্ত্ৰিত। তেন্তে তেখেতে কাৰোবাৰ অনুৰোধত উক্ত মঞ্চত গীত পৰিৱেশন কৰিবলৈ যোৱাটো কিমান যুক্তি সংগত ? অসমীয়াত এষাৰ কথা আছে - "মাতিলে ৰণলৈ যাবা, নামাতিলে ভোজলৈও নাযাবা।" আমাৰ মনে ধৰে কেইশমান মানুহৰ আগত শিল্পী গৰাকীক সমিতিৰ কোনোবাই অপ্ৰকৃতিস্থ হৈ অলপ অ-প্ৰস্তুত কৰি তুলিলে যিটো কাৰোৱে কাম্য নহয়। আনহাতে এগৰাকী শিল্পীৰ সাধক হিচাপে অন্ততঃ তেখেতে ধৈৰ্য্য ধৰি বিহু সমিতিখনৰ লগত সুস্থ আলোচনাৰ মাধ্যমেৰে বিষয়টি সমাধান কৰিব পাৰিলেহেঁতেন। তাকে নকৰি তেখেতে সামাজিক মাধ্যমত সমিতিখনৰ বিষয়ববীয়াৰ সকলক যিবিলাক উচ্চ-বাচ্য মন্তব্যহে কৰি বিহুটোকে বিতৰ্কিত পৰিণত কৰিছিল। অৱশ্যে বিহুৰ সাতটা দিন বিশেষভাৱে সামাজিক মাধ্যমত চৰ্চিত বিষয়টি শেষত আলোচনা মাধ্যমেৰেই সমাধান হ'ল। শিল্পী আহিব গীত পৰিৱেশন কৰিব। মাননি লৈ যাব। কিন্তু এখন সমিতিয়ে কেনেদৰে মাহ মাহ ধৰি অশেষ কষ্ট স্বীকাৰ কৰি লাখ লাখ টকা হিচাব কৰি প্ৰতিগৰাকী শিল্পীক দিয়ে তাৰ হিচাপ কোনে লয়। ক'ৰবাত ভুল হ'লে সমিতিখনৰ ওপৰত খড়গহস্ত হোৱা মানুহৰ সংখ্যা সমাজত সৰহ হোৱা দেখা যায়। আনহাতে যোৱা বছৰ সাত ব'হাগৰ দিনটোতে অসমৰ সংস্কৃতিক নগৰী হিচাপে খ্যাত যোৰহাট জিলাৰ সদৰৰ কাষতে পুলিবৰ নামৰ অঞ্চলত শিৱসাগৰ জিলাৰ পৰা হুঁচৰি গাবলৈ যোৱা "দিখৌ পৰীয়া বিহু দ'ল" নামৰ চেমনীয়া হুঁচৰি দ'ল এটাক গৃহস্থই আক্ৰমণ কৰাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। খবৰ অনুসৰি পুৰ্ব চুক্তি অনুসৰি সময়মতে নগৈ পঞ্চাছ মিনিট দেৰিকৈ যোৱাৰ বাবেই অধৈৰ্য গৃহস্থই চেমনীয়া হুঁচৰি দলটোৰ লগত কাজিয়াত লিপ্ত হয়। কিশোৰী নাচনী কেইজনীকো বেয়া ব্যৱহাৰ কৰে বুলি দুগৰাকী নাচনীয়ে সামাজিক মাধ্যমত উল্লেখ কৰিছে। যি হুঁচৰি গৃহস্থৰ চোতালত পদাৰ্পন কৰিলে বছৰটোৰ বাবে ঘৰখনৰ মংগল হয় বুলি অনাদি কালৰ পৰা পৰম্পৰাগত ভাৱে অসমীয়াই বিশ্বাস কৰি আহিছিল আজি সেই বিশ্বাস আধুনিকতাৰ নামত জলাঞ্জলি দিবলৈ এচাম ন-ধনীয়ে কুণ্ঠাবোধ নকৰা হ'ল। বিহু দ'লটি উঠি যোৱা সৰু গাড়ীখনো যে কাৰোবাৰ বাবে ওচৰ-চুবুৰীয়াৰ সন্মুখত সন্মান ম্লান হ'ব সেই কথা কণকণ ল'ৰা-ছোৱালীকেইটাই গমেই পোৱা নাছিল। বাপোতি সাহোন বিহু হুঁচৰিক এতিয়া টকাৰে জোখাৰ প্ৰৱণতা কিছু ন-ধনী আৰু ন-অসমীয়াৰ মাজত বৃদ্ধি হ'বলৈ ধৰিছে। একেদৰে হুঁচৰি দ'ল সমূহেও গাঁৱৰ ৰাইজৰ ঘৰে-ঘৰে হুঁচৰি গোৱাতকৈ চহৰৰ নামি-দামী গৃহস্থৰ পকা চোতালত হুঁচৰি গাবলৈ ধাপলি মেলাটো কিমান গ্ৰহণযোগ্য অসমীয়াই ভবাৰ সময় সমাগত। বিশ্বায়নৰ ধাম-ধুমিয়াত পৰি অতীতৰ পৰম্পৰা পাহৰি পেলাইছে বহু বিহু হুঁচৰি দ'লে। যোৱা ব'হাগৰ দ্বিতীয় সপ্তাহৰ প্ৰথম ভাগতে অতি হৃদয় বিদাৰক ঘটনাটো ঘটিল যোৰহাট চহৰৰ মাজ মজিয়াৰ অভিজাত আৱাসিক অঞ্চল চন্দন নগৰত। সাত ব'হাগ তাৰিখে অঞ্চলটোৰ ৰাইজৰ সহযোগত অনুষ্ঠিত হোৱা বিহু সন্মিলন চাই উভতি যোৱা এজন ৩৪ বছৰীয়া মেধাৱী বাণিজ্যৰ স্নাতক বেদাংগ ভূষণ বৰুৱা নামৰ যুৱকজনক নিঃসংকোচে কেইবাটাও নৰপিশাচে আন্ধাৰৰ সুযোগত বাটত আগছি ধৰি নৃশংভাৱে হত্যা কৰিলে। বিশেষ তথ্যমতে আক্ৰমণকাৰী কেইটা সুৰা আৰু ড্ৰাগচৰ আসক্ত বুলি উল্লেখ কৰিছে। নিচাসক্ত যুৱকৰ দলটোক বিহু মঞ্চৰ কাষত উদ্ভণ্ডালি নকৰিবলৈ অনুৰোধ কৰাটোৱেই ভুৱন বৰুৱা নামৰ পিতৃ গৰাকীৰ একমাত্ৰ পুত্ৰ সন্তান বেদাংগ ভূষণ বৰুৱাৰ ভুল আছিল। এই হৃদয় বিদাৰক ঘটনাৰ ভুক্তভোগী পৰিয়ালটোৰ পিতৃয়ে এটা অতি গুৰুত্বপূৰ্ণ কথা সামাজিক মাধ্যমত ব্যক্ত কৰিছে। তেওঁ কৈছে- "এনে ঘটনা যাতে আৰু পুনৰ নহয়। সিহঁতক শাস্তি প্ৰদান কৰিলেও মোৰ ল'ৰাক মই ঘূৰাই নাপাওঁ। কিন্তু যিটো কাৰণত মোৰ ল'ৰাই মৃত্যুক সাৱটি ল'ব লগা হ'ল, সেই কাৰণ নাইকিয়া কৰাটো অৰ্থাৎ ড্ৰাগচ আৰু মদে সৃষ্টি কৰা পৰিস্থিতিৰ পৰা মুক্ত কৰাটো বিচাৰোঁ।" কোন দিশে গতি কৰিছে আমাৰ মঞ্চ বিহু সন্মিলন আৰু যুৱ সমাজ ?

২০২৫ চনৰ ১০ মে'ৰ পৰা অসম চৰকাৰে বিভিন্ন জিলাৰ আয়ুক্ত সকললৈ পাকিস্তান আৰু ভাৰতৰ যুদ্ধৰ মাজত কোনো বিহু মঞ্চ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ অনুমতি নিদিবলৈ কৰা আহ্বানৰ দুটা দিনৰ পিছতেই আমেৰিকাৰ হস্তক্ষেপত যুদ্ধ বিৰতি হোৱাৰ বাবে পুনৰ অনুমতি দিবলৈ সিদ্ধান্ত লয় যদিও ১৫ মে'ৰ পৰা জেঠ মাহৰ আৰম্ভণি হোৱাৰ বাবে বহুতে পুনৰ মঞ্চ বিহু পতাৰ পক্ষপাতী হোৱা নাছিল। এই বিষয়টো লৈ অসমৰ অসমৰ জনসাধাৰণ আৰু মঞ্চ শিল্পী সকলৰ মাজতে কেইবাটাও শিবিৰত ভাগ ভাগ হৈ পৰিছিল। সামাজিক ভাৱে বহু শিল্পীয়ে চৰকাৰৰ বিৰুদ্ধে আৰু শিল্পীয়ে শিল্পীৰ বিৰুদ্ধে সামাজিক মাধ্যমত মন্তব্য প্ৰকাশ কৰে। বিহুক লৈ চাৰিওফালে এই পৰিৱেশ বিৰাজ কৰিলে অসমীয়া জাতিৰ হিয়াৰ আমঠু বিহুটি থাকিবগৈনে বুলি মনত প্ৰশ্ন জাগে। এইটোও সত্য যে বিহুৰ মৃত্যু হ'লে অসমীয়া জাতিৰো মৃত্যু হ'ব। চৰকাৰী অনুদান আৰু নগৰ চহৰৰ একাংশ বিহু সমিতিয়ে বহিৰাগত সকলৰ পৰা অৰ্থ সংগ্ৰহ কৰি মঞ্চ বিহু অনুষ্ঠিত কৰিবলৈ যোৱা আৰু বিভিন্ন মাল্টিনেশ্বনেল কোম্পানীৰ আগতীয়া বিহুৱে বাপোতী সাহোন প্ৰাণৰ বিহুটিলৈ এদিন বিপদ মাতি অনাৰ কথা নুই কৰিব নোৱাৰি। এনেবোৰ কাণ্ডই বৰ্তমান অৰ্থনীতি সৰ্বোচ্চ হৈ গৈ থকা চেনেহৰ বিহুটিক নিঃশেষ কৰিব নি এবাৰ অসমীয়াই ভাবিবৰ সময় হ'ল। কৃষিকাৰ্যৰ পৰা আঁতৰি আহি কৃষিৰ জড়িত মঞ্চ বিহুৰ নামত মাহ মাহ ধৰি সময় নষ্ট কৰা আৰু চৰকাৰৰ আঁচনিৰ ওপৰত নিৰ্ভৰশীল হিতাধিকাৰি জাতিয়ে বিহু পৰম্পৰাৰ লগত জড়িত আনুষংগিক উপাদান সমূহ এৰি মেচিনৰ চালানি গামোচা আৰু চিৰা-পিঠা, কলকতাৰ অৰ্কিড গাৰ্ডেনৰ কপৌফুল, জেতুকাৰ পৰিৱৰ্তে বহিৰাগত দোকানৰ মেহেন্দি, টিউবেল আৰু টেংকিৰ পানীৰে গৰু গা ধুওৱাই সামাজিক মাধ্যমত পষ্ট দিয়া, মা-হালধিৰ পৰিৱৰ্তে সুগন্ধি চাবোনেৰে পৰিয়ালৰ সৈতে নিজে গা-ধুৱা, কংক্ৰিটৰ ঘৰ বন্ধাই পুৰণি ৰীতি-নীতিক ঠাট্টা মস্কৰা কৰা আদি ঘটনাবোৰে বিহুৰ প্ৰকৃত মৰ্যাদা ম্লান কৰিছে। যোৱা ব'হাগ মাহটোত ঘটা এনেবোৰ ঘটনা আৰু পৰিঘটনাৰ বাবে বিহুৰ আয়ুস টুটি অসমীয়া জাতিয়ে বিহু পতাৰ অধিকাৰ এদিন হেৰুৱাব লগীয়া হ'ব পাৰে বুলি অনুভৱ কৰিবলৈ আমাক বাধ্য কৰিছে।

# মঞ্চ বিহু আৰু মুকলি বিহু; জনপ্ৰিয়তাৰ প্ৰতিযোগিতা নে সংস্কৃতিৰ সংৰক্ষণ ?

**অ**সমৰ জনজীৱনৰ হৃদয়ত গাঁথি থকা উৎসৱ হৈছে বিহু। বিহু কেৱল এটা উৎসৱ নহয়, ই অসমীয়া জাতিৰ পৰিচয়, আনন্দ, প্ৰেম আৰু ঐক্যৰ প্ৰতীক। সময়ৰ লগে-লগে বিহুৰ ৰূপ কিছু পৰিৱৰ্তিত হৈছে, আৰু এতিয়া আমি দুটা বিশেষ ৰূপ দেখা পাওঁ- মুকলি বিহু আৰু মঞ্চ বিহু। ইয়াৰ মাজতেই এক প্ৰশ্ন উত্থাপিত হৈছে- বৰ্তমান সময়ত মঞ্চ বিহুৰ জনপ্ৰিয়তাই মুকলি বিহুক বহু দূৰলৈ ঠেলি দিছে নি কি ?

মুকলি বিহু হৈছে বিহুৰ প্ৰাণ। খোলা পথাৰ, গছ-গছনিৰে ঘেৰা পৰিৱেশ, আৰু আকাশৰ তলত স্বতঃস্ফূৰ্তভাৱে উদ্‌যাপিত। এই বিহুতেই অসমীয়া সংস্কৃতিৰ মূল আত্মা প্ৰকাশ পায়। ইয়াত কোনো বাধা নাই, নৃত্যকাৰ আৰু দৰ্শকৰ মাজত কোনো সীমা নাই। সকলোৱে একেলগে আনন্দ কৰে, গায়, নাচে। ঢোলৰ বজনা, পেঁপাৰ সুৰ আৰু গগনবিদাৰী হাঁহিয়ে এক অনন্য পৰিৱেশ সৃষ্টি কৰে। এই বিহু কৃত্ৰিম নহয়, ই হৃদয়ৰ পৰা ওলাই অহা স্বাভাৱিক আনন্দ।

ইয়াৰ বিপৰীতে, মঞ্চ বিহু আধুনিকতাৰ প্ৰতিফলন। সজ্জিত মঞ্চ, উন্নত শব্দ ব্যৱস্থা, আলোকসজ্জা, আৰু বিখ্যাত শিল্পীৰ উপস্থিতিয়ে ই এক আকৰ্ষণীয় ৰূপ লয়। বিশেষকৈ নগৰ অঞ্চলত, সময়ৰ অভাৱ আৰু সুবিধাৰ কথা চিন্তা কৰি মানুহে মঞ্চ বিহুৰ ফালে অধিক আগ্ৰহ দেখুৱায়। ইয়াৰ লগতে সামাজিক মাধ্যম আৰু টেলিভিছনৰ যোগেদি মঞ্চ বিহু বিশ্বৰ আগত অসমীয়া সংস্কৃতিক প্ৰচাৰ কৰাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ পৰিছে। কিন্তু এই বৃদ্ধি পোৱা জনপ্ৰিয়তাৰ মাজতে এক আশংকা দেখা গৈছে। বিশেষকৈ নতুন প্ৰজন্মৰ মাজত মুকলি বিহুৰ প্ৰতি আগ্ৰহ কিছু কমি অহা যেন লাগে। গাঁৱৰ সেই স্বাভাৱিক, সামূহিক আনন্দ কিছুমান ঠাইত কমি গৈছে। মঞ্চত উপস্থাপিত সজ্জিত অনুষ্ঠানবোৰে কেতিয়াবা সেই স্বতঃস্ফূৰ্ত আনন্দক আৱৰণ দিবলৈ চেষ্টা কৰে।

তথাপি, মঞ্চ বিহুক মুকলি বিহুৰ প্ৰতিদ্বন্দ্বী বুলি কোৱাটো উচিত নহয়। বৰং ই হৈছে সময়ৰ সৈতে হোৱা এক অভিযোজন। মুকলি বিহুয়ে আমাৰ শিপাক সুৰক্ষিত ৰাখে, আনহাতে মঞ্চ বিহুয়ে সেই শিপাক সংস্কৃতিক বিশ্বৰ আগত প্ৰসাৰিত কৰে। এটা মূল, আনটো বিস্তাৰ- দুয়োটাই একে গছৰ অংশ। সেয়ে মূল প্ৰশ্নটো হৈছে- আমি কেনেকৈ এই দুয়োটাৰ মাজত সমতা ৰাখিম। নতুন প্ৰজন্মক মুকলি বিহুৰ সৈতে সংযোগ কৰি ৰখা, আৰু একে সময়তে মঞ্চ বিহুৰ আধুনিক দিশকো গ্ৰহণ কৰা অত্যন্ত জৰুৰী। শিক্ষা প্ৰতিষ্ঠান, সমাজ আৰু সাংস্কৃতিক সংগঠনসমূহে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব।

শেষত ক'ব পাৰি যে, মঞ্চ বিহুয়ে মুকলি বিহুক আঁতৰাই লৈ যোৱা নাই, বৰং ইয়াক নতুন দিশে আগবঢ়াই নিছে। আমাৰ দায়িত্ব হৈছে- সংস্কৃতিৰ মূল গুৰি ধৰি ৰাখি আধুনিকতাক স্বীকাৰ কৰা। তেতিয়াহে বিহুৰ সুৰ, আনন্দ আৰু গৌৰৱ আগন্তুক প্ৰজন্মলৈ অটুট হৈ থাকিব।

*শিল্পা প্ৰিয়ম কুণ্ডিণ্য*

# ৰঙালীৰ বাস্তৱতা

"You don't have to burn books to destroy a culture. Just get people to stop reading them." - by Ray Bradbury.

অসমৰ মুঠ মাটিকালি প্ৰায় ৭৮, ৪৩৬ বৰ্গ কিলোমিটাৰ বুলি জনা যায়। ইয়াৰে অৰ্ধেক সংখ্যক মাটিয়েই কৃষিভূমি। তথ্যগতভাৱে অসমৰ প্ৰায় ৪০ লাখ হেক্টৰ কৃষিভূমিত ধান, মৰাপাট, সৰিয়হ, মাহজাতীয় শস্য, চাহপাত আদি বিভিন্ন ধৰণৰ খেতি কৰা হয়। অসমীয়া মানুহৰ প্ৰধান খেতি হৈছে ধান। অসমৰ কৃষিভূমিৰ প্ৰায় ২৭ লাখ হেক্টৰ ভূমিত ধান খেতি কৰা হয়। ধান উৎপাদনত অসম বৰ্তমান প্ৰায় স্বাৱলম্বী যদিও অদূৰ ভৱিষ্যতত অসমীয়া মানুহৰ খেতিৰ প্ৰতি বাঢ়ি অহা অনিহাই পৰনিৰ্ভৰশীল কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। বানপানী আৰু গৰাখহনীয়াই নষ্ট কৰা কৃষিভূমি আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৃষিকৰ্মত তীব্ৰতৰ নোহোৱাৰ বাবে এতিয়াও মাজে সময়ে অসমীয়াই বহিঃৰাজ্যৰ চাউলেৰে জোৰা মাৰিবলগীয়া হয়। অসমীয়া কৃষকে আধুনিক প্ৰযুক্তি বুলিলে গৰু এৰি ট্ৰেক্টৰেৰে মাটি চহোৱা আৰু অলপ অচৰপ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাতেই সীমাবদ্ধ হৈ আছে। অৱশ্যে আজিকালি মৰণা মৰাৰ বাবে যন্ত্ৰৰ ব্যৱহাৰ কৰিবলৈও লৈছে। সীমিত সংখ্যক প্ৰযুক্তিৰ ব্যৱহাৰে অসমীয়া কৃষকক লাভৱান কৰিব পৰা নাই। বৰং এলেহুৱাহে কৰিছে। ভূতৰ ওপৰত দানহ পৰাদি হিতাধিকাৰী আঁচনিবিলাকে কৃষকৰ মনৰ পৰা কষ্ট কৰি অধিক উপাৰ্জন কৰাৰ মানসিকতা নোহোৱা কৰি পেলাব ধৰিছে। লাহে-লাহে খিলঞ্জীয়া অসমীয়াবোৰ কৃষিকৰ্মৰ পৰা আঁতৰি আহি আছে। কৰ্ম নকৰাকৈ চাউল পাইছে, দালি পাইছে, ঘৰ পাইছে, গেছ, লাইট সকলো পাইছে। ঘৰত বেমাৰ আজাৰ হ'লে, টকা পইছাৰ অলপ অভাৱ হ'লেই খেতি কৰা গৰুহাল বিক্ৰী কৰি দিছে নাইবা খেতিমাটিডৰা বন্ধকত থৈ, সময়ত মোকলাব নোৱাৰি শেষত বিক্ৰী কৰি দিছে। আগৰ গাঁৱৰ মহাজনৰ ঠাই আজি মাটিৰ দালাল আৰু বণিয়াই লৈ পেলাইছে। গতিকে ব'হাগ বুলি, বিহু বুলি খেতিয়কৰ নতুন উৎসাহ, উদ্দীপনা একো নাই। আনকথাত তেওঁলোকৰ মনবোৰ আঁচনি নিৰ্ভৰ ৰঙীন সপোনত বিভোৰ হৈ ৰঙালী হৈ থাকেই। তাত নাই মাথোঁন বাস্তৱতাৰ স্থান।

অসমত গৰুৰ সংখ্যা প্ৰায় এক কোটিমান হ'ব। ইয়াৰে প্ৰায় পঁচিশ-ত্ৰিশ লাখমান হালোৱা গৰু। বৰ্তমানৰ বজাৰত এহাল সুষ্ঠ সবল হালোৱা গৰুৰ মূল্য প্ৰায় ষাঠি হাজাৰ টকাৰ পৰা এক লাখ টকা বা তাতোকৈ অলপ ওপৰতহে হ'ব। দুই-চাৰি বিঘা মাটিত খেতি কৰা খেতিয়কে বা সৰু সুৰা খেতিয়কে গৰু কিনি খেতি কৰাটো একপ্ৰকাৰৰ দু: স্বপ্নৰ দৰে হৈ পৰিছে। ধাৰ ধুপাৰ কৰি এহাল গৰু কিনি আনি খেতি কৰাটো খৰচী হোৱাৰ লগতে বিপদসংকুলো। কিয়নো বহু টকাৰে কিনি অনা গৰুহালৰ বা যিকোনো এটাৰ বেমাৰ আজাৰ হৈ মৃত্যু হ'লে কৃষকৰ মূৰত সৰগ ভাগি পৰাৰ দৰে

**হৰ্ষমোহন শৰ্মা**

হয়। সেইবাবে সৰু সুৰা কৃষকে আজিকালি হালোৱা গৰু কিনিব এৰি হয় ট্ৰেক্টৰেৰে মাটি চহাই খেতি কৰে নহয় মাটিখিনি দুই-তিনিমোন ধানৰ বিনিময়ত অইনক ঠিকাত দিয়ে। এনেদৰে সৰু বৰ খেতিয়কৰ ঘৰত গৰু কমি অহাত ৰঙালীৰ প্ৰথম দিনৰ বিহু অৰ্থাৎ গৰু বিহুৰ মহত্ত্বও লাহে লাহে কমি আহিব ধৰিছে। এটা সময়ত পথাবোৰত চৰি থকা গৰুৰ পালৰ নয়নাভিৰাম দৃশ্য আজি দুস্প্ৰাপ্য হৈ পৰিছে। জাকে জাকে গৰু আনি নদীৰ ঘাটত গা ধুৱাই দীঘলতী-মাখিয়তীৰ পাতেৰে কোবাই কোবাই, লাউ, বেঙেনা, হালধিৰ টুকুৰাৰে গাঁঠা মালাবোৰ সাল সলনি কৰি গৰুবোৰক "লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা—" বুলি কোৱা দৃশ্য বিৰল হৈ পৰিব ধৰিছে। গৰুৰ সংখ্যা কমি অহাৰ দৰে নদীৰ ঘাটৰ সংখ্যাও কমি আহিছে। বেছিভাগ ঘাট মানুহে ব্যৱহাৰ কৰিবলৈ এৰাৰ ফলত সেইবোৰ পলসে পুতি পেলাইছে আৰু তাত জংঘলে আৱৰি ধৰিছে। গাঁৱৰ পুখুৰীবোৰো মানুহৰ বসতিৰ বাবে পুতি পেলাব ধৰিছে। ফলত মটৰেৰে পানী উঠাই পাইপেৰে গৰুৰ গা ধুওৱাৰ দৃশ্য সুলভ হৈ পৰিছে।

মৰাপাট উৎপাদনত অসমৰ স্থান ভাৰতৰ ভিতৰতে দ্বিতীয় যদিও ইয়াৰ চাহিদা অসমত যথেষ্ট কম। মৰাপাটৰ দ্বাৰাই প্ৰস্তুত কৰা সামগ্ৰীবোৰ পৰিৱেশ বান্ধৱ যদিও প্লাষ্টিকৰ বহুল প্ৰয়োগে ইয়াৰ ব্যৱহাৰৰ সীমাবদ্ধতা আনিছে। গৰু, ম'হ, ছাগলী বান্ধিবলৈ যি পঘা ব্যৱহাৰ কৰা হয় বা এৰাল দিবলৈ যি ৰচী ব্যৱহাৰ কৰা হয় সেয়া মৰাপাটেৰে তৈয়াৰী হ'লে সেয়া পৰিৱেশৰ কাৰণেও ভাল আৰু জন্তুৰ দেহৰ বাবেও ভাল। প্লাষ্টিকৰ ৰচীয়ে জন্তু জানোৱাৰৰ গাত কৰিব পৰা খুন বা ক্ষতি মৰাপাটৰ ৰচীয়ে সাধাৰণতে নকৰে। মৰাপাটৰ পঘা বা ৰচী পানী পৰিলে সহজে পচি যায়, কিন্তু প্লাষ্টিকৰ ৰচীবোৰ পচি নাযায়। বছৰ বছৰ এডাল ৰচীৰেই চলি যায়। দেখাত ই অৰ্থনৈতিকভাৱে লাভদায়ক যদিও পৰিৱেশ আৰু জন্তুৰ দেহৰ বাবে ই ক্ষতিকাৰক। ৰঙালী বিহুত গৰু, ছাগলী, ম'হ পোহা খেতিয়কে মৰাপাটৰ শুকান ছাল পকাই পকাই পঘা, এৰাল বনোৱা আনন্দ আৰু শিহৰণ আজি প্লাষ্টিকৰ ৰচীয়ে আজুৰি নিছে। সময়ৰ সোঁতত বহু খেতিয়কে পঘা, এৰাল বনোৱা কৌশল পাহৰিয়েই পেলাইছে। পঘাডালো আমাৰ ৰঙালী বিহুৰ সংস্কৃতিৰে অংগ নহয় জানো! খেতি কৰা গৰু নোহোৱা হোৱাৰ পাছত পঘাডালো নোহোৱা হৈ গ'লে সংস্কৃতিৰ সংকট নহ'ব জানো! এদিন হয়তো কালৰ সোঁতত গৰু বিহু বুলি বিহু এটা যে আছিল সেই কথাটো কেৱল কিতাপতহে লিপিবদ্ধ হৈ থাকিব। বাস্তৱত গৰু বিহুৰ তাত্বিক প্ৰয়োগ নোহোৱা হৈ পৰিব।

পৰম্পৰাগত বিহুৱান উৎপাদনত অসম প্ৰায় স্বাৱলম্বী যদিও বিহুৰ বতৰত আজিকালি অসমৰ গাঁৱে ভূঞে তাঁতশালৰ শব্দই ৰজনজনাই নাযায়। এসময়ত অসমৰ প্ৰায় প্ৰতিঘৰতেই তাঁতশাল আছিল। মহিলাসকলে চতৰ মাহ পৰিলেই সূতাৰ তাঁতবাটি কাঢ়ি বিহুৱানৰ লগতে নিজৰ লাগতিয়াল কাপোৰ কানি বৈ লৈছিল। কিন্তু পৰিৱৰ্তিত সমাজ ব্যৱস্থাত নতুন প্ৰজন্মৰ মহিলাৰ মাজত তাঁতশালৰ আদৰ কমা যেন অনুভৱ হয়। সেয়েহে অসমৰ গাঁওবোৰত আজিকালি সাধাৰণতে সূতাৰ বাটি কঢ়া দেখা নাযায়। যঁতৰ, চেৰেকীত মহুৰা তৈয়াৰ কৰা দৃশ্য এতিয়া দুৰ্লভ। তাঁতশাল যে মহিলাৰ এক উৎপাদনমুখী অৰ্থনীতি সেই ধাৰণা এতিয়া হিতাধিকাৰী আঁচনিৰ সম্মুখত প্ৰায় অচল। বিনাকষ্টত টকা আহি থাকিলে কাম কৰিবলৈ এলাহ হোৱাটোৱেই স্বাভাৱিক। কিন্তু সদায়টো হিতাধিকাৰী আঁচনি চলি নাথাকিব। তেতিয়া ভৱিষ্যত প্ৰজন্মৰ ৰঙালী বিহু কি হ'ব ? ঘৰৰ ভেটিৰ মাটিডৰা বণিয়াক দি খুজি মাগি কেলঢপ কেলঢপকৈ জীৱন চলাই নিব লাগিব। আৰামত জীৱন কটোৱা মনোভাৱে জাতিটোৰ লগতেই জাতিটোৰ সংস্কৃতিকো ধ্বংস কৰি পেলাব। যিবোৰ আত্মসহায়ক গোট আৰু সমবায়ে স্থানীয় গামোচাৰ চাহিদা পুৰণ কৰি আছে সেইবোৰো এদিন ডাঙৰ ডাঙৰ বণিক গোষ্ঠীয়ে লৈ ল'ব আৰু আমাৰ পৰম্পৰাগত গামোচাখনৰ মূল্য আকাশলঙ্ঘী হৈ পৰিব। তেতিয়া আন এক বণিক চক্ৰই সস্তাতে বাহিৰত উৎপাদিত গামোচা আমাৰ মাজত এৰি দিব (যিটো ইতিমধ্যে দিছেই)আৰু আমি সস্তীয়া গামোচা ডিঙিত লৈ সংস্কৃতি ৰক্ষাৰ লেকচাৰ মাৰিব লাগিব। এই অৱস্থা বাহাল থাকিলে আমাৰ ভৱিষ্যতৰ ৰঙালীৰ বাস্তৱতা এয়াই হ'ব। বিহুৱানখনৰ দৰে আমাৰ স্থানীয় কাঠ, চামৰাৰে তৈয়াৰী ঢোল আৰু ম'হৰ শিঙৰ পেঁপাটিলৈও সংকট নামি আহিছে। আজি অসমৰ কোনো শিল্পীয়েই ঢোল আৰু ম'হৰ শিঙৰ পেঁপা তৈয়াৰ কৰি পেট প্ৰৱৰ্তাৱ নোৱাৰে। কেঁচামালৰ সংকট আৰু তাৰ অত্যধিক মূল্যৰ বাবে তাৰ ঠাই যন্ত্ৰই ল'ব ধৰিছে। তথ্য প্ৰযুক্তিৰ পৃথিৱীত একোটা যন্ত্ৰতে সকলোধৰণৰ শব্দ সৃষ্টিৰ ব্যৱস্থা হৈ উঠাৰে পৰা পৰম্পৰাগত বাদ্য যন্ত্ৰ তৈয়াৰ কৰি ভাতমুঠি মোকোলোৱা শিল্পীসকলৰ জীৱনলৈ সংকট নামি আহিছে। ইয়াৰ ৰক্ষা কৰাৰ দায়িত্ব কিন্তু চৰকাৰৰ।

দিন গৈ থাকে মানে সংস্কৃতিৰ বিৱৰ্তন হোৱাটো স্বাভাৱিক। গছৰ তলৰ বিহু মঞ্চ পোৱাৰে পৰাই ইয়াৰ বাণিজ্যিকিকৰণো হৈছে। আজি গাঁৱৰ পথাৰৰ মাজত সেই ডাঙৰ আহত গছ পাবলৈও নোহোৱা হৈছে আৰু ডেকা গাভৰুৰ মনো পথাৰৰ বোকা পানীত আৱদ্ধ হৈ নথকা হৈছে। তাতে আকৌ ৰাজনীতিয়ে ভাগ ভাগ কৰা সমাজখনত একেটা চুবুৰীতে দুই তিনিখনকৈ বিহু অনুষ্ঠিত হ'বলৈ লৈছে। ৰাজনীতি নহয়, সংস্কৃতিয়েহে যে আমাক একতাৰ দোলেৰে বান্ধি ৰাখিব পাৰিব সেই ধাৰণাটো মানুহে আজি পাহৰি যাব ধৰা যেন হৈছে। আৰু আমাৰ এই বিভাজিত মনৰ সুযোগ আগ্ৰাসনকাৰীয়ে ল'ব ধৰিছে। মানুহে এতিয়া ৰাজনীতিৰ পোছাক সলাই সংস্কৃতিৰ চোলা পিন্ধি লৈ সমাজখনক এক কৰিবৰ হ'ল। নহ'লে বিহুটিৰ নাম ৰঙালী হ'লেও মনবোৰ কঙালী হৈ থাকি আমাৰ প্ৰগতিৰ চকা ৰুদ্ধ কৰি দিব। মনত ৰাখিব লাগিব বহল মনৰ মানুহৰ মনবোৰৰ ভিন্নতাই সাতোৰঙী ৰামধেনুৰ সৃষ্টি কৰে। The beauty of the world lies in the diversity of its people.

# অসমীয়াৰ আদৰৰ ৰঙালী বিহু

## আদিমতাৰ পৰা আধুনিকতালৈ এক পৰিক্ৰমা

অসমীয়া জাতিৰ বাপতি সাহোন ৰঙালী বিহুটি অতীতৰে পৰা প্ৰতিগৰাকী অসমীয়াৰ হাড়ে হাড়ে, সিৰাই-সিৰাই শিপাই আছে বুলিব পাৰি। কুলিৰ মধুৰ মাতত প্ৰকৃতিলৈ নামি আহে ঋতুৰাজ বসন্ত। বিৰিখৰ কোমল কুঁহিপাতে আগজাননী দিয়ে ব'হাগৰ আগমণৰ বিষয়ে। কপৌফুলবোৰে হিয়ালি জিয়ালিকৈ সাজু হয় নাচনীৰ খোঁপাত নিজকে জুতিবলৈ। উলাহে নধৰা হয় অসমীয়াৰ মন প্ৰাণ ৰঙালীৰ বতৰাত। অসমীয়া জাতিৰ অতিকৈ আদৰৰ তথা অসমীয়া জাতিৰ চিনাকি এই তিনিওটি বিহুৰ ভিতৰত ৰঙালী বিহুটিক প্ৰতিজন অসমীয়াই নিজৰ প্ৰাণস্বৰূপ বুলি অনুভৱ কৰে।

সঁচাকৈয়ে ৰঙালী বিহুটি হৈছে অসমীয়া জাতিৰ বৰ আপোন আৰু বৰ মৰমৰ। কোৱা হয় কঙালী আৰু ভোগালী বিহুৰ লোকাচাৰ সমূহ খেতি-বাতিৰ লগত অধিক জড়িত বুলি কিন্তু তাৰ বিপৰীতে এই ৰঙালী বিহুৰ লোকাচাৰ সমূহক নতুন সৃষ্টিৰ অৰ্থে প্ৰকৃতিৰ নিয়ম মানি মিলনোন্মুখ জীৱৰ হেতু পালন কৰা হয়। আমাৰ সমাজৰ বাবে প্ৰজন্ম আৰু এইপ্ৰজন্মৰ বাবে শস্যৰ কৰ্ষণ কৰা দৰকাৰ। অৱশ্যে এই সময়খিনিতেই দুয়োকুল জীৱৰে অংকুৰণৰো যো-জা কৰা হয়।

বিহুক চহা জীৱনৰ লগত সম্পৰ্কিত এক উৎসৱ বুলিও কোৱা হয়। অতি সাধাৰণ দৃষ্টিৰে চালে দেখিবলৈ পোৱা যায় যে বিহুৰ যিসমূহ লোকাচাৰ আছে সেই সমূহ প্ৰকৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। অৰ্থাৎ এই বিহুৱেই হৈছে অসমীয়া চহা সমাজ জীৱনৰ এক জীৱন্ত দলিলৰ দৰে। তদুপৰি বিহুৰ বাদ্যসমূহতো ধাতুৰ ব্যৱহাৰ একেবাৰে কমকৈ হোৱা দেখিবলৈ পোৱা যায়। আম, চাম বা কঠাল গছৰ পৰা ঢোলৰ খোলাটো তৈয়াৰ কৰি জন্তুৰ ছালেৰে দুই মুৰ ঢাকি বিহুত বজোৱা ঢোলটি সাজি উলিওৱা হয়। খাগৰি বা নলেৰে পেঁপা সাজি তাত গেৰা (গেএঁা) মহৰ শিং খটুৱাই বিহুৰ আন এক উল্লেখযোগ্য বাদ্য 'মহৰ শিঙৰ পেঁপা' তৈয়াৰ কৰি লোৱা হয়। বাঁহগছৰ পৰা বাঁহী, টকা, গগনা ইত্যাদি বাদ্য তৈয়াৰ কৰা হয়। ইয়াৰোপৰি কুমাৰৰ মাটিৰ দ্বাৰা তৈয়াৰ কৰা এটি সৰল বাদ্য হৈছে 'সুতুলি'। কেৱল মাত্ৰ বিহুনৃত্যত ব্যৱহাৰ কৰা খুটিতাল যোৰহে ধাতুৰ দ্বাৰা নিৰ্মিত।



অজিত বৰুৱা

এইবোৰৰ উপৰিও অসমীয়া শিপিনীয়ে বোৱা বস্ত্ৰ সম্ভাৰক জগত বিখ্যাত বুলি কোৱা হয়। অতীতত অসমীয়াই চোমনিত মুগাপলু পুহি, লেটা চপাই সোণালী মুগা সূতা কাটি বোৱা মুগাসূতা, ঘৰতে এৰী পলুৰ পৰা এৰী সূতা, কপাহৰ জোলা নিজে কাটি সূতা পকাই নিজে তাঁতত বৈ উলিওৱা চুৰিয়া, চাপকন, এঙা চোলা, ৰিহা, মেখেলা, চাদৰ পিন্ধি জাকত জিলিকা হৈ এই উছৱৰ বতৰত বিহু নাচি আনন্দ উপভোগ কৰিছিল।

আমি আন এক দিশৰ পৰা ক'ব পাৰোঁ যে এই বিহুত পালন কৰা প্ৰতিটো ৰীতিতেই অসমীয়া চহা জীৱনৰ অন্তঃস্ৰোত লুকাই থাকে। আদি কালৰে পৰা মুখ্যতঃ কৃষিজীৱী লোকৰ বাসতিস্থল হিচাপে পৰিগণিত হৈ অহা এই অসম ভূমিক কৃষিকাৰ্য্যৰ বাবে অতি উত্তম জলবায়ু, সাৰুৱা মাটি ইত্যাদি নানা ধনাত্মক প্ৰাকৃতিক আধানৰ সমাহাৰেৰে এক অনন্য মৰ্য্যদা দি আহিছে। যাৰ ফলত অসমত পালিত বিভিন্ন লোকাচাৰ সমূহত কৃষিকাৰ্য্যত ব্যৱহাৰ হোৱা জীৱ-জন্তু বোৰেও বিহুত মানুহৰ সমানেই গুৰুত্ব লাভ কৰে। বিশেষকৈ ৰঙালী বিহুত মানুহে পুৰণি বস্ত্ৰ সলাই নতুন বস্ত্ৰ গাত লোৱাটো নিয়ম। নিজে তাঁতশালত বোৱা গামোছা, চেলেং, চাদৰ উপহাৰ দি ডাঙৰক সেৱা, সৰুক মৰম প্ৰীতি যাচে। কিন্তু ইয়াৰো আগতে চ'ত আৰু বহাগৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। কৃষকৰ খেতিৰ মুল সম্বলবিধ গৰু-ম'হক এই ক্ষেত্ৰত মানুহতকৈ আগস্থান দিয়া পৰিলক্ষিত হয়। গৰুবিহুৰ দিনা গোহালি চাফ-চিকুণ কৰি, অসমত প্ৰচলিত জনবিশ্বাস অনুসৰি লাও-বেঙেনা খুৱাই, গৰুক গা ধুৱাই নতুন পঘা দিয়ে। মহ, ডাঁহ খেদিবলৈ পদূলি, চোতাল আৰু গোহালিত জাগ দিয়া হয়। গৰু বিহুৰ পিছ দিনাহে মানুহ বিহুৰ লোকাচাৰখিনি পালন কৰা হয়। কৃষি কাৰ্য্যৰ বাবে অত্যন্ত দৰকাৰী কৃষকৰ দেহাটি সুস্থ-সৱল ৰাখিবলৈ ৰঙালী বিহুৰ সময়ত সাত শাক বা ঠাই বিশেষে এশ এবিধ শাক গোটাই খোৱাৰ নিয়ম আদিম কালৰে পৰা পালিত। অৱশ্যে বৰ্তমানেও ঠাইবিশেষে এই নিয়ম পালন কৰা হয়।

আমি যদি ভালদৰে চাও তেনে হ'লে দেখিবলৈ পাওঁ যে বিহুৰ আৰম্ভণিৰ তেনে কোনো নিৰ্ভৰযোগ্য ইতিহাস অদ্যাপি পাবলৈ নাই। সম্ভৱতঃ এনে কাৰণতেই বিহুক অসমীয়াৰ মনৰ কোঁহে-কোঁহে সোমাই থকা এটি সত্ত্বাৰ নাম বুলিহে কোৱা হয়। সম্ভৱতঃ বহু শতিকা পূৰ্বে এদিন কোনো ঠাইত কোনোবা ডেকাই মনৰ উলাহতে এফাঁকি গীত জুৰিছিল। মিলনৰ বাবে উন্মুখ কোনোবা ডেকা-গাভৰুৱে মন খুলি কথা ক'ব নোৱাৰি গীতৰ মাজেৰেই প্ৰকাশ কৰিছিল মনৰ কথাবোৰ। হয়তো তৰা ভৰা কোনোবা এক ৰাতি, পাহোৱাল ডেকা এপাল আৰু যৌৱনমতী যুৱতী এজাকে নাচি-বাগি, গীত গাই আনন্দ কৰিছিল। হয়তো নাচ গানৰ ৰঙেৰে জীপাল হৈ পৰা সেই ক্ষণটিৰ মাজতে বহুজনে জীৱনৰ সুখ-দুখৰ লগৰীও বিচাৰি লৈছিল। এনেদৰেই প্ৰকৃতিৰ নিয়ম মানি নাচ গানেৰে মতলীয়া হৈ সকলোৱে আনন্দ প্ৰকাশ কৰিছিল। সংস্কৃতিৰ এই প্ৰবহমান ধাৰাটি হয়টো সন্তপৰ্ণে অথচ নিয়াৰিকৈ আগবাঢ়ি ছিল এনেদৰেই। বহু যুগৰ আগৰ এই আদিম সমাজখনৰ বাবে সেই সময়খিনি আছিল হয়তো সমাজৰ বাবে প্ৰকৃতিৰ চিৰ প্ৰৱাহিনী সৃষ্টিৰ এক মধুৰ ক্ষণ। সমাজৰ সকলোৱে নতুন জীৱনক আদৰাৰ বাবে সাজু হ'বৰ হোৱা এটি মধুৰ ক্ষণ।

এই ভূখণ্ডত বসবাস কৰা এমুঠি লোকৰ দৈনন্দিন জীৱন-প্ৰবাহত ব্যাকৰণহীন, অবাধ্য, নিৰ্ভেজাল, অদম্য, শৃংখলাবিহীন, আদিমৰূপত লাহে-লাহে শিপাবলৈ ধৰিছিল সংস্কৃতিৰ এটি নতুন বীজ। অসম দেশৰ এই ভূ-খণ্ড প্ৰাৰম্ভিক অৱস্থাত নৃতাত্বিকভাৱে অষ্ট্ৰিক আৰু মংগোলীয় মূলৰ মানুহৰ বাসভূমি আছিল বুলি জনা যায়। যদি অষ্ট্ৰিক আৰু মংগোলীয়গোষ্ঠীৰ নৃতাত্বিক বিশ্লেষণ কৰা হয় তেনে হ'লে দেখা যায় যে এই দুই নৃতাত্বিক গোষ্ঠীসমূহৰ প্ৰধান কৰ্ম আছিল কৃষি। প্ৰকৃতিৰ ৰেহৰূপ চায়েই এই ভূ-খণ্ডৰ অধিবাসীসকলে কৃষিকৰ্মৰ বাবে সাজু হ'বলৈ শিকিছিল। শীতৰ শেষত বসন্তৰ আগমনে বাৰিষাৰ আগলি বতৰা কঢ়িয়াই আনে। চৰাই-চিৰিকটিৰ পৰা গছৰ কুঁহিপাতলৈকে সকলোৱে 'খেতিৰ বাবে সাজু হ'বৰ হ'ল' বুলি আগজাননী দিয়ে। চহা জীৱনৰ একাকী, অনবদ্য অংগস্বৰূপ জীৱ-জন্তুবোৰক সাজু কৰিবৰ হ'ল। খেতিৰ বাবে সঁজুলিবোৰ যোগাৰ কৰিবৰ হ'ল। সেয়ে খেতিৰ বতৰত হ'বলগীয়া অপৰিসীম দৈহিক আৰু মানসিক কষ্টৰ পূৰ্বে নাচ-গানৰ মাধ্যমেৰে মনৰ আন্ধাৰবোৰ দূৰ কৰি মনবোৰ জীপাল কৰিবলৈ সকলোৱে চেষ্টা কৰিবলৈ ধৰিলে। সংগীত আৰু নৃত্য, এই দুই কলাই মানুহক মানসিকভাৱে সু-স্বাস্থ্যৱান কৰি তোলাত যুগ যুগ ধৰি সহায় কৰি আহিছে। কাজেই এই সময়চোৱাত সমাজ জীৱনৰ সকলো স্তৰতেই সংগীত আৰু নৃত্যৰ পৰশ পৰি সমাজখনৰ সকলোৱেই মনৰ এলান্ধু আঁতৰাই ৰঙে-ৰসে জাতিষ্কাৰ হ'ল।

এই সময়তে সকলোৱে এক মিলনাত্মক পৰিণতিৰ বাবে সাজু হয়। মনে মিলা ডেকা-গাভৰুৱে নিৰ্জনত গৈ কথা পাতে। কোনোবাই আকৌ সেই আদিম সমাজখনৰ ৰীতি-নীতিৰ মাজতে গীত জুৰে, বিবিধ বাদ্য বজাই প্ৰকৃতিৰ সতে একাত্ম হব খোজে। সেই কালৰ বেছিভাগ গীত, নৃত্যই আছিল আদি ৰসাত্মক। এইখিনিতে স্বনামধন্য লেখক লীলা গগৈয়ে বিহু সম্পৰ্কে তেখেতৰ 'বিহুঃ এটি সমীক্ষা'ত এনেদৰে লিখিছিল — "তাহানিৰ আদিম মানুহৰ ধাৰণা, নাচোনৰ গিৰিপনিত পৃথিৱী শস্যসম্ভৱা হয়, গীতৰ মৃদু মধুৰ মূৰ্চ্ছনাত লখিমী গৰ্ভসম্ভৱা হয়। সেয়ে ধাননিৰ কাষে কাষে যৌৱনে গৰকা ডেকা-গাভৰুৱে গীত গাই, বাদ্য বজাই, নাচি নাচি লখিমীৰ উৎপাদিকা শক্তিবঢ়াবলৈ আয়োজন কৰে।" হয়তো সেয়াই আছিল বিহুৰ উৎপত্তি।

লাহে-লাহে সময় বাগৰিল। অসম দেশৰ এই ভূখণ্ডৰ অধিবাসী সকলৰ গাতো লাহে-লাহে সভ্যতাৰ ৰেঙণি লাগিল। সময়ৰ সোঁতত বিহু লাহে-লাহে অসমীয়া সমাজ জীৱনৰ ভিতৰুৱা হ'ল। আদিম সভ্যতাৰ আদি ৰসাত্মক গান-নাচবোৰ লাহে-লাহে ইংগিতবাচক হ'ল। বিহুক সমাজৰ সকলোৱে নিজৰ বুলি আদৰি ল'বলৈ ধৰিলে। অসমৰ ইতিহাসৰ এক উজ্জ্বল সময়ৰূপে পৰিগণিত হোৱা আহোমসকলৰ ৰাজত্বৰ কালচোৱাতেই বিহুৱে এক সুন্দৰ সামাজিক আৰু ৰজাঘৰীয়া স্বীকৃতিও লাভ কৰিবলৈ সক্ষম হৈছিল।

বুৰঞ্জীত প্ৰাপ্ত তথ্য অনুসৰি ১৬৯৮-৯৯ চনত আহোমস্বৰ্গদেও ৰুদ্ৰ সিংহই দিখৌৰ পাৰত নতুনকৈ এখন নগৰ নিৰ্মাণ কৰি তাৰ নাম দিছিল 'ৰংপুৰ'। এই নৱনিৰ্মিত নগৰখনলৈ স্বৰ্গদেও ৰুদ্ৰসিংহই গড়গাঁৱৰ পৰা ৰাজধানী স্থানান্তৰ কৰি আনি ৰাজকাৰ্য্য চলাবলৈ ধৰে। এই ৰংপুৰ নগৰীতে স্বৰ্গদেৱে ৰজা আৰু প্ৰজাৰ মনোৰঞ্জনৰ বাবে নিৰ্দিষ্ট কৰা এটি 'ৰংচোৱা ঘৰ' বা 'ৰংঘৰ' পাতে। প্ৰথমতে কাঠ-বাঁহেৰে নিৰ্মাণ কৰা এই 'ৰংচোৱা ঘৰ'টি পাচলৈ স্বৰ্গদেওপ্ৰমত্ত সিংহই ইটাৰে পকীকৈ নিৰ্মাণ কৰে। একালৰ ৰূপে, ৰঙে, ৰসে ভৰপুৰ ৰংপুৰ নগৰীৰ এই ৰংঘৰটিকেই অসমৰ বাবে ৰহণীয়া সাংস্কৃতিক বুৰঞ্জীৰ এক উল্লেখযোগ্য কীৰ্ত্তিস্তমভ বুলি ক'ব পাৰি। এই সময়খিনিৰ আহোম শাসনৰ অন্যতম বৈশিষ্ট্য আছিল যে সকলো জাতি, ধৰ্ম, গোষ্ঠীৰ নিজা কৃষ্টি-সংস্কৃতিক সন্মান প্ৰদৰ্শন কৰা। সেয়ে ৰংঘৰৰ বাকৰি কোনো বিশেষ ধৰ্ম বা জাতি-জনগোষ্ঠীৰ বাবে সংৰক্ষিত নহৈ সকলোৰে নিজা কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ বাবে এক উমৈহতীয়া মঞ্চৰূপে পৰিগণিত হৈ পৰিছিল। এই ৰংঘৰৰ বাকৰিতে বিভিন্ন খেল-ধেমালিৰ লগতে বিভিন্ন নৃত্য-গীতো পৰিবেশন কৰা হৈছিল। ৰংঘৰৰ বাকৰিত আমোদ-প্ৰমোদৰ বাবে প্ৰদৰ্শিত হোৱা খেল-ধেমালি, নৃত্য-গীতসমূহ ৰজাঘৰীয়া, ডা-ডাঙৰীয়া আৰু প্ৰজাসকলে একেলগে উপভোগ কৰিব পাৰিছিল। এই বিশেষ কথাটোৱেই হয়তো পৰৱৰ্তী সময়ত বৃহত্তৰ অসমীয়া সমাজ এখন গঢ়ি তোলাত বহুলাংশে সহায় কৰিছিল। আনকালে চহা ডেকা-গাভৰুৱে গছৰ তলত নচা বিহুনাচ স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আমোলতেই মাৰ্জিতভাৱে ৰংঘৰৰ বাকৰিত প্ৰদৰ্শিত হৈছিল। অৰ্থাৎ আজিৰ আধুনিক বিহুৰ এই ৰূপৰ কঠীয়া স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আমোলতেই ৰোৱা হৈছিল।

এইগৰাকী আহোম ৰজাৰ শাসনকালতেই ৰাজকাৰেঙলৈ ৰাইজক হুঁচৰি গাবলৈ নিমন্ত্ৰণ কৰি হুঁচৰি দলৰ আগত আঁঠু লৈ আশীৰ্বাদ লোৱাৰ পৰম্পৰা প্ৰতিষ্ঠা হৈছিল বুলি পোৱা যায়। লাহে লাহে ডা-ডাঙৰীয়া, মুখিয়াল তথা সকলোৱে ঘৰৰ চোতালত ৰাইজৰ হুঁচৰিৰ দলৰ পৰা গৃহস্থই আশীৰ্বাদ লোৱাৰ পৰম্পৰা এটি ঠন ধৰি উঠিল। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ৰাইজে বিহুৰ দিনা সকলোৱে ঘৰৰ পদূলি গচকি আশীৰ্বাদ দিয়া কথাটোত এই মুলুকৰ সাতামপুৰুষীয়া সংস্কৃতিৰে ডোল ডাল যেন আৰু সুদৃঢ় হৈ পৰিল তেনে অনুভৱ হয়। ইয়াৰ পৰাই অসমীয়া মানুহে বিশ্বৰ সমুখত নিজকে চিনাকি দিব পৰাকৈ এটি সাংস্কৃতিক যাত্ৰাৰো আৰম্ভণি ঘটিছিল। এটা কথা অনস্বীকাৰ্য যে এই ঘটনাটিয়ে বিহুক এক অনন্য মৰ্য্যদা দিবলৈ সক্ষম হয়। বিহু হৈ পৰিল ৰাজকীয় স্বীকৃতি পোৱা এটি অনুষ্ঠান, যি প্ৰজাৰ পৰা ডাঙৰীয়ালৈ সকলোৱে একেলগে মিলি একেদৰে উদযাপন কৰিবলৈ পাৰে। এইখিনি সময়তে বিহু-উৎসৱে সকলোকে এক স্বকীয়তা প্ৰদান কৰিলে। বিহু কোনো জাতি বা ধৰ্মবিশেষৰ হৈ নাথাকিল। বিহুক সমাজৰ সকলো শ্ৰেণীয়ে সমানে আদৰি ল'বলৈ ধৰিলে।

লাহে-লাহে কালৰ সোঁতত আহোমৰ ৰাজত্বৰ সেই সুন্দৰ সোণসেৰীয়া দিনবোৰ জহি খহি গ'ল। ইয়াণ্ডাবু সন্ধিৰ অচিলা লৈ অসমৰ শাসনভাৰ বৃটিছৰ হাতলৈ গুচি গ'ল। বৃটিছ সাম্ৰাজ্যৰ আগ্ৰাসনৰ লগে-লগে অসমীয়া সমাজ জীৱনত নতুনকৈ চাহাবী আদৰ-কায়দাৰ প্ৰৱেশ ঘটিল। অৱশ্যে কিছু অসমীয়া ডা-ডাঙৰীয়াই বৃটিছ বিষয়াৰ ওচৰত আৰ্জি পেচ কৰিলে যে বিহুক নিষিদ্ধ ঘোষণা কৰিব লাগে। তেখেতসকলৰ মতে 'বিহু হ'ল ইতৰ প্ৰাণীৰ নাচ-গান'। সেই সময়ত, লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ প্ৰমুখ্যে কেইজনমান মুষ্টিমেয় হিতৈষী অসমীয়াৰ উদ্যোগত লোৱা সামুহিক প্ৰচেষ্টাৰ বাবেই সেইবাৰলৈ অসমীয়াৰ প্ৰাণৰ বিহুটি এলাগী হোৱাৰ পৰা ৰক্ষা পৰিছিল।

লাহে-লাহে অসমতো পশ্চিমীয়া ধৰণে মঞ্চ ব্যৱহাৰ কৰি বিভিন্ন সাংস্কৃতিক কাৰ্য্যক্ৰমপ্ৰদৰ্শন হ'বলৈ আৰম্ভ কৰিলে। ঠিক এনে এক সময়তে মহেশ্বৰ নেওগৰ দৰে কেইজনমান বিশ্ব-বিশ্ৰুত অসমীয়াই ১৯৪১ চনত শিৱসাগৰত বিহুক মঞ্চলৈ আদৰি আনে। গছ তলৰ পৰা ৰংঘৰৰ বাকৰি, ৰাজহাউলী, প্ৰজাৰ চোতাল গৰকা বিহুটি মঞ্চমুখী হোৱাৰ বাটসূচনা হ'ল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত অসমৰ সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাই ১৯৫১ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত মঞ্চ বিহুৰ শুভাৰম্ভ কৰে। সেই যে বিহু মঞ্চত উঠিল আৰু তাৰ পাছৰ পৰা পাচলৈ চাব লগা হোৱা নাই। তেতিয়াৰ পৰা। প্ৰকৃতিৰ মাজত স্বতঃস্ফুৰ্তভাৱে নচা বিহু নাচত ব্যাকৰণৰ চাপ পৰিবলৈ ধৰিলে। তাৰ পৰাই বিহুৰ সকলোবোৰ ব্যাকৰণমতে চলা আৰম্ভ হ'ল।

তদুপৰি দেখিবলৈ পোৱা গৈছে ৰঙালী বিহুৰ মঞ্চত বিহুৰ উপৰিও নানান সাংস্কৃতিক উপাদানে বিহুক সমৃদ্ধ কৰি তোলা। ঝুমুৰ, ৰাভা নৃত্য, বাগুৰুম্বা, খেৰাই, দেওধনী আদি নানা নৃত্য মঞ্চলৈ আহিল। অসমৰ বিখ্যাত গায়ক গায়িকা সকলেও বিহুৰ মঞ্চখনকে নিজৰ গীত সমূহ দৰ্শক তথা শ্ৰোতাৰ ওচৰলৈ লৈ যাবলৈ ব্যৱহাৰ কৰিলে। এই ক্ষেত্ৰত আমি প্ৰথমেই অসমীয়াৰ হিয়াৰ আমঠু স্বৰূপ ড° ভূপেন হাজৰিকাদেৱৰ নাম ল'বই লাগিব। বিহুৰ মঞ্চখনক অতি সফলভাৱে ব্যৱহাৰ কৰি তেখেতে বিহুক এক অনন্য মাত্ৰা দিবলৈ সক্ষম হৈছিল। এই বিহু মঞ্চৰ আন বৰেণ্য জনপ্ৰিয় লোকশিল্পী কেইগৰাকীমানৰ নাম এইখিনিতে উল্লেখ কৰিব পাৰি— ঢোলৰ যাদুকৰ মঘাই ওজা, জয়ন্ত হাজৰিকা, খগেন মহন্ত-অৰ্চনামহন্ত যুটী, দ্বীপেন বৰুৱা, সন্ধ্যা মেনন, ৰিদিপ দত্ত, জিতেন ডেকা, চাৰুগোহাঁই, মহানন্দ মজিন্দাৰ বৰুৱা, জে পি দাস, অৰুণ দাস, মনীষা হাজৰিকা, সমৰ হাজৰিকা ইত্যাদি। অৱশ্যে এইসকলৰ কেইগৰাকী মানে এতিয়াও বিহুৰ মঞ্চ শুৱনি কৰি আছে। এইসকলৰ বাহিৰেও আন বহুজনে নিজা নিজা প্ৰতিভাৰে বিহুক সমাদৃত কৰি থৈ গৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল পুৰুষোত্তম দাস, যিজন মহান অসমীয়াই "শ্ৰীময়ী অসমীৰ শীতল বুকুত..." নামৰ বিহুৰ সংগীত ৰচনা কৰি বিহুক এক স্বকীয়তা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। 'ভায়ামামা'ৰ দৰে বহু শিল্পীয়ে কৌতুক অভিনয়েৰে বিহু মঞ্চখনক এক অনন্য মাত্ৰা দিছিল। ৰাজনৈতিক, সামাজিক ক্ষেত্ৰখনৰ লক্ষণীয় কথাবোৰ কৌতুকৰ মাধ্যমেৰে মনোগ্ৰাহীকৈ প্ৰকাশ কৰাৰ ক্ষেত্ৰত 'ভায়ামামা' আছিল বিশেষ আগৰণুৱা।

এই ৰঙালীৰ বতৰতে নতুন প্ৰজন্মৰ বহু জনপ্ৰিয় শিল্পীয়ে বিহুৰ মঞ্চ শুৱনি কৰি দৰ্শকৰ মনোৰঞ্জন কৰি আশিস বোটলে বুলিব পাৰি। বৰ্তমান বিহুমঞ্চত বহু ইলেক্ট্ৰনিক বাদ্যযন্ত্ৰ, পোহৰ প্ৰক্ষেপণ যন্ত্ৰ, উচ্চ মানদণ্ডৰ শব্দ-যন্ত্ৰ, বিভিন্ন অত্যাধুনিক যন্ত্ৰ-পাতিৰো সমাহাৰ ঘটিছে। বিহু মঞ্চত এনেবোৰ প্ৰযুক্তি ব্যৱহাৰ কৰি জুবিনগাৰ্গ, অংগৰাগ মহন্ত, জিতুল সোণোৱালৰ দৰে জনপ্ৰিয় শিল্পীয়ে বিহুৰ মঞ্চক এক অনন্য স্বকীয়তা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। নতুন প্ৰজন্মৰ বহু শিল্পী যেনে তৰালী শৰ্মা, জুবলী, প্ৰিয়ংকা ভৰালী, ময়ুখ হাজৰিকা, অনুপম শইকীয়া, কৃষ্ণমণি নাথ, কৃষ্ণমণি চুতীয়া, মানস ৰবীন, বিদ্যাসাগৰ, বৰ্ণালী কলিতা, দীক্ষু, সীমান্তশেখৰ, ভিতালী দাস প্ৰমুখ্যে বহুতেই এনে বহাগৰ বতৰতে অসমৰ ৰাইজৰ আগত বিভিন্ন বিহু মঞ্চত কণ্ঠসুধা নিগৰাই অসমীয়া সংগীত প্ৰেমীৰ মাজত প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ হৈছিল। আমি আশাকৰো এইবেলিও স্বনামধন্য এইসকল শিল্পীৰ লগতে আন ন-পুৰণি শিল্পীদল আৰু প্ৰতিভাৱান কিশোৰ কিশোৰী সকলৰ সুৰীয়া কণ্ঠই সকলো বিহুতলীতে সুধা নিগৰাবলৈ সক্ষম হ'ব। অৱশ্যে অসমৰ সংগীত জগতৰ অপূৰণীয় ক্ষতি হিয়াৰ আমঠু জুবিন গাৰ্গ অবিহনে অসমীয়াই পূৰ্বৰ সেই আনন্দ উছাহ একেই ৰাখি বিহু উদ্‌যাপন কৰিবলৈ সক্ষম হ'বনে? মোৰ দৃষ্টিত অসমীয়া আৱেগপ্ৰৱণ জাতি হিচাপে সহজতে জুবিনক পাহৰি পেলোৱা অসম্ভৱ।

দেখা যায় বৰ্তমান সময়ত বিহু ভালেমান বিতৰ্কৰ মাজত সোমাই পৰে, যি কথাই সাধাৰণ জনতাৰ মনত আঘাত দিয়ে। তদুপৰি দেখিবলৈ পোৱা যায় সহজ সৰলকৈ ৰীতি-নীতি মানি বিহু পতাৰ সলনি বহুতেই জোৰ জুলুমকৈ চান্দা তুলি বিহু পাতে। বহুজাতিক ক'ম্পেনীৰ সামগ্ৰীৰ বিজ্ঞাপনৰ বাবে অসমীয়াৰ হিয়াৰ আমঠু এই বিহুটিক দৃষ্টিকটুভাৱে ব্যৱহাৰ কৰাও পৰিলক্ষিত হয়। পুৰণি গীত গোৱাৰ নামত সেই তাহানি লোকচক্ষুৰ আঁৰত, নিজানত কোনোবা গৰখীয়া ল'ৰাই লগৰ সমনীয়াৰ আগত গোৱা আদি-ৰসাত্মক, অশ্লীল গীতসমূহো আজিকালি বিহুৰ মঞ্চত জনপ্ৰিয় শিল্পীয়ে গোৱা দেখিবলৈ পোৱা যায়।

অতীতত চেৰাবিহু মানে সাতবিহুৰ দিনাৰ পৰা সাত বা এঘাৰদিন পাছৰ এদিনত গাঁৱৰ ডেকা-ডেকেৰীয়ে পথাৰৰ গছ এজোপাৰ তলত মনৰ হেঁপাহ পলুৱাই বিহু মাৰি শেষ কৰি গছৰ ডাললৈ ঢোলৰ মাৰিডাল নাইবা বাঁহৰ টকা এটা ভাঙি দলিয়াই দি পিছলৈ ঘূৰি নোচোৱাকৈ ঘৰলৈ ঘূৰি আহিছিল। ইয়াকে 'বিহু উৰুৱা' বুলি কোৱা হৈছিল। সিদিনাৰ পৰাই সকলোৱে বিহু সামৰি নিজৰ প্ৰধান কৰ্মস মূহত মন দিছিল। 'বিহু উৰুৱা'ৰ পাছত সকলো কৃষিজীৱী লোকে অনাগত বাৰিষাৰ বাবে পথাৰ সাজু কৰা কামত ব্যস্ত হৈ পৰিছিল। পিছে আজিকালি আহাৰ-শাওন মাহলৈ বিহু পাতি, সাংস্কৃতিক সন্ধিয়াৰ নামত কৰা অতপালিবোৰ কৰি বিহুৰ মৰ্যাদা যথেষ্ট হানিৰ কামত লাগি থাকে।


নানা জাতি, জনজাতি, ভাষা, ধৰ্মৰ সংমিশ্ৰণেৰে বিয়পি থকা এই বিশাল অসমীয়া সমাজখনক একতাৰ ডোলেৰে অতীজৰে পৰা আজি পৰ্যন্ত বান্ধি ৰখাৰ ক্ষেত্ৰত বিহুৰ অৱদান সাগৰ সমান বুলিব পাৰি। বৰ্তমান বিহু অকল অসমতে আবদ্ধ হৈ থকা নাই বুলি ক'ব পাৰি। দেশে-বিদেশে জীৱন আৰু কৰ্মৰ সন্ধানত ব্ৰতী হৈ থকা প্ৰৱাসী অসমীয়া সকলকো এই বিহুৱেই এক কৰি ৰাখিছে। প্ৰযুক্তিৰ সদব্যৱহাৰ কৰি ইণ্টাৰনেটৰ জৰিয়তে অসমৰ বিহুতলীত অনুষ্ঠিত হোৱা ৰঙালী বিহুৰ অনুষ্ঠান বিশ্বৰ চুকে-কোণে সিঁচৰতি হৈ থকা অসমীয়া লোকসকলে উপভোগ কৰে আৰু এই উছৱৰ বতৰত অসমৰ বাতাবৰণৰ লগত একাত্ম হয়।

আদিম কালৰে পৰা আজিৰ সময়লৈ নানা ৰূপান্তৰৰ মাজেৰে বিহুৰ উৎসাহ উদ্দীপনাৰ লানি নিচিগা ফল্গুধাৰা বৈ গৈছে বুলিব পাৰি। বিহুৰ এই যি বোৱঁতী ধাৰা, সি অনন্ত সময়লৈ অক্ষত হৈ থাকক, তাকেই কামনা কৰিলোঁ।

# ব'হাগ বিহু ঐতিহ্যৰ মাধুৰ্য আৰু আধুনিকতাৰ স্পৰ্শ

"ব'হাগ মাথোঁ এটি ঋতু নহয়,  
নহয় ব'হাগ এটি মাহ,  
অসমীয়া জাতিৰ  
ই আয়ুস ৰেখা!  
গণ জীৱনৰ ই সাহ।"

অসমৰ আকাশ-বতাহত, মাটিৰ গোন্ধত আৰু মানুহৰ হৃদয়ত গভীৰভাৱে শিপাই থকা এক অমূল্য সম্পদ হ'ল বিহু। ই কেৱল এটা উৎসৱ নহয়, বৰং অসমীয়া জাতিৰ আত্মা, সংস্কৃতি আৰু পৰিচয়ৰ এক উজ্জ্বল প্ৰতিফলন। বিহুৰ বিৱৰ্তনৰ মাজেৰেই অসমীয়া সমাজৰ উৎপত্তি, বিকাশ আৰু ঐতিহ্যৰ সুন্দৰ কাহিনী লুকাই আছে। মানুহে যেতিয়া কৃষিক জীৱনৰ মূল আধাৰ হিচাপে গ্ৰহণ কৰিলে, তেতিয়াই খেতি চপোৱাৰ সময়ত আনন্দ প্ৰকাশৰ প্ৰৱণতা আৰম্ভ হ'ল। এই আনন্দই ক্ৰমে সমূহীয়া ৰূপ ল'লে আৰু এক পৰম্পৰাগত ৰীতিত পৰিণত হৈ কালক্ৰমত বিহু উৎসৱৰ ৰূপ ধাৰণ কৰিলে। ঐতিহাসিকভাৱে লক্ষ্য কৰিলে দেখা যায় যে অসমত কৃষিকেন্দ্ৰিক জীৱনধাৰাৰ সূচনা অষ্ট্ৰ-এচিয়াটিক, তিব্বত-বৰ্মীয় আৰু মংগোলীয় নৃতাত্বিক গোষ্ঠীৰ মাজতে হৈছিল; সেয়েহে বিহুৰ মূল শিপা এইসকল জনগোষ্ঠীৰ মাজতেই নিহিত। বিশেষকৈ বসন্তৰ আগমনত উদযাপন কৰা ব'হাগ বিহু বা ৰঙালী বিহু অসমৰ আটাইতকৈ প্ৰাণময় উৎসৱ। প্ৰকৃতিয়ে যেতিয়া নতুন ৰূপেৰে সজীৱ হৈ উঠে, গছ-গছনিত ফুল-ফলেৰে ডাল ভৰি পৰে, তেতিয়া মানুহৰ মনো একেধৰণৰ আনন্দ আৰু উল্লাসেৰে বিৰাজমান হয়। এই উৎসৱ যৌৱনৰ, প্ৰেমৰ আৰু জীৱনৰ উৎসৱ। ডেকা-গাভৰুৱে বিহু নৃত্য-গীতৰ মাজেৰে নিজৰ অনুভূতি প্ৰকাশ কৰে আৰু সামাজিক বন্ধন সুদৃঢ় কৰে।



উৰিশ্মা নাথ

ৰঙালী বিহুৰ সৈতে কৃষি ওতপ্ৰোতভাৱে জড়িত হৈ আছে। মানুহে বিশ্বাস কৰে যে যৌৱন আৰু উৰ্বৰতাৰ মাজত এক গভীৰ সম্পৰ্ক বিদ্যমান। সেয়েহে খেতি আৰম্ভ কৰাৰ আগতে এই উৎসৱ উদযাপন কৰি মানুহে প্ৰকৃতিৰ কৃপা লাভৰ কামনা কৰে। চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰা আৰম্ভ কৰি ব'হাগৰ ছয় তাৰিখলৈ সাত দিন ধৰি এই বিহু উদযাপন কৰা হয়। প্ৰত্যেক দিনৰ বিহুৰে সুকীয়া নাম আছে। ইয়াক "সাত বিহু" বুলি জনা যায়। চ'তৰ দোমাহীৰ দিনা গৰুৰ বিহুৰে আৰম্ভ হৈ ক্ৰমে মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু শেষৰ দিনা চেৰা বিহুৰে ব'হাগ বিহুৰ সামৰণি মৰা হয়। প্ৰতিটো দিনৰ প্ৰতিটো বিহুৰেই নিজা সাংস্কৃতিক আৰু সামাজিক তাৎপৰ্য আছে।

ৰঙালী বিহুৰ এটা অন্যতম বৈশিষ্ট্য হ'ল হুঁচৰি গোৱা। হুঁচৰি হ'ল অসমীয়া লোকসাহিত্যৰ অমূল্য সম্পদ। এইগীত ডেকা-বুঢ়া-ল'ৰা সকলোৱে মিলি গায়। ইয়াত গাভৰুৰ স্থান নাই। ব'হাগ বিহুত গাঁৱৰ ৰাইজে ঢোল, তাল আদি লৈ প্ৰত্যেক মানুহৰ ঘৰে-ঘৰে সামুহিকভাৱে হুঁচৰি গীত গায়। হুঁচৰি গীত গাঁৱতে বয়স্কসকলে চোলা-চুৰিয়া পিন্ধাৰ লগতে গাত চেলেং মেৰিয়াই লয়। হুঁচৰিৰ প্ৰধান ভাগ দুটা- হুঁচৰি কীৰ্তন আৰু বিহুনাম। হুঁচৰি কীৰ্তন হ'ল আধ্যাত্মিক ভাৱসম্পন্ন আৰু বিহুনাম হ'ল অশ্লীলতাহীন স্বাভাৱিক আনন্দ-উত্তেজনা আৰু নৈসৰ্গিক সৌন্দৰ্য্যৰ প্ৰকাশ। ইয়াৰ জৰিয়তে সমাজত ভ্ৰাতৃত্ববোধ, ঐক্য আৰু সৌহাৰ্দ্যৰ সৃষ্টি হয়। গৃহস্থই তেওঁলোকক টকা বা চাউল আদি দান কৰে। এইপৰম্পৰাই অসমীয়া সংস্কৃতিৰ সমূহীয়া চেতনাৰ এক সুন্দৰ প্ৰতিফলন।

তদুপৰি "জেং বিহু" ব'হাগ বিহুৰ এটা অত্যন্ত মনোমোহা আৰু গুৰুত্বপূৰ্ণ অঙ্গ, যি বিশেষকৈ মহিলাসকলে উদযাপন কৰে। মহিলাৰ দ্বাৰা পৰিবেশিত এই বিহুৰ পুৰণি নাম হৈছে গাভৰু বিহু বা গছৰ তলৰ বিহু। "চেনেহী বিহু" বা "মাইকী বিহু" বুলিও জনা যায়। ই মহিলাসকলৰ মনৰ আনন্দ আৰু দুখ-বেদনা প্ৰকাশৰ মাধ্যম। "জেং" শব্দৰ অৰ্থ হৈছে প্ৰতিবন্ধকতা অৰ্থাৎ তাত পুৰুষৰ প্ৰৱেশ নিষেধ। ঢোল, পেঁপা, তাল, বাঁহী আদি কোনো বাদ্যৰ ইয়াত প্ৰয়োজন নাই। গাভৰুসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি গীতৰ চেঁৰে চেঁৰে টকা, সুতুলী আৰু গগণা বজাই বজাই বিহু নাচে। দুগৰাকী মানে বৃত্তৰ মাজৰ অংশত নাচে। জেং বিহুৰ নাচনীৰ নাচোন ভঙ্গীতো স্বকীয়তা বিদ্যমান। ইয়াৰ নাচোন শৈলী মুকলি বিহুৰ নাচৰ দৰে যৌনগন্ধী নহয়। জেং বিহুৰ নাচনীৰ নাচোন প্ৰাণ চঞ্চলতাৰে ভৰপূৰ। নাচনীৰ নৃত্যৰ ভৰত পৃথিৱী উৰ্বৰা হয় বুলি প্ৰবাদ আছে। জেং বিহুৰ বাবে গাঁওখনৰ জীয়ৰী-বোৱাৰী সকলোৱে মিলি এটি দল গঠন কৰি প্ৰায় এমাহমান আগৰে পৰাই গাঁওখনৰ কোনো মুকলি ঠাই, পথাৰ বা গছৰ তলত সমবেত হয় আখৰা কৰা দেখা। এই বিহুত গাভৰুৱে এক চক্ৰ বা বৃত্ত আকাৰে থিয় হৈ নৃত্য কৰে বাবে ইয়াক "জেং বিহু" বুলি কোৱা হয়। পূৰ্বতে এই বিহুত পুৰুষসকলৰ প্ৰৱেশ সীমিত আছিল, যাৰ ফলত ই একেবাৰে নাৰী-কেন্দ্ৰিক সাংস্কৃতিক পৰিৱেশ হিচাপে পৰিগণিত হৈছিল। জেং বিহু কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়; ই নাৰীসকলৰ স্বতঃস্ফূৰ্ত প্ৰকাশৰ এক মঞ্চ। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ অনুভূতি, আশা-আকাংক্ষা আৰু জীৱনৰ বিভিন্ন দিশ সুৰ-তালৰ মাজেৰে প্ৰকাশ কৰে। লগতে এই বিহুত শৃংখলা, সহযোগিতা আৰু সমূহীয়া চেতনাৰো বিকাশ ঘটে। আধুনিক যুগত এই জেং বিহুৰ ৰূপ কিছু পৰিৱৰ্তিত হৈছে যদিও, ইয়াৰ মূল সত্তা এতিয়াও অক্ষুণ্ণ আছে। বৰ্তমান ইয়াক মঞ্চত প্ৰদৰ্শন কৰা হয়, প্ৰতিযোগিতাতো অন্তৰ্ভুক্ত কৰা হয়, কিন্তু গাঁৱৰ পৰিৱেশত উদযাপিত সৰল আৰু প্ৰাকৃতিক ৰূপটো আজিও সৰ্বাধিক আকৰ্ষণীয়। সেয়েহে ক'ব পাৰি, জেং বিহু হৈছে অসমীয়া নাৰী সংস্কৃতিৰ এক উজ্জ্বল প্ৰতিফলন, যিয়ে ব'হাগ বিহুক আৰু অধিক বৈচিত্ৰ্যময় আৰু সমৃদ্ধ কৰি তোলে।

কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ব'হাগ বিহুৰ ৰূপো কিছু পৰিৱৰ্তন হোৱা দেখা গৈছে। আধুনিক যুগত এই উৎসৱ অধিক জাকজমক আৰু প্ৰদৰ্শনমুখী হৈ উঠিছে। বৰ্তমান বিহু মানে মঞ্চ, লাইট, কেমেৰা আৰু প্ৰতিযোগিতাৰ বৃহৎ পৰিসৰ। চহৰসমূহত বৃহৎ মঞ্চ, সংগীতানুষ্ঠান আৰু প্ৰতিযোগিতাৰ জৰিয়তে বিহুক নতুন ৰূপত উপস্থাপন কৰা হৈছে। পৰম্পৰাগত বিহুৱানৰ লগতে আধুনিক ফেশ্বনৰ মিশ্ৰণ ঘটিছে।

পৰম্পৰাগত ঢোল-পেঁপাৰ ঠাইত আধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱা দেখা গৈছে। মহানগৰীত বহু দিনীয়াকৈ সাংস্কৃতিক অনুষ্ঠান, আলোকসজ্জা আৰু ব্যৱসায়িক দৃষ্টিভংগীৰে বিহু উদযাপন কৰিবলৈ ধৰিছে। আকৌ টেলিভিছন আৰু সামাজিক মাধ্যমৰ প্ৰভাৱত বিহু আজি বিশ্বমঞ্চতো পৰিচিত হৈছে। এই পৰিৱৰ্তনে ৰঙালী বিহুক জনপ্ৰিয়তা প্ৰদান কৰিছে, কিন্তু ইয়াৰ সৰলতা আৰু মৌলিক সৌন্দৰ্য্য কিছু পৰিমাণে ক্ষীণ কৰিছে। এই পৰিস্থিতিত আমাৰ আগত গুৰুত্বপূৰ্ণ প্ৰশ্ন উঠে যে, "আমি আমাৰ ঐতিহ্য সঠিকভাৱে সংৰক্ষণ কৰি আছোঁ নে?" যদি এই বিহু কেৱল বাহ্যিক আড়ম্বৰ আৰু বিনোদনৰ মাজতেই সীমাবদ্ধ হৈ পৰে, তেন্তে ইয়াৰ অন্তৰ্নিহিত মূল্যবোধ হেৰাই যাব পাৰে সেইবাবে আধুনিকতাৰ সৈতে খাপ খুৱাইও আমি বিহুৰ মূল আদৰ্শসমূহ সমন্বয়, সৰলতা, প্ৰকৃতিৰ প্ৰতি সন্মান আৰু সামাজিক ঐক্য অবিকৃত ৰাখিব লাগিব। আমাৰ দায়িত্ব হৈছে অতীতৰ ঐতিহ্য আৰু বৰ্তমানৰ আধুনিকতাৰ মাজত এক সুন্দৰ সমন্বয় স্থাপন কৰা। গাঁৱৰ সৰলতা আৰু চহৰৰ উন্নত চিন্তাধাৰাৰ সংমিশ্ৰণেই বিহুক অধিক অৰ্থবহ আৰু জীৱন্ত কৰি ৰাখিব পাৰে।

সৰ্বশেষত ক'ব পাৰি যে, ব'হাগ বিহু আমাৰ অস্তিত্বৰ গৌৰৱময় প্ৰতীক। এই অমূল্য সম্পদক সংৰক্ষণ আৰু উন্নত কৰা আমাৰ সকলোৱে প্ৰধান দায়িত্ব আৰু কৰ্তব্য। যাতে আগন্তুক প্ৰজন্মইইয়াৰ মাৰ্ধুয্য আৰু মহিমা অনুভৱ কৰিব পাৰে। ঐতিহ্যক সাৰটি ধৰি আধুনিকতাৰ সৈতে খোজ মিলাই আগবঢ়া এই ব'হাগ বিহু বা ৰঙালী বিহু অসমীয়া জাতিৰ পৰিচয় আৰু একতাৰ প্ৰতীক হিচাপে সদায় জিলিকি থাকিব।

# বৰ্তমানৰ বিহু ঃ এটি চিন্তন

ৰঞ্জিতা শৰ্মা

বিহু অসমীয়াৰ বাপতি সাহোন। বিহু অসমীয়াৰ অতিকৈ আদৰৰ, হেঁপাহৰ উৎসৱ। অসমীয়া সংস্কৃতিৰ বাঘজৰীডাল বিহুটিয়ে নিয়ন্ত্ৰণ কৰি আহিছে। তিনিওটা বিহুৰ ভিতৰত ব'হাগ বিহু তথা ৰঙালী বিহু সকলোৱে প্ৰিয়। পহিলা ব'হাগত অসমীয়া নৱবৰ্ষ আৰম্ভ হয়। অসমীয়া নৱবৰ্ষত আছে মাটি- পানী-বায়ুৰ জীপেৰে দীপালী হৈ মানুহৰ দেহ-মনত সৃষ্টি হোৱা অনাবিল আনন্দৰ জোৱাৰ। ৰঙালী বিহুৰ মাজেদি প্ৰকাশ পায় অসমীয়াৰ সাংস্কৃতিক, সামাজিক পৰম্পৰাসমূহৰ উৎকৃষ্টতা। বিহু মূলতঃ কৃষি কেন্দ্ৰিক। গাঁৱৰ চহা জীৱনৰ লগত জড়িত বিহু কৃষিৰ পৰিসীমা ভাঙি সমাজৰ সকলো স্তৰৰ লোকক চুই গৈছে। অসমৰ বাহিৰেও ভাৰতৰ বিভিন্ন ঠাইত তথা বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা লোকসকলেও হেঁপাহৰ ৰঙালী বিহুটি উদ্‌যাপন কৰে। চ'ত মাহৰ পৰাই ৰঙালী বিহুৰ প্ৰস্তুতি চলে। বিহুগীত, নৃত্যৰ বাবে ডেকা-গাভৰু সকলে আখৰা আৰম্ভ কৰে। ঢোল, পেঁপা, গগনাৰ মাতে চৌদিশে ৰজনজনাই থাকে।



পৰিৱৰ্তনশীল সময়ৰ লগে-লগে আদৰৰ ৰঙালী বিহুটিৰ ৰেহ-ৰূপ সলনি হ'ল। তাহানিৰ বৰ গছৰ তলৰ পৰা, আঁহতৰ তলৰ পৰা, পথাৰৰ পৰা বিহু আহি মঞ্চত উপৱিষ্ট হ'ল। এসময়ত গাৱঁৰ ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থক আৰ্শীবাদ দিয়া ডেকাসকলে আজিকালি মঞ্চৰ বিহুৰ প্ৰতিযোগিতাৰ বাবে ব্যস্ত হৈ পৰিল। বিহুগীত সমূহৰ শব্দ-সুৰ বহুতো সলনি হ'ল। আগতে বিহুগীত বোৰৰ কথা আছিল সহজ-সৰল আৰু সাৱলীল। গীতৰ মাজেৰে অসমীয়া সমাজ-জীৱনৰ সুন্দৰ ছবি প্ৰতিফলিত হৈছিল। বিহু গীত, বিহু নাচ, বিহু উদ্‌যাপনৰ শৈলী সকলোতে কৃত্ৰিমতা। বিহুৰ পৰম্পৰাসমূহ নিয়মমাফিক কৰি বিহু মঞ্চৰ কাৰ্যসূচীসমূহ সফল ৰূপায়ণৰ প্ৰতি গুৰুত্ব দিয়া লেখা যায়। সম্প্ৰতি বিহু ব'হাগ মাহৰ পৰা শাওণ মাহ পৰ্যন্ত পতাটো পৰিলক্ষিত হয়। ইয়াৰ ফলত ব'হাগ বিহুৰ স্বকীয়তা ম্লান পৰা বুলি ক'লে নিশ্চয় ভুল কৰা নহ'ব। বৰ্তমান বিশ্বায়নে আনি দিয়া কঠিন প্ৰত্যাহ্বানৰ সময়ত এটা দিনটো অবাবত ব্যয় কৰা কথা ভাবিব নোৱাৰি। সম্প্ৰতি যধে মধে চান্দা তোলাকে আদি কৰি বিভিন্ন অপসংস্কৃতিয়ে গা কৰি উঠিছে।

মঞ্চ-সমূহক উপলক্ষ্য কৰি ৰঙালী বিহুটি উদ্‌যাপন হৈ আহিছে। এক নিৰ্দিষ্ট দূৰত্বৰ অন্তৰে অন্তৰে একেটা এলেকাৰ কেইবাখনো বিহু উদ্‌যাপন হোৱাতকৈ একেলগে লগ হৈ বিহু উদ্‌যাপন কৰাতো যুক্তিযুক্ত হ'ব। বহুতো বিহু সমিতিৰ বিহুৰ বাজেট দেখিলে সচেতন মহলৰ চকু কপালত উঠে। লাখ লাখ টকা খৰচ কৰি বিহু উৎসৱ অনুষ্ঠিত কৰাৰ প্ৰাসঙ্গিকতা কিমান? কিছু সংখ্যক বিহু সমিতিক বাদ দি বেছিভাগ বিহু সমিতিয়ে বছৰৰ শেষত ধাৰণ পোত যোৱা দেখা যায়। বিহু বাণিজ্যমুখী হ'ল। নামী শিল্পী সকলক অনুষ্ঠান পৰিবেশন কৰিবলৈ দিয়া হ'ল। অৱশ্যে থলুৱা সংগীত পৰিবেশন কৰাসকল উপেক্ষিত হৈ ৰ'ল।

যিয়েই নহওক, বিহু অসমীয়াৰ জাতীয় উৎসৱ। ৰঙালী বিহুৱে আমাৰ সকলোলৈকে আনন্দৰ বতৰা কঢ়িয়াই আনে। বিহু গীত, নৃত্য ই মন-প্ৰাত মতলীয়া কৰি তোলে। নৱপ্ৰজন্মই বিহুৰ পৰীৱৰ্তনক আদৰি লৈছে। আমাৰ জাতীয় জীৱনলৈ ৰঙালী বিহুটিয়ে আনি দিব পাৰে গভীৰ আস্থা আৰু বিশ্বাস। বিহুটিতে আছে জাতিটোৰ জীয়াই থকাৰ বৃহৎ প্ৰতিশ্ৰুতি। যেতিয়ালৈকে অসমীয়াসকলে ব'হাগৰ তাৎপৰ্য উপলব্ধি কৰি থাকিব, তেতিয়ালৈকে অসমীয়াত্ব বৰ্তি থাকিব।

## লোকসভাৰ আসন ৫৪৩ৰ

লগতে নতুন সমষ্টি পুনৰনিৰ্ধাৰণ (delimitation) প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পথ সুগম কৰিব বুলি ধাৰণা কৰা হৈছে। সূত্ৰসমূহে জনোৱা মতে, আসন বৃদ্ধি সন্দৰ্ভত এখন খচৰা বিধেয়ক সাংসদসকলক ইতিমধ্যে দিয়া হৈছে। চৰকাৰে সংসদৰ এক বিশেষ তিনিদিনীয়া অধিৱেশন আহ্বান কৰি গুৰুত্বপূৰ্ণ সংবিধান সংশোধনীসমূহ উত্থাপন কৰাৰ পৰিকল্পনা কৰিছে। এই বিশেষ অধিৱেশনত মহিলাসকলৰ বাবে সংসদ আৰু ৰাজ্যিক বিধানসভাসমূহত ৩৩ শতাংশ সংৰক্ষণ নিশ্চিত কৰাৰ লগতে ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ আধাৰত নিৰ্বাচনী সমষ্টিসমূহৰ নতুনকৈ সীমা নিৰ্ধাৰণ কৰা হ'ব। আসনৰ সংখ্যা বৃদ্ধি কৰাৰ মূল লক্ষ্য হৈছে নতুন সমষ্টি গঠনৰ জৰিয়তে মহিলা সংৰক্ষণ ব্যৱস্থাক সহজে কাৰ্যকৰী কৰা। প্ৰস্তাৱ অনুসৰি, মুঠ ৮৫০খন আসনৰ ভিতৰত ৮১৫খন ৰাজ্যসমূহক আৰু ৩৫খন কেন্দ্ৰীয় শাসিত অঞ্চলক আবণ্টন কৰা হ'ব। এই পৰিৱৰ্তনসমূহ ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পৰা কাৰ্যকৰী হ'ব বুলি আশা কৰা হৈছে। ইপিনে, বিৰোধী দলসমূহে চৰকাৰৰ সমষ্টি পুনৰনিৰ্ধাৰণ প্ৰচেষ্টাৰ বিৰোধিতা কৰিবলৈ সাজু হৈছে। বিশেষকৈ ২০১১ চনৰ লোকপিয়লৰ তথ্য ব্যৱহাৰ কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে AAP, RJD আৰু DMKৰ দৰে দলে প্ৰত্যাহ্বান জনাব পাৰে। তেওঁলোকে ২০২১ চনৰ লোকপিয়লৰ তথ্যৰ আধাৰত সমষ্টি পুনৰনিৰ্ধাৰণ কৰা উচিত বুলি দাবী জনাব। ইয়াৰ উপৰি, INDIA জোটৰ কেইবাটাও দলে পিছপৰা শ্ৰেণীৰ মহিলাসকলৰ বাবে "সংৰক্ষণৰ ভিতৰত সংৰক্ষণ" দাবীৰ বিষয়ে স্পষ্টতা বিচাৰিবলৈ প্ৰস্তুত হৈছে। বিৰোধী দলৰ নেতা আৰু মিত্ৰদলসমূহৰ এখন কৌশলগত বৈঠক দিল্লীত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত হ'ব। ইয়াত AAPকে ধৰি আন দলসমূহৰ লগতে পশ্চিমবংগ আৰু তামিলনাডুত ক্ষমতাত থকা তৃণমূল কংগ্ৰেছ আৰু DMKৰ নেতাসকল উপস্থিত থাকিব বুলি আশা কৰা হৈছে। তৃণমূল কংগ্ৰেছৰ সাংসদ ডেৰেক অ'ব্ৰায়েনে চৰকাৰৰ উদ্দেশ্যক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে প্ৰস্তাৱিত সংশোধনীসমূহে মহিলা সংৰক্ষণৰ তুলনাত সমষ্টি পুনৰনিৰ্ধাৰণৰ ওপৰত অধিক গুৰুত্ব দিছে। তেওঁ কয়, "এপ্ৰিল ১৬ তাৰিখে সংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব। কিন্তু বিধেয়কখন ক'ত আছে?" তেওঁ লগতে এপ্ৰিল ২৩ আৰু ২৯ তাৰিখে অনুষ্ঠিত হ'বলগীয়া কেইবাখনো বিধানসভা নিৰ্বাচনৰ আগতে এই অধিৱেশন আহ্বান কৰাৰ সময়সূচীক লৈও প্ৰশ্ন তোলে। অ'ব্ৰায়েনে আৰু উল্লেখ কৰে যে সংবিধান সংশোধনী গৃহীত কৰিবলৈ বিজেপিয়ে সংসদত দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভ কৰিব লাগিব, যাৰ বাবে বিৰোধী দলসমূহৰ সমৰ্থন অপৰিহাৰ্য। এই সুযোগ ব্যৱহাৰ কৰি বিৰোধী শিবিৰে নিজৰ দাবীসমূহ আগবঢ়োৱাৰ লগতে চৰকাৰৰ পৰা অধিক স্পষ্টতা বিচাৰিবলৈ চেষ্টা চলাইছে।

## সম্ৰাট চৌধৰী লালুপ্ৰসাদ যাদৱৰ শিক্ষাৰ ফল; তেজস্বী

শিবিৰত তীব্ৰ অসন্তোষ দেখা গৈছে। আৰজেডি নেতা তেজস্বী যাদৱে নৱনিৰ্বাচিত বিজেপি বিধায়ক দলৰ নেতা সম্ৰাট চৌধৰীক লালুপ্ৰসাদ যাদৱৰ "শিক্ষাৰ ফল" বুলি তীব্ৰ কটাক্ষ কৰিছে। এটা সাক্ষাৎকাৰত তেজস্বীয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে, সম্ৰাট চৌধৰী বিহাৰৰ জনসাধাৰণে নিৰ্বাচিত কৰা মুখ্যমন্ত্ৰী নহয়। তেজস্বী যাদৱে কয়, "সম্ৰাট চৌধৰী লালুপ্ৰসাদ যাদৱৰ শিক্ষাৰ ফল। বিহাৰৰ ৰাজনীতি লালু যাদৱক কেন্দ্ৰ কৰিয়েই চলি থাকিব। বিজেপিয়েৰে ২০ বছৰ ধৰি লালু যাদৱৰ সৈতে এনডিএ চৰকাৰ গঠন কৰি শাসন চলাইছিল। তথাপি বিহাৰৰ কোষাগাৰ খালী হৈ পৰিল। এয়া বিহাৰৰ ৰাইজে নিৰ্বাচিত কৰা মুখ্যমন্ত্ৰী নহয়। ৰাইজে তেওঁলোকক কোনো আদেশ দিয়া নাই।" তেওঁ লগতে অভিযোগ কৰে যে, বিজেপিয়ে নীতিশ কুমাৰৰ ২১ বছৰীয়া কাৰ্যকালক জোৰকৈ শেষ কৰি দিছে। তেজস্বীয়ে কয়, "নীতিশ জীক বিজেপিয়ে শেষ কৰিছে। গতিকে এতিয়া সকলো শেষ হৈছে।" মংগলবাৰে নীতিশ কুমাৰে পাটনাৰ লোকভৱনত ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) চৈয়দ আতা হাছনেইনৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। ইয়াৰ পিছতে বিজেপি বিধায়ক দলৰ নেতা হিচাপে সম্ৰাট চৌধৰী নিৰ্বাচিত হোৱাত বিহাৰত প্ৰথমবাৰৰ বাবে বিজেপিৰ মুখ্যমন্ত্ৰী হোৱাৰ পথ মুকলি হৈ পৰে। সম্ৰাট চৌধৰীয়ে এএনআইৰ সৈতে হোৱা বাৰ্তালাপত কয়, "মোৰ জীৱনত বিজেপিয়ে মোক সেৱা আগবঢ়োৱাৰ বহু সুযোগ দিছে।" তেওঁ ভাৰতৰ উন্নয়নক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াটোক নিজৰ প্ৰথম কৰ্তব্য বুলি দলৰ শীৰ্ষ নেতৃত্বক আশ্বাস দিয়ে। প্ৰায় ৩০ বছৰ ধৰি ৰাজনৈতিক কৰ্মী হিচাপে কাম কৰা চৌধৰী ২০১৫ চনৰ পৰা বিজেপিৰ সৈতে জড়িত হৈ আছে। আনহাতে, নীতিশ কুমাৰে নতুন চৰকাৰক সম্পূৰ্ণ সহযোগিতা আৰু পথ প্ৰদৰ্শনৰ আশ্বাস দিছে। তেওঁ কয়, "আমি বিহাৰৰ জনসাধাৰণৰ বাবে বহু কাম কৰিছো। মই মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত লৈছিলোঁ। এতিয়া নতুন চৰকাৰে দায়িত্ব ল'ব। নতুন চৰকাৰে মোৰ সম্পূৰ্ণ সমৰ্থন আৰু পথ প্ৰদৰ্শন লাভ কৰিব। আগলৈ বহু ভাল কাম হ'ব আৰু বিহাৰ দোপতদোপে আগবাঢ়িব।" এই ক্ষমতা পৰিৱৰ্তনে বিহাৰ চৰকাৰৰ শাসনৰ বাঘজৰী বিজেপিৰ হাতত অৰ্পণ কৰি আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ ৰাজনৈতিক গাঁথনিত উল্লেখযোগ্য পৰিৱৰ্তন আনিছে।

## পহিলা ব'হাগত অসম সাহিত্য সভাই উদ্‌যাপন

অসমীয়া ভাষা-সাহিত্য, কৃষ্টি আৰু সংস্কৃতিৰ বিকাশ-বিস্তাৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লগতে জাতীয় জীৱনলৈ উল্লেখযোগ্য অৱদান দিয়া পাঁচ হাজাৰ জ্যেষ্ঠ নাগৰিকক সন্মান জনোৱা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনাইছে যে ১৫ এপ্ৰিলত অৰ্থাৎ পহিলা ব'হাগৰ দিনা পুৱা ন'বজাৰ পৰা সন্ধিয়া সাত বজালৈকে সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতি, জিলা সভা আৰু শাখা সভাৰ কৰ্মকৰ্তাসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ঘৰে-ঘৰে গৈ জ্যেষ্ঠজনসকলক থুৰীয়া তামোল-পাণেৰে সেৱা ধৰি সন্মানিত কৰিব। তেওঁ কয় যে ৰাজ্যখনৰ পাহাৰে-ভৈয়ামে শান্তি-সম্প্ৰীতিৰে বসবাস কৰি থকা এই জ্যেষ্ঠ নাগৰিকসকলৰ উপৰিও ভাৰতবৰ্ষৰ বেংগালুৰু, আহমেদাবাদ, দিল্লী, ওড়িশা, ভুৱনেশ্বৰ, অৰুণাচল প্ৰদেশৰ ইটানগৰ, পাছিঘাটকে ধৰি লণ্ডন আৰু উত্তৰ আমেৰিকাৰ দৰে বিদেশী স্থানতো ৬৫ বছৰ বয়সৰ ঊৰ্ধ্বৰ জাতীয় জীৱনৰ লগত জড়িত ব্যক্তিসকলক একে দিনা সন্মান প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত কিছুমান গুৰুত্বপূৰ্ণ নিয়ম মানি চলা হ'ব। পূৰ্বৰ বছৰত সন্মানিত হোৱা কোনো ব্যক্তিক দ্বিতীয়বাৰৰ বাবে সন্মান জনোৱা নহ'ব। একে সময়তে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতি, জিলা সভা, শাখা সভা আৰু আদৰণী সমিতিৰ কোনো সদস্যকো এই সন্মান প্ৰদান কৰা নহ'ব। সন্মানিত ব্যক্তিসকলক থলুৱা শিপিনীৰ দ্বাৰা বোৱা এখন গামোচা, এটা গ্ৰন্থৰ টোপোলা আৰু এযোৰ থুৰীয়া তামোল-পাণ প্ৰদান কৰি সেৱা ধৰা হ'ব। সম্বৰ্ধনা জ্ঞাপন কৰিবলৈ যোৱা প্ৰতিনিধি দল ন্যূনতম পাঁচজনীয়া হ'ব আৰু সকলোৱে জাতীয় পোছাক পৰিধান কৰিব। সম্বৰ্ধনাৰ মুহূৰ্তটো কেমেৰাত ধৰি ৰাখি পিছত সামাজিক মাধ্যম, সংবাদ মাধ্যম আৰু সভাৰ প্ৰচাৰ আহ্বায়ক শংকু সিদ্ধ নাথৰ ৯৮৬৪১২০৩৫৭ নম্বৰৰ ৱাটছএপত প্ৰেৰণ কৰিব লাগিব। সম্বৰ্ধিত ব্যক্তিজনৰ পৰিয়ালৰ সদস্য আৰু প্ৰতিবেশীসকলক আমন্ত্ৰণ জনাই প্ৰত্যেক ঠাইতে প্ৰায় পোন্ধৰ মিনিটীয়া এটা সৰু অনুষ্ঠান আয়োজন কৰা হ'ব। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আজীৱন স্থায়ী সদস্য হিচাপে সভাৰ লগত সংপৃক্ত হোৱাৰ বাবে মুকলি অনুৰোধ জনোৱা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই সকলোৰে প্ৰতি আহ্বান জনাইছে যে সফল জীৱন পৰিক্ৰমাৰে সমৃদ্ধ এই জ্যেষ্ঠ নাগৰিকসকলক আন্তৰিকতাৰে সন্মান জনাই অসমীয়াৰ গৌৰৱ বৃদ্ধি কৰাৰ এই মহৎ কাৰ্যসূচীত সকলোৱে অংশগ্ৰহণ কৰক।

## আম্বেদকাৰৰ জয়ন্তীত সংবিধান স্থপতি গৰাকীলৈ

প্ৰধানমন্ত্ৰী আৰু বিভিন্ন ৰাজনৈতিক নেতাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দেশৰ বিভিন্ন প্ৰান্তত তেওঁৰ স্মৃতিসৌধত হাজাৰ হাজাৰ লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আম্বেদকাৰক ন্যায়বিদ, অৰ্থনীতিবিদ আৰু সমতাবাদী সমাজৰ বলিষ্ঠ সমৰ্থক বুলি অভিহিত কৰি শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ কয় যে আম্বেদকাৰে বঞ্চিত আৰু দুৰ্বল শ্ৰেণীৰ উত্থানৰ বাবে নিজৰ সম্পূৰ্ণ জীৱন উৎসৰ্গা কৰিছিল। নাৰী অধিকাৰ আৰু সামাজিক ন্যায়ৰ ক্ষেত্ৰত তেওঁৰ অৱদান অপৰিসীম। ৰাষ্ট্ৰপতিয়ে দেশবাসীক আম্বেদকাৰৰ আদৰ্শ গ্ৰহণ কৰি ন্যায়পৰায়ণ আৰু সৰ্বাংগীণ উন্নয়নৰ এখন দেশ গঢ়ি তোলাৰ বাবে আহ্বান জনায়। সংসদ চৌহদত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ নেতৃত্বত আম্বেদকাৰৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। মল্লিকাৰ্জুন খাৰ্গে, কিৰেণ ৰিজিজু, অৰ্জুন ৰাম মেঘৱাল আদি কেইবাগৰাকীও নেতাই এই অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদী আৰু খাৰ্গেয়ে আম্বেদকাৰৰ স্মৃতিত চমু বক্তব্য ৰাখে। প্ৰধানমন্ত্ৰী মোদীয়ে আম্বেদকাৰক সংকল্প আৰু সমতাৰ প্ৰতীক বুলি অভিহিত কৰি কয় যে তেওঁৰ জীৱন আৰু কৰ্মই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ন্যায়পৰায়ণ আৰু প্ৰগতিশীল সমাজ গঢ়ি তোলাৰ বাবে অনুপ্ৰেৰণা যোগাই আহিছে। তেওঁ লগতে কয় যে আম্বেদকাৰে ব্যক্তিগত গৌৰৱৰ বাবে নহয়, পিছপৰা আৰু দলিত সম্প্ৰদায়কে ধৰি সকলোৰে সমতাৰ বাবে অহোৰাত্ৰ যুঁজ দিছিল। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আম্বেদকাৰৰ জীৱনক সংগ্ৰাম আৰু সাহসৰ মহাকাব্যিক কাহিনী বুলি অভিহিত কৰে। তেওঁ কয় যে শিক্ষা আৰু দৃঢ়তাৰ জৰিয়তে আম্বেদকাৰে লাখ লাখ লোকৰ বাবে আশাৰ ৰেঙনি হৈ পৰিছিল আৰু তেওঁৰ আদৰ্শই ভাৰতৰ গণতান্ত্ৰিক যাত্ৰাক পথ প্ৰদৰ্শন কৰি আহিছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে আম্বেদকাৰক ভাৰতৰ "নৈতিক আৰু সাংবিধানিক আত্মা" বুলি অভিহিত কৰি কয় যে তেওঁ স্বাধীনতা, সমতা, ভ্ৰাতৃত্ব আৰু ন্যায়ৰ বাবে অদম্য যোদ্ধা আছিল। তেওঁ সকলোকে সাংবিধানিক মূল্যবোধ ৰক্ষা কৰাৰ আহ্বান জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে আম্বেদকাৰে ভাৰতীয় গণতন্ত্ৰৰ সুদৃঢ় ভেটি স্থাপন কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁক মহান সমাজ সংস্কাৰক আৰু দেশ নিৰ্মাতা বুলি স্মৰণ কৰে। ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমত পোষ্ট কৰি কয় যে আম্বেদকাৰে কেৱল সংবিধানেই নহয়, ন্যায়, সমতা আৰু মৰ্যাদাৰ ওপৰত প্ৰতিষ্ঠিত এখন শক্তিশালী ভাৰতৰ সপোন দিছিল। তেওঁ লগতে কয় যে কিছুমান শক্তিয়ে সংবিধান আৰু গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক দুৰ্বল কৰাৰ চেষ্টা চলাইছে আৰু তেওঁ সেইবোৰ ৰক্ষাৰ বাবে অন্তিম উশাহলৈকে যুঁজি যাব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আম্বেদকাৰক "ভাৰত মাতাৰ অমূল্য ৰত্ন" বুলি অভিহিত কৰে। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে কয় যে আম্বেদকাৰৰ সংবিধান ভাৰতৰ গণতন্ত্ৰৰ মেৰুদণ্ড। মায়াৱতীয়ে লক্ষ্ণৌত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বহুজন সমাজৰ উত্থানৰ বাবে আম্বেদকাৰৰ আজীৱন সংগ্ৰামৰ কথা স্মৰণ কৰে। তেলেংগানাৰ ৰাজ্যপাল শিৱ প্ৰতাপ শুক্লা আৰু মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডীয়েও আম্বেদকাৰলৈ শ্ৰদ্ধাঞ্জলি জনায়। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিশ আৰু ৰাজ্যপাল জিষ্ণু দেৱবৰ্মাই মুম্বাইৰ চৈত্যভূমিত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। মুম্বাইৰ চৈত্যভূমিত আম্বেদকাৰ জয়ন্তী উপলক্ষে লাখ লাখ অনুৰাগীৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। সেখানত খোৱাপানী, চিকিৎসা, অনাময় আৰু নিৰাপত্তাৰ ব্যাপক ব্যৱস্থা কৰা হৈছে। ডঃ বি আৰ আম্বেদকাৰৰ জন্ম হৈছিল ১৮৯১ চনৰ ১৪ এপ্ৰিলত। তেওঁ আছিল এগৰাকী বিশিষ্ট আইনবিদ, অৰ্থনীতিবিদ আৰু সমাজ সংস্কাৰক। স্বাধীন ভাৰতৰ প্ৰথম আইন মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা আম্বেদকাৰে সংবিধান খচৰা সমিতিৰ অধ্যক্ষ হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৯০ চনত তেওঁক ভাৰতৰত্ন বঁটা প্ৰদান কৰা হয়।

## জুবিন বিহীন প্ৰথম ব'হাগ সোণাপুৰৰ জুবিন ক্ষেত্ৰত

প্ৰথম ব'হাগ অবিহনে উদ্‌যাপন কৰিবলৈ আগবাঢ়ি অহাৰ লগে লগে সোণাপুৰৰ জুবিন ক্ষেত্ৰত আজি দেখা গ'ল আৱেগ আৰু স্মৃতিৰ অত্যন্ত হৃদয়স্পৰ্শী পৰিৱেশ। গৰু বিহুৰ দিনটোতে পত্নী গৰিমা শইকীয়া গাৰ্গে স্বামী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাই জুবিন ক্ষেত্ৰত উপস্থিত হ'ল। তেওঁৰ লগত অৰুণ গাৰ্গ আৰু কেইবাগৰাকীও ঘনিষ্ঠ শিল্পী উপস্থিত আছিল। জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত গৰিমাই এথোপা নাহৰ ফুল, দৈ-চিৰা আৰু বিভিন্ন প্ৰকাৰৰ পিঠা আগবঢ়াই মৌন প্ৰাৰ্থনা জনালে। স্বামী অবিহনে জীৱনৰ প্ৰথম ব'হাগ বিহুত পুৰণি স্মৃতি সোঁৱৰি গৰিমা আৱেগত ভাগি পৰিল আৰু কান্দোনত ভাগি গ'ল। জুবিনৰ ভগ্নী পামী বৰঠাকুৰেও ককায়েকৰ স্মৃতিত চকুলো টোকালে। তেওঁ ক'লে, "আজি যি পৰিস্থিতিৰ সন্মুখীন হৈছোঁ, তাৰ বাবে দোষীসকলক সৰ্বোচ্চ শাস্তি দিয়া হওক, সেয়াই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।" ন্যায়ালয়ৰ ওপৰত সম্পূৰ্ণ আস্থা প্ৰকাশ কৰি তেওঁ আৰু ক'লে যে দোষীয়ে যেন কোনোমতেই সাৰি নাযায়। ককায়েকৰ প্ৰিয় জলপান আগবঢ়াই তেওঁ জুবিনৰ আত্মাৰ সদগতি কামনা কৰিলে। জুবিনৰ ঘনিষ্ঠ সতীৰ্থ শিল্পীসকলেও আজিৰ দিনটোত গভীৰ শোক প্ৰকাশ কৰিলে। দীপলিনা ডেকাই ক'লে, "ইমান বছৰ ধৰি ব'হাগ আহিলে জুবিন দা থাকেই, সেয়ে কেতিয়াও এনে অনুভৱ হোৱা নাছিল। জুবিন দা বিহীন এইটো প্ৰথম ব'হাগ আমাৰ বাবে অতি কষ্টকৰ। আমি এইবাৰৰ প্ৰতিখন অনুষ্ঠান জুবিন দাৰ গীতৰ নামত উছৰ্গা কৰিম।" জুবিনৰ ভাতৃসম অৰুণ গাৰ্গে মনৰ অনুভৱ ব্যক্ত কৰি ক'লে, "দাদা নাই, মোৰ বাবে বিহুও নাই। বিহুটো আহি থাকিব, কিন্তু দাদাক আৰু কেতিয়াও ঘূৰাই নাপাওঁ। বিহুৰ দিনা দাদাই আমাক কাপোৰ কিনি দিছিল, সেই সকলো স্মৃতি আজি বহুত মনত পৰিছে।" অভিনেত্ৰী শ্যামন্তিকা শৰ্মাই ক'লে, "মনটো একেবাৰে ভাল লাগি থকা নাই। য'তেই যাওঁ, তেওঁৰ গীতবোৰ শুনি থাকোঁ। তেওঁৰ মাত শুনিলেই দুখ লাগি আহে। তেওঁ য'তেই থাকে, শান্তিত থাকক।" জুবিনৰ প্ৰতিটো অনুষ্ঠানতে বাদ্যযন্ত্ৰী হিচাপে উপস্থিত থকা ৰাজা বৰুৱাই ক'লে, "আজি আমাৰ অনুষ্ঠান আছে যদিও মনত এক নিৰাশা বিৰাজ কৰিছে। বহুত নাৰ্ভাছ হৈ আছোঁ। তেওঁক শান্তিত থাকিবলৈ দিয়ক, অযথা টনা-আঁজোৰা যাতে নহয়, সেয়াই কামনা কৰিছোঁ।" অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনুপস্থিতি এইবাৰ বিহুৰ প্ৰতিখন মঞ্চতে বাৰুকৈয়ে অনুভৱ কৰা হৈছে। গৰু বিহুৰ দিনা সোণাপুৰৰ জুবিন ক্ষেত্ৰত উপস্থিত হোৱা শ শ অনুৰাগীৰ চকুতো প্ৰিয় শিল্পীগৰাকীৰ স্মৃতিত সেমেকি উঠা দেখা গ'ল। জুবিন বিহীন প্ৰথম ব'হাগে অসমীয়া সমাজত এটা গভীৰ শূন্যতাৰ অনুভৱ জগাই তুলিছে।

## প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী বেদব্ৰত বৰুৱাৰ দেহাৱসান

অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ১৯২৮ চনৰ ১৪ জুলাইত জন্মগ্ৰহণ কৰা বেদব্ৰত বৰুৱা আছিল অসমৰ এগৰাকী বিশিষ্ট ৰাজনীতিবিদ। তেওঁ ১৯৬৭, ১৯৭১ আৰু ১৯৭৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ টিকটত অসমৰ কলিয়াবৰ লোকসভা সমষ্টিৰ পৰা সংসদৰ নিম্ন সদনলৈ নিৰ্বাচিত হৈছিল। নিজৰ ৰাজনৈতিক জীৱনত বেদব্ৰত বৰুৱাই কেন্দ্ৰীয় আইন, ন্যায় আৰু কোম্পানী পৰিক্ৰমা বিভাগৰ উপ-মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ কাৰ্যকালত তেওঁ কেন্দ্ৰীয় মন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল আৰু ৰাষ্ট্ৰীয় ৰাজনীতিত সক্ৰিয় ভূমিকা পালন কৰিছিল। বেদব্ৰত বৰুৱাৰ মৃত্যুত অসমৰ ৰাজনৈতিক মহলে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ মৃতদেহ আজি শেষকৃত্যৰ বাবে প্ৰস্তুত কৰা হৈছে।

## জজ খেলপথাৰত আছুৰ

আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ 'মায়াবিনী' গীতৰ সুৰেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। তেওঁলোকে সদৌ অসম ছাত্ৰ সন্থাৰ বিহুৰ পতাকা উত্তোলন কৰি অনুষ্ঠান আৰম্ভ কৰে। বিগত বৰ্ষৰ দৰে এইবাৰো অসমলৈ সুনাম কঢ়িয়াই অনা বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। পদ্মশ্ৰী সন্মানপ্ৰাপক পখিলা লেকথেপী, ডঃ যোগেশ দেউৰী, স্বৰ্গীয় কবীন্দ্ৰ পুৰকায়স্থৰ পৰিয়ালবৰ্গ, নুৰুদ্দিন আহমেদ, সাহিত্য অকাডেমী বঁটাপ্ৰাপক দেৱব্ৰত দাস, সাহিত্য অকাডেমী যুৱ বঁটাপ্ৰাপক সুপ্ৰকাশ ভূঞা, অমৰ খুংগুৰ বড়ো, সাহিত্য অকাডেমী শিশু সাহিত্য বঁটাপ্ৰাপক সুৰেন্দ্ৰ মোহন দাস, বিনয় কুমাৰ ব্ৰহ্ম, স্বৰ্ণ কমল বঁটাপ্ৰাপক উৎপল দত্ত, ৰজত কমল বঁটাপ্ৰাপক প্ৰবাল খাউণ্ড, আদিত্যম শইকীয়া, শিল্পীকা বৰদলৈ, নৱ কুমাৰ ভূঞা, বিশিষ্ট সংগীত শিল্পী জে পি দাস আৰু আন্তৰ্জাতিক ভলীবল খেলুৱৈ অভিজিৎ ভট্টাচাৰ্যক সম্বৰ্ধনা জনোৱা হয়। আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ভাষণ প্ৰসংগত কয়, "এই বছৰটো এনেকুৱা এটা বছৰ য'ত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আমাৰ মাজত নাই। আনহাতে এই বৰ্ষ সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ। ভূপেন দাই আমাক জাতীয় জীৱন শক্তিশালীভাৱে আগুৱাই নিয়াৰ পথ দেখুৱাই থৈ গৈছে। আনফালে জুবিন গাৰ্গে কৈ থৈ গৈছে 'শ্ব মাষ্ট গ' অন' অৰ্থাৎ আমাৰ যাত্ৰা অব্যাহত ৰাখিব লাগিব।" আছু সভাপতি উৎপল শৰ্মাই ভাষণত কয়, "ইউনেস্ক'ৰ দ্বাৰা যাতে বিহুৱে স্বীকৃতি লাভ কৰে তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এটা ৰাতিৰ ভিতৰতে যিটো জাতিয়ে গড় বান্ধি মোগলক পৰাস্ত কৰিব পাৰে, সেই জাতি কেনেকৈ এলেহুৱা হ'ব পাৰে? যিটো জাতিয়ে বনৰীয়া হাতীক বশ কৰি পোহনীয়া কৰিব পাৰে, সেই জাতিটো কেনেকৈ এলেহুৱা হ'ব পাৰে? কোনে কয় অসমীয়া জাতি এলেহুৱা বুলি?" তেওঁ লগতে কয়, "কোনে কয় অসমীয়াই বেপাৰ কৰিব নাজানে বুলি? আমাৰ পুৰোধা ব্যক্তি অম্বিকাগিৰী ৰায়চৌধুৰীয়ে পথাৰ-বজাৰ দখলৰ নিদৰ্শন দি গৈছে। স্বাধীনতাৰ পূৰ্বে বহিঃৰাজ্যত কাঠৰ ব্যৱসায় কৰি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই দেখুৱাই গৈছে। তাৰ পিছতো আমি কওঁ অসমীয়াই ব্যৱসায় কৰিব নাজানে বুলি। আজি সেই ধাৰণা সলনি কৰিব লাগিব। যুৱ প্ৰজন্ম এই ক্ষেত্ৰত আগবাঢ়ি আহক।" জজ খেলপথাৰত আছুৰ এই মুকলি বিহুৱে অসমীয়া যুৱ সমাজৰ মাজত বিহুৰ পৰম্পৰা জীয়াই ৰখাৰ লগতে জাতীয় চেতনা জাগ্ৰত কৰাৰ এক সুন্দৰ প্ৰয়াস হিচাপে পৰিগণিত হৈছে।

## ট্ৰাম্প-মোদীৰ প্ৰায় ৪০

হৈছে। দুই ৰাষ্ট্ৰনেতাই দ্বিপাক্ষিক সম্পৰ্ক অধিক মজবুত কৰাৰ লগতে পশ্চিম এচিয়াৰ বৰ্তমানৰ যুদ্ধ পৰিস্থিতিৰ বিষয়ে বিস্তৃত আলোচনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ এক্স (পূৰ্বৰ টুইটাৰ) একাউণ্টত এই বাৰ্তালাপৰ বিষয়ে জানিব দিয়ে। তেওঁ লিখে যে দুই দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ বাবে দুইজনে গুৰুত্বপূৰ্ণ আলোচনা কৰিছে। বাৰ্তালাপত দুই ৰাষ্ট্ৰনেতাই পশ্চিম এচিয়াৰ বৰ্তমানৰ উত্তপ্ত যুদ্ধ পৰিস্থিতিৰ বিষয়ে বিশেষ আলোচনা কৰে। শেহতীয়াকৈ হৰমুজ প্ৰণালীক লৈ হোৱা বিবাদ আৰু উত্তেজনাৰ বিষয়েও দুইজনে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে হৰমুজ প্ৰণালীক মুক্ত আৰু সুৰক্ষিত ৰখাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বিশ্ব অৰ্থনীতিৰ বাবে অতি গুৰুত্বপূৰ্ণ এই জলপথটোক সকলো প্ৰকাৰৰ বিপদৰ পৰা মুক্ত ৰাখিব লাগিব আৰু ইয়াৰ সুৰক্ষা নিশ্চিত কৰাটো আন্তৰ্জাতিক সম্প্ৰদায়ৰ সাধাৰণ দায়িত্ব। দুই নেতাই দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক উন্নত কৰাৰ লগতে বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষা আৰু জ্বালানী সহযোগিতাৰ দৰে বিভিন্ন ক্ষেত্ৰত ভৱিষ্যতৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰা বুলি জানিব পৰা গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে এ'ত পোষ্ট কৰি লিখে, "আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে প্ৰায় ৪০ মিনিট ধৰি ফোনযোগে বাৰ্তালাপ হ'ল। দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক শক্তিশালী কৰাৰ লগতে পশ্চিম এচিয়াৰ পৰিস্থিতিৰ বিষয়ে বিস্তৃত আলোচনা কৰিলোঁ।" এই বাৰ্তালাপে ভাৰত-আমেৰিকাৰ মাজত থকা কৌশলগত অংশীদাৰিত্বক আৰু অধিক মজবুত কৰাৰ দিশত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

## আজি বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত

নিৰ্বাচিত কৰা হৈছে। ফলত তেওঁ বিহাৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিব। বুধবাৰে অনুষ্ঠিত হ'বলগীয়া শপত গ্ৰহণ অনুষ্ঠানত বিধানসভাৰ সকলো নেতাই অংশগ্ৰহণ কৰিব। বিহাৰত বিজেপিৰ দীৰ্ঘদিনীয়া সপোন অৱশেষত বাস্তৱত ৰূপায়িত হ'বলৈ ধৰিছে। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিজেপিৰ কাৰ্যালয়ত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি বৈঠকত অংশগ্ৰহণ কৰে। বিজেপিৰ সাধাৰণ সম্পাদক বি এল সন্তোষেও বৈঠকৰ পূৰ্বে ৰাজ্যিক কাৰ্যালয়ত উপস্থিত হৈছিল। বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত বিধায়ক আৰু এমএলচিসকলক আমন্ত্ৰণ জনাই বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে সম্ৰাট চৌধৰীক বিহাৰ বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয় আৰু তেওঁক মুখ্যমন্ত্ৰী পদৰ বাবে চূড়ান্ত কৰা হয়। বিজেপি কৰ্মী ৰাহুল সিঙে এই সন্দৰ্ভত কয়, "বহুদিনৰ মূৰত বিহাৰত বিজেপিৰ সপোন বাস্তৱায়িত হ'বলৈ ওলাইছে। এজন দলীয় কৰ্মী মুখ্যমন্ত্ৰী হ'বলৈ গৈ আছে। এয়া আমাৰ বাবে অতি আনন্দৰ বিষয়। বিধায়িনী দলৰ বৈঠকত চূড়ান্ত সিদ্ধান্ত লোৱা হৈছে।" নীতিশ কুমাৰৰ পদত্যাগৰ লগে লগে বিহাৰৰ ৰাজনীতিত ২০ বছৰীয়া নীতিশ যুগৰ অন্ত পৰিল। সম্ৰাট চৌধৰীৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ পথ সুগম হৈছে আৰু বুধবাৰে শপত গ্ৰহণ অনুষ্ঠানৰ জৰিয়তে নতুন অধ্যায়ৰ আৰম্ভ হ'ব।

## হৰমুজ প্ৰণালীত আমেৰিকাৰ

তেওঁ কয় যে ইৰানৰ সৈতে শান্তি চুক্তিৰ বাবে অনুষ্ঠিত বৈঠকত কোনো সমাধান ওলোৱা নাই বাবেই এই কঠোৰ পদক্ষেপ ল'বলগীয়া হৈছে। খবৰ অনুসৰি, হৰমুজ প্ৰণালী আৰু তাৰ আশে-পাশে থকা ইৰানী বন্দৰ আৰু উপকূলীয় অঞ্চলত আমেৰিকাই ১৫খনতকৈও অধিক যুদ্ধ জাহাজ মোতায়েন কৰিছে। ভাৰতীয় সময় অনুসৰি সোমবাৰ সন্ধিয়া ৭: ৩০ বজাৰ পৰা এই অৱৰোধ কাৰ্যকৰী হৈছে। আমেৰিকাৰ যুদ্ধ বিমানসমূহেও হৰমুজ প্ৰণালীত তীক্ষ্ণ দৃষ্টি ৰাখিছে। ট্ৰাম্পে ছ'চিয়েল মিডিয়াতো ইৰানৰ জাহাজ উৰুৱাই দিয়াৰ ভাবুকি দিছে। অৱশ্যে ইৰানৰ বাহিৰে আন দেশৰ জাহাজক আমেৰিকাই বাধা নিদিব বুলি জানিব পৰা গৈছে। ইয়াৰ আগতে ইৰান আৰু আমেৰিকাৰ মাজত ৪০ দিন ধৰি চলি থকা সংঘাতৰ মাজতে আমেৰিকাই দুসপ্তাহৰ বাবে যুদ্ধবিৰতি ঘোষণা কৰিছিল। শেহতীয়াকৈ ইছলামবাদত দুই দেশৰ মাজত প্ৰথমবাৰৰ বাবে শান্তি চুক্তিৰ বৈঠক অনুষ্ঠিত হয়। কিন্তু ২১ ঘণ্টা ধৰি চলা এই বৈঠকত কোনো সমাধান সূত্ৰ ওলোৱা নাই। আমেৰিকাৰ দাবী যে ইৰানে চুক্তি মানি ল'বলৈ বিচৰা নাছিল। বিপৰীতে ইৰানে কয় যে আমেৰিকাই অযুক্তিকৰ দাবী আগবঢ়াইছে। বৈঠক ব্যৰ্থ হোৱাৰ পিছতে ট্ৰাম্প ক্ষুব্ধ হৈ হৰমুজ প্ৰণালী অৱৰোধৰ সিদ্ধান্ত লয়। বিশ্ব অৰ্থনীতিৰ বাবে গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালীত এই অৱৰোধে আন্তৰ্জাতিক পৰ্যায়ত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। বিশেষকৈ তেলৰ পৰিবহণৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব বুলি আশংকা কৰা হৈছে।

## আজি জুবিন বিহীন প্ৰথমটো ৰঙালী; নাই উচাহ

আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ মাজত আনন্দ বটোৱা হয়। অসমীয়া সংস্কৃতিৰ এই পৰম্পৰাত মানুহৰ বিহুৱে পৰিয়ালৰ মাজত সম্প্ৰীতি আৰু শ্ৰদ্ধাৰ বন্ধন দৃঢ় কৰে। উজনি-নামনি সকলোতে আজি ৰঙালীৰ ৰঙে ৰাজ্যখনক ৰঙীন কৰি তুলিছে। ডেকা-গাভৰুৰ মাজতো বিহুৰ উছাহ-উদ্দীপনা দেখা গৈছে। ব'হাগ বিহুৰ সাত দিনীয়া উৎসৱত মানুহ বিহুৱে বিশেষ তাৎপৰ্য বহন কৰে। এই দিনটোত নতুন বছৰৰ আৰম্ভণি হিচাপে অসমীয়া সমাজে একেলগে আনন্দ উদযাপন কৰে আৰু জ্যেষ্ঠজনক সন্মান জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মানুহ বিহুৰ পৰম্পৰা অনুসৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰা হৈছে। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ এই দিনটোৱে সকলোৰে মনত নতুন উদ্যম আৰু আশাৰ সঞ্চাৰ কৰিছে।

## 'হেল্পিং হেণ্ড ট্ৰাষ্ট'ৰ 'কেৰিয়াৰ গাইড বুক' উন্মোচন

**অসম বাৰ্তা, লীলাবাৰী, ১৪ এপ্ৰিল ঃ** 'বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগত একো একোখন নিৰ্দ্দেশিকা পুথিয়ে শিক্ষাৰ্থীসকলক বিভ্ৰান্তিৰ পৰা আঁতৰাই ৰখাত বিশেষ সহায় কৰে।'-এই মন্তব্য ড° দীপাৱলী কুৰ্মিৰ। 'হেল্পিং হেণ্ড ট্ৰাষ্ট'ৰ (Helping Hand Trust) উদ্যোগত ১৩ এপ্ৰিলত অনলাইন যোগে (Google Meet) ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াৰ লক্ষ্যৰে প্ৰস্তুত কৰা 'কেৰিয়াৰ গাইড বুক' নামৰ এখনি বিশেষ পুথিখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। যোৰহাট জিলাৰ মৰিয়নী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° দীপাৱলী কুৰ্মিয়ে পুথিখন উন্মোচন কৰি ছাত্ৰ-ছাত্ৰীসকলক সঠিক দিশ নিৰ্ণয়ত সহায় কৰিব পৰা ইতিবাচক পদক্ষেপৰ শলাগ লয়। অনলাইন যোগে অনুষ্ঠিত সভাখনত ট্ৰাষ্টৰ সকলো সদস্যই অংশগ্ৰহণ কৰে। হেল্পিং হেণ্ড ট্ৰাষ্টৰ মিডিয়া ইনচাৰ্জ ৰিংকু ৰাজোৱাৰ আৰু দিব্যজ্যোতি তাঁতীয়ে অনুষ্ঠানটি পৰিচালনা কৰে। সংবাদ মাধ্যমৰ আগত ৰিংকু ৰাজোৱাৰে জানিবলৈ দিয়ে যে এই পুথিখন আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰদান কৰাৰ সমান্তৰালকৈ আধুনিক প্ৰযুক্তিৰ সহায় লৈ সমগ্ৰ পুথিখনক এটা কিউ আৰ কোড (QR Code) লৈ ৰূপান্তৰ কৰা হৈছে। যাৰ ফলত শিক্ষাৰ্থীসকলে গুগল লেন্সৰ (Google Lens) সহায়ত স্কেন কৰি হাৰ্ডকপি অবিহনে অনলাইন যোগে সকলো তথ্য সহজে চাব পাৰিব। উল্লেখযোগ্য যে, কেৰিয়াৰ হাতপুথিখন দশম আৰু দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মনত সৃষ্টি হোৱা বিভ্ৰান্তি দূৰ কৰাই এই গ্ৰন্থখনৰ মূল লক্ষ্য। বিজ্ঞান, বাণিজ্য, কলা আৰু বৃত্তিমুখী শিক্ষাৰ (Vocational) লগতে পেছাদাৰী পাঠ্যক্ৰম, প্ৰতিযোগিতামূলক পৰীক্ষা আৰু দক্ষতা-ভিত্তিক কেৰিয়াৰ সন্দৰ্ভত পুথিখনত সবিস্তাৰে উল্লেখ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকল যাতে কেৱল নম্বৰৰ পাছত নদৌৰি নিজৰ আগ্ৰহ আৰু দক্ষতা অনুযায়ী ভৱিষ্যত গঢ়িব পাৰে, সেই উদ্দেশ্যেৰে এই গাইড বুকখন প্ৰস্তুত কৰা হৈছে।

### অবৈধ বালি খননৰ ফলত সৃষ্টি হোৱা গাতত পৰি মৃত্যুৰ সন্দেহ; উত্তাল প্ৰতিবাদ

## কৃষ্ণাই নদীত শোকাৱহ ঘটনা; গৰু বিহুৰ আনন্দৰ মাজতে সলিল সমাধি দুই যমজ ভাতৃৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, গোৱালপাৰা সদৰ, ১৪ এপ্ৰিল ঃ** ৰাজ্যজুৰি হেঁপাহৰ ৰঙালী বিহুৰ উচাহ চলি থকাৰ মাজতে গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ টেঙাবাৰীত এক চৰম শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। গৰু বিহুৰ দিনাই কৃষ্ণাই নদীত গৰু ধুৱাবলৈ গৈ নদীত উটি যোৱা দুই যমজ ভাতৃৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। মৃত কিশোৰ দুজন নৱম শ্ৰেণীৰ ছাত্ৰ দীপাংকৰ নাথ আৰু দেৱাশিস নাথ বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত খবৰ অনুসৰি, আজি পুৱা পৰম্পৰা অনুসৰি দুই ভাতৃয়ে কৃষ্ণাই নদীত গৰু ধুৱাবলৈ গৈছিল। কিন্তু গৰু ধুৱাই থকা অৱস্থাতে হঠাতে নদীৰ গভীৰ বুকুত দুই ভাতৃ নিখোজ হৈ পৰে। স্থানীয় ৰাইজ আৰু উদ্ধাৰকাৰী বাহিনীৰ তৎপৰতাত পৰৱৰ্তী সময়ত দুয়োৰে নিথৰ দেহ উদ্ধাৰ কৰা হয়। বিহুৰ আনন্দৰ মাজতে এনেদৰে একেলগে ঘৰৰ দুই সন্তানক হেৰুৱাই পৰিয়ালটো এতিয়া ম্ৰিয়মাণ হৈ পৰাৰ লগতে অঞ্চলজুৰি শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। এই শোকাৱহ মৃত্যুৰ পাছতে কৃষ্ণাইত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ গুৰুতৰ অভিযোগ যে কৃষ্ণাই নদীত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ বালি খননৰ ফলতেই নদীৰ বুকুত ঠায়ে ঠায়ে বিপদজনক আৰু গভীৰ গাতৰ সৃষ্টি হৈছে। দুই ভাতৃ তেনে কোনো বালি মাফিয়াই সৃষ্টি কৰা গাতত সোমাই পৰাৰ ফলতে এই অকাল মৃত্যু সাৱটি ল'বলগীয়া হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে সচেতন মহলে। ঘটনাৰ পাছতে অঞ্চলটোৰ শ শ লোকে নদীৰ পাৰত একত্ৰিত হৈ অবৈধ বালি সৰবৰাহকাৰীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা মতে, প্ৰশাসনৰ চকুৰ আগতে একাংশ বালি মাফিয়াই নদীখনৰ বুকু উদং কৰি আহিছে, যাৰ পৰিণতিত আজি দুটা কুমলীয়া প্ৰাণ হেৰুৱাব লগীয়া হ'ল। প্ৰতিবাদকাৰী ৰাইজে কৃষ্ণাই নদীত অস্থায়ী বালিৰ ঘাট সমূহ ভাঙিচিঙি লণ্ডভণ্ড কৰে। জিলা আৰক্ষীৰ শীৰ্ষ বিষয়া সকলৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণ কৰা হয়। ৰাইজে এই ঘটনাৰ উচিত তদন্ত বিচাৰি আৰু অবৈধ বালি খনন কাৰ্য অতি শীঘ্ৰে বন্ধ কৰাৰ দাবী জনাই প্ৰশাসনক এক কঠোৰ সকীয়নী প্ৰদান কৰিছে। বৰ্তমান আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে যদিও অঞ্চলটোত এতিয়াও উত্তেজনা অব্যাহত আছে।

## ৰূপাই জাতীয় বিদ্যালয়ৰ সফলতাৰ ধাৰা অব্যাহত; উত্তীৰ্ণ হাৰ ৯২.৪৫ শতাংশ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৪ এপ্ৰিল ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (এ এছ এছ ই বি)-এ অলপতে ঘোষণা কৰা ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ মাতৃভাষা মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰূপাই জাতীয় বিদ্যালয়ে বিগত বৰ্ষৰ দৰে এইবাৰো সফলতাৰ ধাৰা অব্যাহত ৰাখিছে। বিদ্যালয়খনৰ এইবাৰ মুঠ ৫৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪৯ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'য়, য'ত শতকৰা উত্তীৰ্ণ হাৰ হৈছে ৯২.৪৫ শতাংশ। বিদ্যালয়খনৰ বিনয় ভাওৱালে শতকৰা ৯০.০৫ শতাংশ নম্বৰেৰে ডিষ্টিংচন পাবলৈ সক্ষম হয়। এইবাৰ ২৮ গৰাকী পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত উৰ্ত্তীণ হোৱাৰ বিপৰীতে দ্বিতীয় বিভাগত ১৬ গৰাকী আৰু তৃতীয় বিভাগত ৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। দুগৰাকীয়ে কম্পাৰ্টমেণ্টেলৰ সুবিধা লাভ কৰাৰ বিপৰীতে দুগৰাকী পৰীক্ষাৰ্থী অনুত্তীৰ্ণ হয়। সৰ্বমুঠ লেটাৰৰ সংখ্যা হৈছে ৩৫। বিদ্যালয়খনৰ এনে ধাৰাবাহিক সফলতাত ৰূপাই-ডুমডুমা অঞ্চলৰ ৰাইজৰ লগতে শৈক্ষিক মহলে সন্তুষ্টি ব্যক্ত কৰিছে।

# বিহুৰ সময়, খিতাপ ইত্যাদি

জড়িত মানুহখিনিয়ে যেতিয়া এই উৎসৱৰ আয়োজন কৰিছিল, তেতিয়া ব'হাগৰ সাত দিনমানলৈকে এই উৎসৱ উদ্‌যাপিত হৈছিল। তাৰ পাছত তেওঁলোক খেতি-খোলাত ব্যস্ত হৈছিল। হয়, এটা সময়ত কৃষিয়েই আছিল অসমীয়া মানুহৰ প্ৰধান জীৱন-জীৱিকা। কৃষিকৰ্মৰে জড়িত সমাজৰ সকলো শ্ৰেণীৰ লোক জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এই উৎসৱৰে জড়িত হৈ পৰিছিল। মুষ্টিমেয় এক শ্ৰেণীৰ লোক অন্য জীৱিকাৰে জড়িত আছিল যদিও কালক্ৰমত তেওঁলোকেও বিহুক আদৰি ল'লে, বিহু উমৈহতীয়া উৎসৱত পৰিণত হ'ল। ফলত বিহুৰ পৰিসৰ বৃদ্ধি হ'ল। বিহু সন্মিলনৰ সংখ্যাও বৃদ্ধি হ'ল। অত্যুৎসাহী উদ্যোক্তাৰ হাতত পৰি জেঠ-আহাৰ মাহতো বিহু সন্মিলন অনুষ্ঠিত হ'বলৈ ধৰিলে। বহুতেই পাহৰি গ'ল, প্ৰকৃতিৰ লগত একাত্ম হৈ ৰঙালী বিহু পতাৰ কথা। অৰ্থাৎ ৰঙালী বিহুৰ সময় হ'ল বসন্ত কাল (চ'ত-ব'হাগ)। শেহতীয়াকৈ, দুই-তিনি বছৰ ধৰি বিহু সন্মিলনবোৰলৈ চৰকাৰী পৃষ্ঠপোষকতা আগবঢ়াই অহা হৈছে। পৃষ্ঠপোষকতা আগবঢ়াই ৭ ব'হাগৰ ভিতৰত বিহুৰ সামৰণি পৰিব লাগিব বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজহুৱাভাৱে ঘোষণা কৰা শুনা গৈছিল।

বিহুৱে পোনপ্ৰথম ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছিল আহোম ৰাজত্বকালত। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত ৰংপুৰৰ বাকৰিত সমূহীয়াভাৱে এই উৎসৱৰ আয়োজন কৰা হৈছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ঢুলীয়া-নাচনীয়ে ইয়াত অংশগ্ৰহণ কৰিছিল। তদুপৰি বিভিন্ন খেল-ধেমালি আৰু জীৱ-জন্তুৰ যুঁজো প্ৰদৰ্শিত হৈছিল। পৰৱৰ্তী কালত প্ৰমত্ত সিংহৰ দিনত 'ৰংঘৰ' নিৰ্মাণ হৈ উঠাত ৰংঘৰৰ বাকৰিত বিহুৰ আয়োজন চলিছিল। সেই পৰম্পৰা আজিও বৰ্তি আছে।

বিহু বুলিলে যিটো ৰূপ চকুত পৰে, অতীজতে বিহু সেই ৰূপত নাছিল। চ'তৰ বিহু-গাভৰু বিহু-ডেকা বিহুৰ পৰা ডেকা-গাভৰুৰ বিহুলৈ, বিহুৰ ভালেখিনি পৰিবৰ্তন হ'ল। এতিয়াও বয়সস্থসকলৰ মুখত শুনিবলৈ পাওঁ 'চ'তৰ বিহু'ৰ কথা। চ'তৰ বিহু ৰাতি হৈছিল, গছৰ তলত। গাভৰুৱে সুকীয়াকৈ বিহু মাৰিছিল। পুৰুষে সেই বিহু চোৱা নিষেধ আছিল। সেইদৰে পুৰুষেও সুকীয়াকৈ বিহু মাৰিছিল। লাহে-লাহে বিহু মানুহৰ ঘৰ-চোতাল পালেহি। গাভৰুসকলে কাৰোবাৰ ঘৰৰ বন্ধ কোঠাত বিহু মাৰিছিল। সেইদৰে পুৰুষে কাৰোবাৰ চোতালত বিহু মাৰিছিল। যুগৰ পৰিৱৰ্তনৰ লগে লগে ডেকা-গাভৰুৱে লাহে-লাহে একেলগে বিহু মাৰিবলৈ ল'লে মুকলি পথাৰত। মুকলি পথাৰত মুকলি মনেৰে পতা সেই বিহুৱেই হ'ল মুকলি বিহু। চ'ত মাহত নিশা পতা বিহুৰ পৰিবৰ্তে ব'হাগ মাহত দিনৰ ভাগত বিহু পাতিবলৈ লোৱা হ'ল। পথাৰৰ সেই বিহুকো মঞ্চলৈ আদৰি অনাৰ প্ৰস্তুতি চলিল। ১৯৩৪ চনত গোলাঘাটত প্ৰথমখন মঞ্চ বিহুৰ আয়োজন হৈছিল বুলি এক তথ্যই কয়। ১৯৫২ চনত ৰাধাগোবিন্দ বৰুৱা, ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু উজান বজাৰৰ একাংশ লোকৰ প্ৰচেষ্টাত গুৱাহাটীৰ লতাশিল খেলপথাৰত মঞ্চ সাজি বিহুৰ দৰে লোক-কৃষ্টিক মান্যতা প্ৰদান কৰা হ'ল, নগৰীয়া সমাজৰ বাবেও বিহুৰ গ্ৰহণযোগ্যতা প্ৰতিপন্ন হ'ল। অসমত এতিয়া মঞ্চ বিহুৰ সংখ্যাই অধিক। মুকলি বিহুৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰি। জামুগুৰিহাট, চতিয়া, বিশ্বনাথ চাৰিআলি, ঢকুৱাখনা আদিকে ধৰি কেইখনমান ঠাইতহে মুকলি বিহু পতা হয়। অসমৰ অন্যান্য ঠাইত মঞ্চ বিহুৰ পয়োভৰ বেছি। গুৱাহাটীত লতাশিলকে ধৰি ভালেকেইখন মঞ্চ বিহু অনুষ্ঠিত হয়।

যোৱা বৰ্ষৰ ১৯ এপ্ৰিলত দুখনমান কাকতৰ প্ৰথম পৃষ্ঠাত পঢ়িবলৈ পাইছিলোঁ 'ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীঃ মৰাণৰ লিজামণি শেনচোৱালৈ বিহু সম্ৰাজ্ঞীৰ খিতাপ' শীৰ্ষক বাতৰিটো। বাতৰি অনুযায়ী সমিতিখনে বিহু সম্ৰাজ্ঞীৰ লগতে বিহুৰাণী, বিহু কুঁৱৰী আদি খিতাপ দখল কৰাসকলকো পুৰস্কৃত কৰে। গুৱাহাটী বিহু সন্মিলনীলৈ ধন্যবাদ জনায়ো এই কথা ক'ব লাগিব যে বিহুৰ ক্ষেত্ৰত এই শব্দবোৰৰ প্ৰয়োগ সঠিক হোৱা নাই। চহা জনসাধাৰণৰ দ্বাৰা উদ্ভাৱিত বিহুৱে এসময়ত ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছিল বুলিয়েই বিহুৰ লগত এই শব্দবোৰ সাঙুৰি দিয়া উচিত হৈছে জানো? 'বিহুৱা'-'বিহুৱতী'ৰ দৰে শ্ৰুতিমধুৰ আৰু ভাষাৰ কালিকা লুকাই থকা শব্দবোৰ ক'ত হেৰাল? বিহুনাচ-বিহুনামত সমানে যি পাৰ্গত তেওঁকেই কোৱা হয় 'বিহুৱতী', পুৰুষৰ ক্ষেত্ৰত 'বিহুৱা'। সেয়ে বিহু কুঁৱৰীৰ পৰিবৰ্তে বিহুৱতী, বিহু সম্ৰাজ্ঞীৰ পৰিবৰ্তে বৰ বিহুৱতী আদি শব্দৰ ব্যৱহাৰ হোৱা উচিত। কেৱল গুৱাহাটী বিহু সন্মিলনীয়েহে যে এনে খিতাপ দি আহিছে তেনে নহয়; অসমৰ বিভিন্ন ঠাইত হোৱা বহু বিহু প্ৰতিযোগিতাত তেনে খিতাপেই দিয়া চকুত পৰে। বিহুৱা-বিহুৱতীৰ দৰে শব্দৰ প্ৰয়োগ খুব কমসংখ্যকেহে কৰা দেখা গৈছে। আৰু এটা কথা, বিহুনাচ যৌৱনৰ প্ৰকাশ, অৰ্থাৎ ই ডেকা-গাভৰুৰহে নাচ। কিন্তু বিহুক যিহেতু প্ৰতিযোগিতাৰ মাজলৈ অনা হৈছে, সেয়ে কিশোৰীসকলক ভৱিষ্যতে ভাল বিহুৱতী হিচাপে গঢ়ি তোলাৰ প্ৰয়াসেৰে 'মৌ কুঁৱৰী' প্ৰতিযোগিতা পাতিবলৈ লোৱা হৈছে। এই প্ৰয়াস প্ৰশংসনীয় হ'লেও শব্দৰ ব্যৱহাৰ সঠিক হোৱা নাই। মৌ কুঁৱৰীৰ ঠাইত সৰু বিহুৱতী বা মৌ বিহুৱতী শব্দৰ প্ৰয়োগহে যথাযথ হ'ব।

অসমৰ ঠায়ে-ঠায়ে কোনো কোনো লোকে 'ব'হাগী বিদায়' নামৰ এটা অনুষ্ঠান পালন কৰে। সেইসকলে হয়তো পাহৰি যায় ব'হাগ যে আমাৰ বাবে, জাতিটোৰ বাবে সাহ-পিত। সেই সাহ-পিতক আমি আৱাহনহে কৰো, বিদায় নিদিওঁ। ড° ভূপেন হাজৰিকাৰ গীতৰ ভাষাৰে -'ব'হাগ মাথোঁ এটি ঋতু নহয়/ নহয় ব'হাগ এটি মাহ/ অসমীয়া জাতিৰ ই আয়ুসৰেখা/ গণ জীৱনৰ ই সাহ।' কাজেই এনে অনুষ্ঠানৰ প্ৰচলন বন্ধ হোৱা উচিত বুলি ভাবো। বিহু সন্মিলনবোৰত শ্ৰুতিকটুভাৱে শুনিবলৈ পোৱা যায় 'কাইলৈ', 'কালি'ৰ উচ্চাৰণ (কথাটো অৱশ্যে অন্যান্য অনুষ্ঠানৰ ক্ষেত্ৰতো প্ৰযোজ্য)। কাইলৈ - কালিৰ প্ৰয়োগ যে শুদ্ধ নহয় সেই কথা ঘোষকে হয়তো পাহৰি যায়। যিটো দিন পাৰ হৈ গ'ল, সেইটোৱেই হ'ল 'কালি' আৰু যিটো দিন আহিব সেইটো হ'ব 'কালিলৈ' বা 'কাইলৈ'। সেয়ে ঘোষণাবোৰো তেনেধৰণে হোৱা উচিত।

মুক্ত অৰ্থনীতি আৰু বিশ্বায়নৰ প্ৰভাৱ এতিয়া সৰ্বত্ৰ। সেই সুযোগ গ্ৰহণ কৰি বহুজাতিক কোম্পানীবোৰ আহিছে জনগণক ভোগবাদী মন্ত্ৰৰে দীক্ষিত কৰিবলৈ। প্ৰচাৰ মাধ্যমৰ জৰিয়তে মানুহৰ ৰুচিৰ পৰিবৰ্তন ঘটোৱাৰ কৌশলী প্ৰচেষ্টা চলাই গৈছে তেওঁলোকে। ভোগসৰ্বচ্চ নৃত্য-গীতৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হৈছে। বিহুৰ দৰে লোক-উৎসৱক পণ্যত পৰিণত কৰিব খোজা হৈছে। সেয়ে সময় থাকোঁতেই তেনে প্ৰত্যাহ্বান ৰোধ কৰিব নোৱাৰিলে আৰু নিজে সৃষ্টি কৰা সমস্যাৰ কথা অনুধাৱন কৰিব নোৱাৰিলে বিহুৰ স্বকীয়তা বজাই ৰখাই টান হ'ব। আমাৰ পৰিচয়ো যে বিপন্ন হ'ব সি ধ্ৰুৱপ। বিহুনামত কৈছে -

"বিহুটি আদৰৰ বিহুটি সাদৰৰ/ বিহুটি আঁচলৰ ধন, /
এইহেন বিহুটি এৰিলে ৰাইজ ঐ /নাথাকে অসমৰ মান।"

# বিহুৰ কৰ্মশালা আৰু প্ৰাসংগিক চিন্তা

ছাগলী উমলি এক নৈসৰ্গিক দৃশ্য সৃষ্টি কৰিছে।চকু শাত পৰিব পৰাকৈ প্ৰকৃতিয়ে নিজক সজাইছে। একে সময়তে বাপতি সাহোন ৰঙালী বিহুৰ বাবে ঢুলীয়া নাচনীয়ে কঁকালত টঙালী বান্ধিছে। পথাৰৰ বিহু আজি মঞ্চত উঠিল। প্ৰতীকধৰ্মী পথাৰ সৃষ্টিৰে মুকলি মঞ্চতো বিহু নাচ, হুচৰি, জেং বিহু আদি প্ৰদৰ্শন কৰা হৈ আহিছে। চ'ত মাহৰ আৰম্ভণিৰ পৰাই আজিকালি অসমৰ চৌদিশে বিহু নাচ, বিহু ঢোল বাদন আদিৰ কৰ্মশালা পাতি নৱপ্ৰজন্মক উদ্বোদ্ধ কৰা কাৰ্য্যসূচীও বিভিন্ন দল সংগঠনে কাৰ্যসূচী হাতত লৈ আদৰৰ বিহুটিক সৰ্বত্ৰে জনপ্ৰিয় কৰাৰ বাবে প্ৰশিক্ষণ দি আহিছে। আমিও বিগত কেইবছৰমানৰ পৰা তেনেধৰণৰ কৰ্মশালা কেইটিমানৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হোৱাৰ সুযোগ পাই আহিছোঁ।

সেয়েহে মনলৈ অহা কিছু প্ৰশ্নৰ অৱতাৰণা কৰিব বিচাৰিছোঁ। অসমৰ ইমুৰৰ পৰা সীমুৰলৈ চলি থকা কৰ্মশালাবোৰত নতুন প্ৰজন্ম যে উপকৃত হৈছে তাত কোনো দ্বিমত নাই। প্ৰশিক্ষক সকলে অতি কম সময়ৰ ভিতৰত বিহুনাচ, ঢোল বাদন, পেপা বাদন, গগণা বাদন আদিৰ প্ৰশিক্ষণ দি একো একোটি অনুষ্ঠান পৰিৱেশন কৰিব পৰাকৈ শিক্ষাৰ্থীসকলক সাজু কৰা দেখা যায়। পোন্ধৰ দিন, এঘাৰ দিন, পাঁচ দিন বা তিনিদিনীয়াকৈ হ'লেও অসমৰ বিভিন্ন প্ৰান্তত এনে কৰ্মশালা চলি থকা আমি দেখিছোঁ। উদ্যোক্তা সমিতিয়ে সেই অঞ্চলৰ কণ কণ মইনাহ'তৰ পৰা আৰম্ভ কৰি যুৱচাম আৰু মহিলা সকলকো সাঙুৰি বিহুৰ লগতে বিভিন্ন লোক কৃষ্টিৰ প্ৰশিক্ষণ দি আহিছে। চৰকাৰেও বিহুক বিশ্বসভাত স্থান দিয়া আৰু বিশেষ মৰ্য্যদা প্ৰদান কৰাৰ উদ্দেশ্যে উল্লেখযোগ্য পদক্ষেপ লৈ গিনিজ বুক অৱ ওৱৰ্ল্ড ৰেকৰ্ডত বিহুক সন্নিবিষ্ট কৰা বিশেষ কৰ্য্য সৰ্বজনবিদিত। এনেবোৰ পদক্ষেপে আমাৰ বিহুটিক সকলো স্তৰৰ লোকে চৰ্চা কৰাৰ সুযোগ আৰু সুবিধা প্ৰদান কৰি আহিছে।

আমাৰ মনত উদয় হোৱা প্ৰশ্নবোৰৰ ভিতৰত কেইটিমান প্ৰশ্ন এনে ধৰণৰ - আমি জানো যে বিহু নাচ পৰম্পৰাগতভাৱে চলি অহা নাচ, ৰিঙা ৰিঙা মনক সজীৱ কৰিব পৰাকৈ এই নাচ বা বিহুনামৰ নিজা বৈশিষ্ট্য আছে। কিন্তু কৰ্মশালাবোৰত যিসকল প্ৰশিক্ষকে প্ৰশিক্ষণ দি আহিছে, তেখেতসকলৰো এই ক্ষেত্ৰত বিশেষ কিবা প্ৰশিক্ষণৰ দৰকাৰ নাইনে? সকলো ঠাইতে বিভিন্নজন প্ৰশিক্ষকে যিবোৰ নাচ বা নাম আদি শিকাই, তাৰ কিবা একক নিয়ম আছেনে? বেলেগ বেলেগ পদ্ধতিৰে শিকালেও মূলতঃ বিহুনাচ বা আন ক্ষেত্ৰত সকলোৱে অনুসৰণ কৰিব পৰাকৈ একক নিয়ম বা শৈলী আছেনে?

ইতিপূৰ্বৰ পৰা আজিলৈ বিহুৰ ঐতিহ্য বা ইতিহাস আৰু ব্যৱহাৰিক দিশৰ কথা উল্লেখ থকা সহস্ৰাধিক পুথি বা লেখা প্ৰকাশ হৈছে। সেইবোৰ কাৰ্যকৰী কৰণত এই কৰ্মশালাবোৰ উত্তম পন্থা হিচাবে পৰিগণিত হ'ব পাৰে। সেয়েহে বিহুৰ যথাৰ্থতা ৰক্ষাৰ হকে এই কৰ্মশালা সমূহৰ গুৰুত্ব আৰু দায়িত্ব, দুয়োটাই আছে। প্ৰয়োগিক ক্ষেত্ৰত ইয়াতকৈ উত্তম আৰু সহজ উপাই আন কিবা আছে বুলি মনে নধৰে। ফলত সংশ্লিষ্ট সকলোৱেই এই বিষয়ে চিন্তা চৰ্চা কৰিব বুলি আশা কৰিলোঁ।

বিগত সময়চোৱাত বৈদ্যুতিন মাধ্যম আৰম্ভ হোৱাৰ পৰাই চ'ত মাহৰ আৰম্ভণিৰ পৰাই প্ৰায় প্ৰতিটো চেনেলত বিহুৰ নাচ গান আদিৰ প্ৰতিযোগিতাৰ আয়োজন কৰি অহা দেখা গৈছে। তাত বহু কেইগৰাকী অভিজ্ঞ আৰু বিহু বিশেষজ্ঞ সমল ব্যক্তিৰ দ্বাৰা বিভিন্ন ধৰণৰ উপদেশ বা পৰামৰ্শ দি বিহুৱা বা বিহুৱতী সকলক মাৰ্গ দৰ্শন কৰাই উপকৃত কৰা দেখা যায়। সেইসকল বিশেষজ্ঞৰ দ্বাৰা অসমৰ চুকে কোণে আয়োজিত হৈ থকা কৰ্মশালাসমূহৰ প্ৰশিক্ষক সকলক একত্ৰিত কৰি তেখেতসকলক যদি একক শৈলীবোৰৰ বিষয়ে প্ৰশিক্ষণ দিয়া হয়, তাৰ সুফল সকলোৱে ভোগ কৰিব নাপাব জানো। লগে লগে বিহুৰ নাচ, বিহু নাম, ঢোল পেপা গগণা আদিৰ ব্যৱহাৰ আদিৰ বিষয়ে সাধাৰণ শিক্ষাৰ্থীসকলেও জ্ঞান আহৰণ কৰিব পাৰিব। অকল নাচি বাগি ঢোল বাই থাকিলেই জানো ইয়াৰ লগত জড়িত প্ৰবাদ বা ৰীতিনীতিৰ বিষয়ে জনাৰ কিবা অৱকাশ আছে?

কেইটিমান বিহুনাম আওৰাই, বিশেষ কেইটিমান অংগীভংগীৰে ঢোল তাল আদি বজাই প্ৰদৰ্শনৰ উপযোগী কৰিলেই জানো কৰ্মশালাবোৰৰ উদ্দেশ্য সাধন আৰু সাৰ্থকতা লাভ কৰিব? আমি ভাৱো নাচ গান বাদন আদি শিকোৱাৰ লগে লগে সমান্তৰালভাৱে বিহুৰ লগত জড়িত ইতিবৃত্ত আৰু নিয়ম আদিৰ বিষয়ে বক্তৃতা বা লিখিত টোকা আদি দি শিকালেহে এই কৰ্মশালাবোৰৰ সোণত সুৱগা চৰিব আৰু শিক্ষাৰ্থীসকল সকলো দিশৰ পৰাই উপকৃত হ'ব। আজিকালি কিছুমান বিশেষ শিক্ষানুষ্ঠানত প্ৰয়োগিক কলাৰ অধ্যয়ন আৰু শিকোৱা হৈ আছে যদিও সীমিতসংখ্যক শিক্ষাৰ্থীয়েহে এনে বিশেষ জ্ঞান আহৰণ কৰাৰ সুযোগ

সুবিধা লাভ কৰে। অসমৰত্ন ড° ভূপেন হাজৰিকাদেৱে কোৱাৰ দৰে অসমীয়া জাতীয় জীৱনৰ আয়ুস ৰেখাডাল যদি যুগমীয়া আৰু অমৰ কৰিব বিচাৰো আমি আমাৰ বাপতি সাহোন বিহুটিৰ বিষয়ে সকলো অসমীয়াই জনাৰ ব্যৱস্থা কৰাৰ উপৰিও দেশৰ চুকে কোনে থকা বা বিদেশত থকা প্ৰবাসী অসমীয়া সকলৰ দ্বাৰা ইয়াৰ বাবে বিস্তৃত কৰ্যসূচী লোৱাৰ প্ৰয়োজনীয়তা আছে বুলি ভাৱো। অসমৰে তিনিটা প্ৰান্তত বিহুৰ ৰীতিনীতি গোৱা বা নাচোন শৈলীৰ প্ৰভেদ দেখা যায়। সকলো তথ্য একত্ৰিত কৰি বিহুৰ এক নিজস্ব শৈলী একক‌ভাৱে প্ৰয়োগ কৰিলেহে ইয়াৰ স্বকীয়তা আৰু বৃদ্ধি পাব।

বিহুটি আদৰৰ / বিহুটি সাদৰৰ / বিহুটি অসমৰ প্ৰাণ,
এনুৱা বিহুটি / এৰিব লাগিলে /নৰ'ব অসমৰ মান।।

# ব'হাগ ঃ অসমীয়া জাতিৰ আয়ুস ৰেখা

সংস্কৃতিৰ মূল ভেটি। ব'হাগ হৈছে অসমীয়া সংস্কৃতিৰ আধাৰ আৰু জীয়াই থকাৰ সাহ। যেতিয়ালৈকে অসমীয়া জাতি জীয়াই থাকিব, তেতিয়ালৈকে বিহু সংস্কৃতিও জীয়াই থাকিব। ব'হাগ মাহ হৈছে সাংস্কৃতিক প্ৰতীক। জাতি-জনগোষ্ঠীৰ মাজত কঢ়িয়াই আনে সমন্বয়ৰ এনাজৰী। ই ভাতৃত্ববোধৰ প্ৰতীক।

সমন্বয়ৰ প্ৰতীক বিহু হৈছে অসমীয়া জাতীয় উৎসৱ। অসমীয়াৰ ই আয়ুস ৰেখা। জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে বিহু উদযাপন কৰি আহিছে। সেয়েহে বিহুক অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠতম সম্পদ বুলি অভিহিত কৰা হৈছে। বিহু অসমীয়া সংস্কৃতিৰ প্ৰতীক। সমন্বয়ৰ বৰভেঁটি ৰচনা কৰা জাতীয় জীৱনৰ সংহতিৰ এনাজৰী। জাতিটোৰ ঐতিহ্য বহন কৰা বিহু প্ৰধানতঃ তিনিটা –ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু, আৰু মাঘ বিহু বা ভোগালী বিহু। এই তিনিওটা জাতীয় বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহুৱেই সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু ঐতিহ্য প্ৰকাশক জাতীয় উৎসৱ। য'ত সকলো স্তৰৰ অসমবাসী একেলগ হৈ একেলগে বিহু আয়োজন কৰি বিহুৰ মাজেৰে নতুনক আদৰি আনে।

অসমীয়াৰ প্ৰাণৰ স্পন্দন বাপতি সাহোন ৰঙালী বিহু বা ব'হাগ বিহু চ'তৰ সংক্ৰান্তিৰ দিনাৰপৰা ব'হাগ মাহৰ ছয় তাৰিখলৈকে সাত দিন ধৰি পালন কৰা হয়। এই সাত দিন ধৰি পালন কৰা বিহুকে সাতবিহু বুলি কোৱা হয়। চ'তৰ দোমাহীৰ দিনা গৰুৰ বিহুৰে আৰম্ভ হৈ ক্ৰমে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁত শালৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চেৰা বিহু। চেৰা বিহুৱেই ব'হাগ বিহু সামৰা হয় যদিওঁ ঠাইভেদে কিছুমান গাঁৱে-ভূঞে, চহৰে-নগৰে ব'হাগৰ গোটেই মাহটোৱেই ধৰি পালন কৰা দেখা যায়। গৰু বিহুৰ দিনাখন ৰাতিপুৱাই গৰুৰ গাত মাহ-হালধি সানি দীঘলতি, মাখিলতীৰে কোবাই কোবাই নদীৰ ঘাটলৈ নাইবা পুখুৰীলৈ নি গা ধুৱাই লাউ, বেঙেনা, থেকেৰা, হালধি, তিতাকেৰেলা আদি গালৈ দলিয়াই এইদৰেই গোৱা হয় -

"দীঘ লতি দীঘল পাত
মাখি মাৰোঁ জাত জাত
লাউ খা, বেঙেনা খা,
বছৰে বছৰে বাঢ়ি যা।
মা'ৰ সৰু, বাপেৰ সৰু
তই হবি বৰ গৰু।"

এইদৰেই কৰিলে গৰুৰ শ্ৰীবৃদ্ধি হয় বুলি এক জনবিশ্বাস আছে। গৰক মাহ-হালধিৰে গা ধোওৱাৰ লগতে ছাগলীৰ গাতো মাহ-হালধি -তেল ঘঁহা হয়। সেইদিনা গৰুক ঘোঁহোৱা তেল মানুহে গাত ঘঁহিলে চৰ্মৰোগ নহয় বুলি বিশ্বাস কৰা হয়। সেইদৰে গৰু-ছাগলীক ঘোঁহোৱা মাহ-হালধিও মানুহে গাত সানি গা ধুলেও বছৰটোলৈ বেমাৰ-আজাৰ নহয় বুলি লোকবিশ্বাস আছে। গধূলি ন-গুণীয়া নতুন পঘাৰে গৰু বান্ধি, ভৰি ধুৱাই, ধূপ-ধূনা জ্বলাই ন-বিচনীৰে বিচি জলপান খুউৱা হয়। মুঠতে নতুন বছৰৰ লগে লগে গাত নতুন বল বান্ধি লৈ, নতুন উলাহেৰে হাল টানি, শস্য উৎপাদন কৰিবৰ কাৰণে সাজু হ'বলৈ গো-পূজা কৰা হয়।

দ্বিতীয় দিনাৰপৰা মানুহৰ বিহু আৰম্ভ হয়। মানুহৰ বিহুৰ দিনাখন বহু হেঁপাহেৰে এজনে-সিজনক অসমীয়াৰ স্বাভিমান বিহুৱান দিয়ে, জ্যোষ্ঠজনক সেৱা জনায়। বিহুৱান প্ৰদান আৰু পৰিধান এই বিহুৰ মূল বিশেষত্ব। নতুন বছৰটোৱে যাতে সকলো অপায় - অমঙ্গল, বাধা-বিঘিনি, বেমাৰ-আজাৰ নাশ কৰি, সকলো বিপদ-আপদ, বতাহ-বৰষুণ আদিৰ পৰা ৰক্ষা পৰি সকলোৱে সুখ-শান্তিৰ মাজত অতিবাহিত কৰিব পাৰি, তাৰ কাৰণে তলৰ মন্ত্ৰটো নাহৰ পাতত লিখি দুৱাৰ মুখত আঁৰি থোৱা হয় -

"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জঁটাধৰ।
বাত বৃষ্টি হৰং মহাদেৱ নমস্তুতে।"

গৰুৰ বিহুৰ দিনাখনেই অতীজৰে পৰা চলি অহা পৰম্পৰা অনুসৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত ১০১ বিধ শাক খোৱাৰ নিয়ম চলি আহিছে। এই পৰম্পৰাৰ বিজ্ঞানসন্মত কাৰণো আছে। বিশ্বাস কৰা হয় যে, ১০১ বিধ শাক খালে বছৰটোৰ বাবে নিৰোগী হৈ থাকিব পাৰে। এনে শাক-পাচলিয়ে মানুহৰ দেহক সতেজতা আনে, দেহত শক্তি যোগায় আৰু বহু ৰোগ নিৰাময় হয়।

গৰুৰ বিহুৰ পাছদিনা অৰ্থাৎ ব'হাগৰ পহিলা তাৰিখে মানুহ বিহু। নামনি অসমত এই বিহুৰ দিনাক "বৰ দোমাহী" বোলে। মানুহৰ বিহুৰ দিনা সকলোৱে গা-পা ধুই, বিহুৰ নতুন বস্ত্ৰ বিহুৱান গামোচাৰে এজনে আনজনক উপহাৰ হিচাপে দি এজনে আনজনৰ প্ৰতি মৰম, সন্মান আৰু শ্ৰদ্ধা জনায়। সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। নতুন বছৰৰ প্ৰথম দিনটোতে নিয়ম-নীতি, পৰম্পৰাৰে অসমীয়াই নতুন বছৰটিক আদৰি লয়।

ৰঙালী বিহুৰ তৃতীয় দিনা গোসাঁই বিহু। সেইদিনা ভগৱানক স্তুতি কৰি বছৰটোৰ বাবে সকলোৱে মংগল কামনা কৰা হয়। চতুৰ্থ দিনা তাঁতৰ বিহু। অসমীয়া জাতিৰ জনজীৱনৰ আদৰৰ সম্পদ হৈছে তাঁতশাল। অসমীয়া শিপিনীয়ে এই তাঁতশালতেই সপোন ৰচে। এই তাঁতশালক মৰ্যাদা প্ৰদানৰ বাবেই এই দিনটোত অসমীয়াসকলে তাঁতৰ বিহু হিচাপে পালন কৰে।

পঞ্চম দিনা নাঙলৰ বিহু। কৃষিকৰ্মত নিৰ্ভৰশীল অসমীয়া চহাজীৱনৰ এক সম্পদ হৈছে নাঙল। সেয়েহে কৃষিকৰ্মক প্ৰাধান্য দিবৰ বাবে পঞ্চম দিনা নাঙলৰ বিহু পালন কৰা হয়। বিহু ষষ্ঠদিনা চেনেহী বা জীয়ৰী বিহু পালন কৰা হয়। এই বিহুত বিয়া দিয়া জীয়ৰীসকল নিজৰ ঘৰলৈ আহে বাবে সেইদিনা "চেনেহী বা জীয়ৰী বিহু" হিচাপে পালন কৰা হয়।

সাতবিহুৰ শেষৰ দিনটোৱেই হৈছে চেৰাবিহু। এই বিহুক কোনো কোনোৱে এৰাবিহু বুলি কয়। এই বিহুত বহু আঞ্জাৰে বৰ জুতি লগাকৈ ভাত খায় আৰু ঠাই বিশেষে এশ এবিধ শাক খোৱাৰো নিয়ম আছে। ব'হাগ বিহুৰ এই পৰম্পৰাবোৰে অসমীয়া সমাজৰ প্ৰেম-প্ৰীতি আৰু সমন্বয়ৰ এনাজৰীডাল শক্তিশালী কৰি ৰাখিছে। ব'হাগ বিহুৰ আন এক বিশেষত্ব হৈছে -হুঁচৰি গোৱা। ব'হাগৰ প্ৰথমকেইদিনত সৰু-ডাঙৰ সকলোৱে মিলি ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে। কোনো কোনো ঠাইত লোকসকলে গোটেই মাহটো জুৰি হুঁচৰি গায়।

ৰঙালী বিহু বা ব'হাগ বিহু অসমীয়া সমাজৰ পৰম্পৰাগত, কৃষিভিত্তিক আৰু জাতীয় উৎসৱ। ই অসমীয়া সংস্কৃতিৰ আধাৰ হিচাপে পৰিচিত। বসন্ত ঋতুত উদযাপিত এই বিহুত প্ৰকৃতিয়ে বৰণ সলায়। বসন্তৰ আগমনত প্ৰথমজাক বৰষুণ পৰাৰ লগে লগে বসুমতী ঋতুমতী হয়। গছ-লতিকাত কুঁহিপাত ওলায়। প্ৰকৃতি ফলে-ফুলে জাতিষ্কাৰ হৈ পৰে। উৰুঙা ফাগুনৰ সুৰুঙাৰে ঋতুৰাজ বসন্তৰ আগমন ঘটাৰ লগে লগে গাঁৱৰ ডেকা-গাভৰুৰ মনবোৰ কমোৱা তুলাৰ দৰে উৰোঁ উৰোঁ কৰে। সেয়ে বিহুগীতত কৈছে –

"ঘৰতো নবহে মন সমনীয়া
পৰতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

বিহু অসমৰ জাতীয় উৎসৱ। "বিহু" শব্দৰ উৎপত্তি সংস্কৃত "বিষুৱৎ" শব্দৰ পৰা "বিহু" শব্দৰ উদ্ভৱ হৈছে। বিহু ঋতুকালীন কৃষিভিত্তিক উৎসৱ। ব'হাগ বিহু বা ৰঙালী বিহু তিনিওটা বিহুৰ ভিতৰত প্ৰধান। জনবিশ্বাস মতে ডেকা-গাভৰুৱে মুকলি পথাৰত গৈ প্ৰেম-যৌৱনৰ গীতেৰে পুৰুষস্বৰূপ মেঘক আৰু নাচৰ গিৰিপনিৰে নাৰীস্বৰূপা প্ৰকৃতিক উত্তেজিত কৰি বৰষুণৰ দ্বাৰা মিলন ঘটাই বসুমতীৰ শস্য সম্ভৱা হোৱাৰ যি প্ৰক্ৰিয়া, তাতেই ৰঙালী বিহুৰ তাৎপৰ্য নিহিত হৈ আছে। বিহুৰ মাজতেই প্ৰতিফলিত হয় বৈচিত্ৰ্যময় অসমীয়া জাতীয় জীৱনৰ সাতামপুৰুষীয়া ঐতিহ্য, সংস্কৃতি তথা পৰম্পৰাৰ নিঁখুত চানেকি।

তিনিটা বিহুৰ ভিতৰত ৰঙালী বিহুতেই সমাহাৰ ঘটে ৰং-ৰহইচ উৎসাহ, উদ্দীপনাৰ। ৰঙালী বিহুৱে অসমীয়া জনজীৱনলৈ বোৱাঁই আনে উচাহৰ সুৰীয়া ঢল। কঢ়িয়াই আনে অযুত আশা, হেঁপাহ, সপোন, প্ৰাণ-প্ৰাচুৰ্যৰ এটি ভৰুণ টোপোলা। ৰঙালীৰ ৰঙত উদ্বাউল হয় কৃষিজীৱি অসমীয়া ৰাইজ, বিহুনাম, ঢোল-পেঁপা-গগনাৰ মাদকতা ভৰা সুৰৰ ৰাগিত মতলীয়া হয় প্ৰতিজন অসমীয়া। নতুনক আদৰাৰ ভৰপূৰ সময়ত অসমীয়া মানুহ ৰঙত বুৰ যায়। পাহৰি যায় পুৰণি বছৰৰ দুখ-দুৰ্দশা, কষ্টকৰ অৱসাদগ্ৰস্থতাৰ কথা। ব'হাগে আনি দিয়া প্ৰাচুৰ্যতাৰ মাজতে চহা অসমীয়াই ন-কৈ কৃষিকৰ্মৰ শুভাৰম্ভৰ কথাও চিন্তা কৰে। ব'হাগে অসমীয়াৰ বুকুত সঞ্চাৰ কৰে প্ৰচুৰ কৰ্মোদ্যম, কৰ্মশক্তিৰ চেতনা। ৰং-ৰহইচ, গীত-নৃত্যৰ অপূৰ্ব সমাহাৰেৰে ভৰপূৰ ব'হাগতে পালন কৰা ৰঙালী বিহুৰ মাজতেই উদ্ভাসিত হয় অসমীয়া জাতিৰ বৰ্ণিল তথা নিৰ্ভেজাল সংস্কৃতি আৰু হিন্দু-মুছলমান প্ৰভৃতি সকলো জাতি -জনগোষ্ঠীৰ সমন্বয়ৰ অতুলনীয় চানেকি। যিয়ে যুগ যুগৰ পৰা সমগ্ৰ অসমীয়া জাতিৰ সত্তাকেই মহীয়ান কৰি ৰাখিছে। ৰঙালী বিহু অসমৰ প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠী, ভাষা-ভাষী,

ধৰ্মাৱলম্বী মানুহৰ উমৈহতীয়া উৎসৱ। কৃষিকৰ্মৰ যোগেদিয়েই অসমীয়াই গঢ়ি তুলিছে অসম দেশৰ সৰ্বকালৰ জাতীয় ঐতিহ্যৰ পৰিচায়ক এক সুকীয়া সভ্যতা আৰু সংস্কৃতিক।

অসম আৰু অসমীয়াৰ বাবে কেৱল এটা ঋতুতে ব'হাগ সীমাবদ্ধ হৈ থকা নাই। অসমীয়া সমাজ, সাহিত্য-সংস্কৃতি, অৰ্থনীতি আদি সকলো দিশতে ব'হাগৰ আছে অনবদ্য অৱদান। জাতি-জনজাতি, ভাষা-সম্প্ৰদায়, ধৰ্ম-বৰ্ণ আদি সকলোতে আছে ব'হাগৰ আছে সাঁচ। সেয়া ভিন্ন ৰঙা হ'লেও যেন একেখন চাদৰতে বুটাবচা ভিন্ন ৰঙৰ সমাহাৰ। সেয়ে হয়তো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে কৈ গৈছে —"ব'হাগ মাথোঁ এটি ঋতু নহয়, নহয় এটি মাহ! অসমীয়া জাতিৰ ই আয়ুস ৰেখা, গণজীৱনৰ সাহ।"

# ব'হাগ বিহুৰ তাৎপৰ্য আৰু ইয়াৰ ভৱিষ্যত

পৰম্পৰানুযায়ী মানুহৰ সমাজত পুৰুষানুক্ৰমে চলি আহিছে।মানৱ জাতিয়ে পালন কৰি অহা এনেবোৰ অনুষ্ঠান-পাৰ্বন মানুহৰ জীৱন-জীৱিকা, সামাজিক শৃংখলা, মানসিক প্ৰশান্তি আৰু আধ্যাত্মিক পবিত্ৰতাৰ স'তে জড়িত। গতিকে বিশ্বৰ মানৱ জাতিয়ে সময়ে সময়ে ভিন্ন পদ্ধতিৰে উদযাপন কৰি অহা এনেবোৰ উৎসৱ অনুষ্ঠানৰ কেতবোৰ সুনিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য আছে আৰু অন্তৰালত কেতবোৰ গুৰুত্বপূৰ্ণ তাৎপৰ্যও আছে। এইদৰে বিশ্বৰ অন্যান্য ঠাইৰ দৰে অসম ৰাজ্যৰো অসমীয়া সমাজৰ মাজত অসমীয়া জাতিৰ পৰিচয়জ্ঞাপক বিহু নামৰ অনন্য এক জাতীয় উৎসৱ আছে।

বছৰৰ প্ৰতি ব'হাগ মাহৰ আগে আগে প্ৰকৃতি ৰাজ্যলৈ অপূৰ্ব মাদকতা ভৰা এক প্ৰাকৃতিক পৰিৱৰ্তনৰ জোৱাৰ নামে। প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ লহৰে-লহৰে মানুহৰ মনলৈও স্বাভাৱিকভাৱে আনন্দোল্লাহৰ বন্যা আহে। এইটি পৰতে উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ অসমৰ অসমীয়া সমাজৰ মাজলৈ আহে ব'হাগ বিহু। প্ৰকৃতিকুঞ্জলৈ অহা উন্মনা বসন্তৰ লগতে যে উলহ-মালহেৰে ব'হাগ বা ৰঙালী বিহু আহে তাৰো কেতবোৰ ঐতিহ্যমণ্ডিত তাৎপৰ্য আছে, যি ৰীতি আৰু পৰম্পৰাৰ মাজতেই অসমীয়া সমাজৰ ব'হাগ বিহুৰ স্বৰূপ উপলব্ধি কৰা হয়।

অতি প্ৰাচীন কালৰে পৰা ব'হাগ বিহুক এক কৃষি ভিত্তিক উৎসৱ হিচাপে পালন কৰি অহা হৈছে। পণ্ডিতসকলে ঠাৱৰ কৰিছে যে বিহু শব্দৰ উৎপত্তি সংস্কৃত বিষুবন শব্দৰ পৰা। অথৰ্ব বেদ আৰু ঐতৰেয় বাহ্মাণ আদি পুৰণি ধৰ্মশাস্ত্ৰ আদিবোৰত পোৱা যায় যে বিষুবণ যাগ-যজ্ঞাদি কৰা এটা পবিত্ৰ দিনৰ নাম। বিষ্ণু পুৰাণৰ মতে শৰৎ আৰু বসন্ত ঋতুৰ মাজভাগত সূৰ্য তুলা অৰ্থাৎ মেষ ৰাশিলৈ গতি কৰিলে বিষুব হয়। এই সময়ছোৱাক অতি পবিত্ৰ জ্ঞান কৰি সৰ্বমঙ্গলাৰ্থে যাগ-যজ্ঞ, পূজা-পাৰ্বন আদি কৰি দেৱতা, ব্ৰাহ্মণ আৰু পিতৃ-পিতামহ আদি সকলৰ উদ্দেশ্যে সংযতচিত্ত হৈ দান-দক্ষিণাদি আগবঢ়োৱা হয়। স্মৃতিশাস্ত্ৰটো দান-দক্ষিণা আদিৰ কথা কোৱা হৈছে। এই বিষুৱ সংক্ৰান্তিৰ সময়ত অতি পবিত্ৰচিত্তে অৰ্চন কৰা এনেবোৰ অনুষ্ঠান যে কেৱল আমাৰ ভাৰতবৰ্ষৰ উত্তৰ-পূব কোণৰ অসমতহে আছে এনে নহ'য়, ভাৰতবৰ্ষৰ আন আন ঠাই বিশেষতো ইয়াৰ প্ৰভাৱ আছে। যি কি নহওক, পুৰণি দিনৰে পৰা প্ৰাকৃতিক গতি-প্ৰকৃতি, ভৌগোলিক বাতাবৰণ আৰু জ্যোতিষ চৰ্চাদি ধৰ্মীয় কেতবোৰ কাম-কাজৰ আলম লৈয়ে ঘাইকৈ অসমত ব'হাগ বিহু উৎসৱ পালন কৰি অহা হৈছে। এয়া হৈছে ব'হাগ বিহু উৎসৱ উদযাপনৰ এক প্ৰধান তাৎপৰ্য।

ব'হাগ বিহুক যিহেতুকে কৃষি ভিত্তিক উৎসৱ বুলি কোৱা হয়। ইফালে কৃষিকৰ্ষণ কাৰ্যৰ বাবে প্ৰয়োজন হোৱা নাঙল, কোৰ আদিকে মুখ্য কৰি গৰুহাল হৈছে অন্যতম সম্পদ। গাখীৰ দিয়া গাইগৰুজনীও হৈছে খেতিয়ক ৰাইজৰ বাবে লক্ষ্মীস্বৰূপা।

অন্যহাতেদি ধৰ্মীয় আচাৰ আৰু বিশ্বাস অনুযায়ী গৰুক ব্ৰহ্মাজ্ঞান কৰা হয়। গতিকে ব'হাগ বিহুৰ সংক্ৰান্তিৰ দিনাখন পুৱাতে গৰুক গোহালিৰ পৰা উলিয়াই নি মাহ-হালধিৰে নোৱাই-ধোৱাই অতি মাঙ্গলিক আচাৰ-পদ্ধতিৰে গৰুক গা ধুওৱাটোও অন্য এটি মাঙ্গলিক পৰম্পৰা। নতুন বছৰটিৰ আৰম্ভণিতে মানুহে সাজ-কাপোৰ সলনি কৰাৰ লগতে গৰুৰ ডিঙিটো ন পঘা মেৰিয়াই দি, গো-পূজা কৰি বছৰটোৰ কাৰণে গৰুৰ সৰ্বমঙ্গল কামনা কৰা হয়। গৰুক বশ কৰিবলৈ বছৰৰ আন আন সময়ত মানুহে সাধাৰণতে ভলুকা বাঁহৰ এছাৰি ব্যৱহাৰ কৰে, কিন্তু সংক্ৰান্তি অৰ্থাৎ গৰু বিহুৰ দিনাখন গৰুক গোহালি ঘৰৰ পৰা গা ধুওৱাবলৈ লৈ যাওঁতে এছাৰিৰ পৰিৱৰ্তে মাখি মৰাহে ব্যৱহাৰ কৰা হয়। ইহাতেদি বসন্ত আগমনৰ লগে লগে মানুহৰ ঘৰে বাহিৰে মহ-মাখি, ডাঁহ, পোক-পৰুৱা আৰু সাপ-বেঙ আদিৰ প্ৰাৰ্দুভাৱো বৃদ্ধি পাই আহিবলৈ ধৰে। মাখিমৰা গছৰ পত্ৰ পুষ্পযুক্ত থালেৰে ঘৰৰ ভিতৰতে থকা মহ-মাখি আদিবোৰ খেদি বাহিৰলৈ উলিয়াই নিয়াটো এক পুৰণিকলীয়া নিয়ম। সাপ-বেঙ, কেঁচু-কুমতি, পোক-পৰুৱা, বিছা আদিবোৰ কাষ নাচাপিবৰ বাবে বগা নহৰু খুন্দি পিচি ইয়াক পানীৰ স'তে মিহলি কৰি ঘৰৰ বেৰৰ চাৰিওকাষে ছটিওৱা হয়। মাখি মৰা, বগা-নহৰৰ গোন্ধ আৰু ইয়াৰ মহৌষধি গুণৰ বাবেই এনে জাতীয় প্ৰাণীৰ সম্ভাব্য অপকাৰিতাৰ পৰা মানুহে ৰক্ষা পাব পাৰে। এয়া ব'হাগ বিহুৰ পৰত পালন কৰা অন্য এক তাৎপৰ্য বুলি ক'ব পাৰি।

ব'হাগ আমাৰ সম্প্ৰীতি আৰু ঐক্য-সংহতিৰ এক স্বকীয় প্ৰকাশ। মানুহ স্বভাৱতে সমাজপ্ৰিয় আৰু বিবেকবান সামাজিক গোট বা সমষ্টি যদিও মানুহৰ মাজতে অশেষ দ্বন্দ্ব-হাই, কাজিয়া-পেচাল লাগি মনোমালিন্য বা মতবিৰোধ আদিবোৰো স্বাভাৱিকতেই হয়। সমাজ এখনৰ বাবে এয়া ন কথা নহয়। মানুহৰ সমাজত এনেধৰণৰ সংঘাত-বিভ্ৰাট আদিবোৰ থাকেই। পূৰ্বৰ সকলো মনোমালিন্য পৰিহাৰ কৰি নতুন বছৰত মনত সাহপিত বল বান্ধি ঐক্য-সম্প্ৰীতি গঢ়ি তোলাৰো এক মাঙ্গলিক ক্ষণ হৈছে এই ব'হাগ।

সমাজত পিতৃ-মাতৃ, জ্যেষ্ঠ-মান্যজনক সশ্ৰদ্ধাৰে সেৱা-শুশ্ৰূষা কৰা আৰু ডাঙৰে সৰুক মৰম-চেনেহ কৰাৰ স্বাক্ষৰ প্ৰতিফলিত কৰাত প্ৰমাণ সূচায় শ্ৰদ্ধা-প্ৰীতিৰ উপহাৰ গুৱাপান আৰু মাননি আদিয়ে। এনে আদৰ-সাদৰ আৰু মান-সম্ভ্ৰমে পৰস্পৰে পৰস্পৰৰ প্ৰতি সহায়-সহযোগ আৰু ভ্ৰাতৃত্ববোধৰ চানেকি বজাই ৰখাত প্ৰভুত পৰিমাণে অৰিহণা যোগায়।

ব'হাগ বিহুত মানুহৰ ঘৰে ঘৰে গৈ মাঙ্গলিক আশীৰ্বাদ প্ৰদান কৰি হুঁচৰি গোৱা নিয়ম। শ্ৰীকৃষ্ণৰ নাম-পদ আৰু লেছাৰি, ঘোষা-বন্দনাৰে বৈষ্ণৱ আধ্যাত্ম স্মৰণ কৰাটো হুঁচৰিৰ এক প্ৰধান বৈশিষ্ট্য। হুঁচৰি আৰু বিহুৰ তাৎপৰ্য বুজি নাপাই বহুলোকে হুঁচৰি আৰু বিহু দুয়োটাকে একে বুলিয়েই ভাবে। ভগৱন্তৰ নাম স্মৰণ কৰি গৃহস্থলৈ আশীৰ্বাদ প্ৰদান কৰা শোভন প্ৰণালীকহে হুঁচৰি বুলি কয়। অসমীয়া নৱবৰ্ষৰ আৰম্ভণিতে এনেদৰে ৰাইজৰ সৰ্বমঙ্গলৰ অৰ্থে আশিস বৰিষণ কৰা কাৰ্য হৈছে ব'হাগ বিহুৰ আন এক সুষম তাৎপৰ্য। ব'হাগ আহিলেই মানুহৰ হিয়া-মন নৱ চেতনা, নতুন প্ৰেৰণা আৰু নতুন আশা-আকাংক্ষাৰে উপচি পৰে, ঋতু বসন্তৰ লগে লগে মানুহৰ মন বসন্তও উঠলি উঠে। গতিকে ব'হাগ বিহুটিকে উৰ্বৰা প্ৰকৃতিৰ উৎস স্বৰূপে লৈ শুভ দিন-বাৰ ঠিক কৰি প্ৰকৃতি পুৰুষৰ মাজত বিবাহ কাৰ্য সুসম্পন্ন কৰাৰ শুভক্ষণ বুলি ধৰি লয়। ব'হাগ বিহুৰ এনেবোৰ তাৎপৰ্য কৌটিকালৰে পৰা চলি আহিছে।

সাম্প্ৰতিক সময়বোৰ লাহে লাহে দুঃসময় হ'বলৈ ধৰিছে। ব'হাগ বিহুৰ যিবোৰ তাৎপৰ্য একালৰ মানুহে সহৃদয়তাৰে মানি চলি আহিছিল এতিয়া আৰু পুৰণিকলীয়া বহুবোৰ নিয়ম-পৰম্পৰা আজিৰ সমাজে প্ৰায় এৰি পেলাইছে। ব'হাগ বিহুৰ কড়ী খেল, কণীযুঁজ, শেন-যুঁজ, কুকুৰা যুঁজকে মুখ্য কৰি জীৱ-জন্তু আদিক লৈ খেলা খেলবোৰ আজিকালি দেখিবলৈ পোৱা নাযায়। বিহুৰ সপ্তাহ দিনৰ আগৰে পৰা গাঁৱত জীয়াৰী-বোৱাৰীহঁতে নানান তৰহৰ জা-জলপান, পিঠা-পনা তৈয়াৰ কৰা আৰেগ উলাহবোৰ আধুনিকতাৰ প্ৰভাৱত পৰি প্ৰায় হ্ৰাস পাই আহিবলৈ ধৰিছে। গাঁৱৰ চাউলৰ পৰা তৈয়াৰ কৰা চিৰা, সান্দহ, মুড়ি, হুৰুম, কোমল চাউল, তেল পিঠা, তিল পিঠা, ফেনি পিঠা, হুতুলি পিঠা, ঘিলা পিঠা আদিৰ দৰে ভোগৰ সামগ্ৰীবোৰ ক্ৰমান্বয়ে লোপ পাই আহিছে। তাৰ ঠাইত বজৰুৱা, কেক, নিমকি, লচকৰা, খুৰমা, লালমোহন, ৰসগুল্লা আৰু বিধে বিধে তৈয়াৰ কৰা হোটেলৰ মিঠাইবোৰেহে ব'হাগ বিহুতো আনকি গাঁও গৃহস্থীৰ ঘৰতো প্ৰাধান্য লভিবলৈ ধৰিছে। আজিকালি গাঁওবোৰত তাহানিখনৰ দৰে কুকুৰা ডাকৰ লগে লগে হোৱা কেংকুলুক কেংকুলুক ঢেকীৰ মাত শুনিবলৈকে পোৱা নাযায়। অৰ্থাৎ আজিৰ প্ৰতিযোগিতাময় যান্ত্ৰিক যুগত একালৰ আমাৰ কৃষ্টিৰ আহিলা ঢেকীশালখন প্ৰায় নাইকিয়া হৈছেহি। মানুহৰ মনৰ চেনেহ শ্ৰদ্ধাবোৰো কৃত্ৰিম হৈ আহিছে। সমাজত প্ৰায় সকলোবোৰ কথা বতৰাই মাথোঁন অৰ্থ, স্বাৰ্থ, ক্ষমতা আৰু উপঢৌকন আদিৰ বিচাৰতহে বিবেচিত হৈ আহিবলৈ ধৰিছে। সকলোবোৰ কথা-কাণ্ড প্ৰায় আধুনিকতাৰ তুঙ্গত উঠি আমাৰ পুৰণিকলীয়া কৃষ্টি-সংস্কৃতি আৰু লোকাচাৰবোৰ লাহে লাহে লোপ পাই আহিছে।

আজিৰ সমাজৰ ডেকা-গাভৰুৰ সাজ-পোছাক, অলংকাৰ, আচাৰ বিধি, কথা-বতৰা তথা শিষ্টাচাৰ প্ৰণালী আদি প্ৰায় সকলোবোৰ দিশতে স্থায়িত্ব হেৰাই আহিবলৈ ধৰিছে। পশ্চিমীয়া এক সৰ্বনাশী বতাহ এচাটিয়ে আজি আমাৰ অসমীয়া সমাজৰো নবীন চামক উতলা প্ৰায় কৰি নিজকে পাহৰাই পেলাইছে।

ব'হাগ বিহুৰ গাঁৱৰ কলা-সংস্কৃতি বিকল হৈ পৰিছে। বিহুৰ স'তে জড়িত থকা অসমীয়া সমাজৰ সকলোবোৰ শোভন কৃষ্টি সাঁচা অনুশীলনৰ অভাৱত হেৰাই যাবলৈ ধৰিছে। সামাজিক সদাচাৰ, সামাজিক নিয়ম-শৃংখলা আৰু সামাজিক বিধি-ব্যৱস্থা আদি সকলোবোৰ দিশতে কেতবোৰ অবাঞ্চিত আৰু অশুভ কু-সংস্কৃতি সোমাই পৰাত অসমীয়া সমাজবোৰৰ খুঁটি লৰিবলৈ ধৰিছে। সমাজত কোনেও কাৰো হাক-বচন, দিহা-পৰামৰ্শ নামানি আপোন ইচ্ছাৰে অবাধ গতিৰে কাম কৰিবলৈ ধৰাত অসমীয়া সমাজ প্ৰায় নিশকতীয়া হৈ আহিবলৈ ধৰিছে। ব'হাগ বিহুৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি নকৰি মাথোঁ আধুনিক অনা কৃষ্টি-সংস্কৃতিৰ বতাহত মিলি যাবলৈ বিচৰাটো জাতিৰ পক্ষে মুঠেই শুভ লক্ষণ নহয়। এনেকুৱা হ'লে এসময়ত নিশ্চয়কৈ অসমীয়া জাতিৰ অস্তিত্ব বিপন্নপ্ৰায় হ'ব।


# সংস্কৃতিৰ মহা-মিলনভূমি বিহু
# সমন্বয় আৰু ঐতিহ্যৰ অনবদ্য যাত্ৰা

অসমীয়া সমাজ জীৱনৰ আটাইতকৈ উজ্জ্বল আৰু প্ৰাণৱন্ত উৎসৱটোৱেই হ'ল বিহু। বিহু কেৱল এক ঋতুভিত্তিক উৎসৱ নহয়, ই হ'ল অসমীয়াৰ পৰিচয়, সংস্কৃতিৰ মেৰুদণ্ড আৰু মিলনৰ এক মহা-তীৰ্থ। বসন্তৰ আগমনত প্ৰকৃতিয়ে যেতিয়া নতুন সাজ পিন্ধি হাঁহি উঠে, তেতিয়া অসমৰ আকাশ-বতাহত কুলিৰ মাত আৰু ঢোলৰ শব্দই এক অদ্ভুত শিহৰণ তোলে। এই শিহৰণ কেৱল ডেকা-গাভৰুৰ মনতে আৱদ্ধ হৈ নাথাকে, বৰঞ্চ ই সমগ্ৰ অসমবাসীক একতাৰ শক্তিশালী সূতাৰে বান্ধি পেলায়। বিহুৰ বুকুত নিহিত হৈ আছে এক বিৰাট সমন্বয়ৰ বাৰ্তা, যি বাৰ্তাই যুগে যুগে সংকীৰ্ণতাৰ দেৱাল ভাঙি মানুহক মানুহ হিচাপে চিনিবলৈ আৰু ভাল পাবলৈ শিকাই আহিছে। বিহুৰ ইতিহাস অতি প্ৰাচীন আৰু বৈচিত্ৰ্যময়। ইয়াক কোনো এটা নিৰ্দিষ্ট ধৰ্ম বা গোষ্ঠীৰ মাজত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। ঐতিহাসিকভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে বিহু হ'ল তিব্বত-বৰ্মী, আৰ্য আৰু অষ্ট্ৰিক— এই আটাইবোৰ সংস্কৃতিৰ এক সুন্দৰ আৰু সাৰ্থক মিশ্ৰণ। আদিতে কৃষি-ভিত্তিক সমাজখনত যেতিয়া উৰ্বৰা শক্তিৰ পূজা আৰু শস্যৰ উৎপাদনৰ বাবে বিভিন্ন ৰীতি-নীতিৰ প্ৰচলন হৈছিল, তেতিয়াই বিহুৰ বীজ ৰোপণ কৰা হৈছিল। আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত যেতিয়া বিহুৱে ৰাজকীয় মৰ্যাদা লাভ কৰিলে, তেতিয়াই ই এক বৃহৎ জাতীয় উৎসৱলৈ ৰূপান্তৰিত হ'ল। ৰংঘৰৰ বাকৰিত বিহুৰ চৰ্চা আৰম্ভ হৈছিল, তাত পাহাৰ আৰু ভৈয়ামৰ সকলো জনগোষ্ঠীৰ লোকে একেলগে অংশগ্ৰহণ কৰিছিল। এই ঐতিহাসিক ধাৰাবাহিকতাই বিহুৰ মাজত এক উদাৰ আৰু সৰ্বজনীন মানসিকতাৰ জন্ম দিছে।

অসমীয়া সমাজৰ আটাইতকৈ গৌৰৱ আৰু স্বাভিমানৰ বিষয় হ'ল, বিহুৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰ। বিহু মন্দিৰ, মছজিদ বা গিৰ্জাৰ ভিতৰত আৱদ্ধ হৈ থকা কোনো ধৰ্মীয় অনুষ্ঠান নহয়। ই হ'ল মুকলি আকাশৰ তলত পথাৰৰ মাজত উদ্‌যাপন কৰা এক গণ-উৎসৱ। ৰঙালী বিহুৰ সময়ত এজন হিন্দু অসমীয়াই যিমান উৎসাহেৰে পিঠা-পনা তৈয়াৰ কৰে, এজন অসমীয়া মুছলমান বা খ্ৰীষ্টান পৰিয়ালতো ঠিক সিমানেই আনন্দৰ পৰিৱেশ বিৰাজ কৰে। জিকিৰৰ সুৰ আৰু বিহু নামৰ সুৰৰ মাজত যি সামঞ্জস্য আছে, সেয়া আমাৰ সমন্বয়ৰ এক জীৱন্ত নিদৰ্শন। বিহুৱে প্ৰমাণ কৰে যে উপাসনাৰ পদ্ধতি বেলেগ হ'লেও সংস্কৃতিৰ ভাষা সদায় একেই। এই উৎসৱে মানুহক শিকায় যে ধৰ্ম হ'ল ব্যক্তিগত বিশ্বাস, কিন্তু সংস্কৃতি হ'ল সমাজৰ উমৈহতীয়া সম্পদ। অসমখন হ'ল বিভিন্ন ক্ষুদ্ৰ-বৃহৎ জনগোষ্ঠীৰ এক সুন্দৰ মিলনভূমি। বড়ো, ৰাভা, মিচিং, তিৱা, কাৰ্বি, সোণোৱাল কছাৰী আদি প্ৰতিটো জনগোষ্ঠীৰ বিহু পালনৰ শৈলী আৰু নাম যদিও সুকীয়া, তথাপি ইয়াৰ মূল সত্তা কিন্তু একেই। মিচিংসকলৰ 'আলি-আয়ে-লৃগাং'ৰ আনন্দই হওক বা বড়োসকলৰ 'বৈশাগু'ৰ মাদকতাই হওক— এই সকলোবোৰেই ৰঙালী বিহুৰ একো একোটা অভিন্ন অংশ। বিহুৰ নাচ আৰু বাদ্যযন্ত্ৰ হিচাপে ব্যৱহৃত ঢোল, পেঁপা, তকা, গগনা আদিৰ শব্দই পাহাৰ আৰু ভৈয়ামৰ মাজত এক অদৃশ্য সেতু নিৰ্মাণ কৰে। যেতিয়া এগৰাকী জনজাতীয় যুৱতীয়ে বা এজন ভৈয়ামৰ ডেকাই বিহুৰ মঞ্চত একেলগে হাতত ধৰাধৰিকৈ নাচে, তেতিয়া তেওঁলোকৰ মাজত কোনো ভৌগোলিক বা সাংস্কৃতিক ব্যৱধান নাথাকে। এই শক্তিশালী একতাই অসমীয়া জাতিক বিশ্বৰ বুকুত এক সুকীয়া মৰ্যাদা আৰু পৰিচয় প্ৰদান কৰিছে।

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বিকাশত বিহুৰ অৱদান অপৰিসীম। বিহুৰ যি মৌখিক সাহিত্য অৰ্থাৎ বিহুনামবোৰ, সেইবোৰত আমাৰ গ্ৰাম্য জীৱনৰ নিভাঁজ ছবি এখন ফুটি উঠে। বিহুনামবোৰত কেৱল প্ৰেম আৰু বিৰহৰ কথাই নাই, ইয়াত আছে সমাজখনক একগোট কৰি ৰখাৰ এক নিবিড় আন্তঃসম্পৰ্ক। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দিনৰ পৰাই অসমত যি সমন্বয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল, তাৰ এক বিশাল প্ৰকাশ বিহুৰ গীত-মাতত লক্ষ্য কৰা যায়। আধুনিক অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দৰে মহান মনিষীসকলে বিহুৰ সুৰক বিশ্ব দৰবাৰলৈ লৈ যোৱাই নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাৰ্তা বিলাইছিল। তেওঁলোকৰ সৃষ্টিত বিহু কেৱল এক নৃত্য নাছিল, বৰঞ্চ ই আছিল সমাজ গঢ়াৰ এক শক্তিশালী হাতিয়াৰ। বিহুৰ প্ৰতিটো পৰ্বৰ আঁৰত একো একোটা গভীৰ সামাজিক অৰ্থ লুকাই থাকে। গৰু বিহুৰ দিনা গৰু-মহক পূজা কৰা আৰু আশীৰ্বাদ দিয়াৰ নিয়মটোৱে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা সহাৱস্থানৰ বাৰ্তা দিয়ে। ই আমাক জীৱ-জন্তুৰ প্ৰতি থকা মৰম আৰু কৃতজ্ঞতা বোধ কৰিবলৈ শিকায়। আনহাতে, মানুহ বিহুৰ দিনা জ্যেষ্ঠজনৰ ওচৰত সেৱা লোৱা আৰু সৰুসকলক মৰম কৰাৰ পৰম্পৰাই পৰিয়াল তথা সমাজৰ মাজত এক সুস্থ আৰু শক্তিশালী বান্ধোন গঢ়ি তোলে। বিহুৰ সময়ত গাঁৱৰ ৰাইজে একত্ৰিত হৈ হুঁচৰি গোৱা প্ৰথাই সামাজিক সংহতিৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰে। এঘৰৰ পৰা আন এঘৰলৈ যোৱা হুঁচৰি দলটোৱে কেৱল গীত নাগায়, তেওঁলোকে মানুহৰ মাজত হেৰাই যোৱা আত্মীয়তা পুনৰ জগাই তোলে। ইয়াত কোনো ধনী-দুখীয়া বা উচ্চ-নীচৰ ভেদভাৱে স্থান নাপায়।

বিহু কেৱল এক আৱেগিক উৎসৱ নহয়, ইয়াৰ লগত অসমৰ গ্ৰাম্য অৰ্থনীতিৰ এক নিবিড় সম্পৰ্ক আছে। বিহুৰ সময়ত আমাৰ থলুৱা তাঁতশিল্পৰ যি ব্যাপক ব্যৱহাৰ হয়, সেয়া আমাৰ আৰ্থিক স্বাৱলম্বিতাৰ প্ৰতীক। হস্ততাঁত শিল্পৰ জৰিয়তে অসমীয়া মহিলাই যি নিপুণতা দেখুৱায়, সেয়া বিহুৰ সময়ত গামোচাৰ ৰূপত প্ৰকাশ পায়। গামোচাখন কেৱল এবিধ বস্ত্ৰই নহয়, ই হ'ল অসমীয়াৰ সন্মান, আদৰ আৰু মৰমৰ পৰিচায়ক। জাতি-ধৰ্ম নিৰ্বিশেষে ইজনে সিজনক গামোচা উপহাৰ দিয়াৰ যি প্ৰথা, সেয়া হ'ল সমন্বয়ৰ শ্ৰেষ্ঠ আদৰ্শ। ইয়াৰ উপৰি বিহুৰ সময়ত হোৱা বিভিন্ন মেলা আৰু বাণিজ্যই বিভিন্ন ঠাইৰ মানুহক একগোট হোৱাৰ সুযোগ দিয়ে, যাৰ ফলত সাংস্কৃতিক আৰু সামাজিক আদান-প্ৰদান বৃদ্ধি পায়।



নলিনী ৰঞ্জন ভূঞা

সাম্প্ৰতিক সময়ৰ গোলকীকৰণ আৰু যান্ত্ৰিকতাৰ প্ৰভাৱত আমাৰ পৰম্পৰাগত মূল্যবোধসমূহ কিছু পৰিমাণে ম্লান হোৱা দেখা গৈছে। মানুহ আজি আত্মকেন্দ্ৰিক হৈ পৰিছে। কিন্তু এনে এক সংকটপূৰ্ণ সময়ত বিহুৱে এক অভেদ্য দুৰ্গৰ দৰে আমাক সুৰক্ষা দিব পাৰে। আধুনিক প্ৰযুক্তি আৰু মঞ্চ-কেন্দ্ৰিক বিহুৰ প্ৰচলন হ'লেও যদি আমি বিহুৰ সেই পুৰণি সমন্বয়ৰ আদৰ্শ ধৰি ৰাখিব পাৰোঁ, তেন্তে আমাৰ জাতীয় ঐক্য অধিক শক্তিশালী হ'ব। নতুন প্ৰজন্মই সামাজিক মাধ্যমৰ জৰিয়তে বিহুক যিদৰে বিশ্বৰ চুকে-কোণে বিয়পাই দিছে, সেই একেই উদ্যমেৰে তেওঁলোকে বিহুৰ জৰিয়তে বিভেদ আঁতৰাই ঐক্যৰ বাৰ্তা বিলোৱা উচিত। বিহুৱে আমাক সোঁৱৰাই দিয়ে যে পৰিৱৰ্তন হ'ল জীৱনৰ ধৰ্ম, কিন্তু শিপাৰ সৈতে থকা নাড়ীৰ সম্পৰ্কটোৱেই হ'ল আমাৰ আচল পৰিচয়।

অসমীয়া সমাজত হিন্দু-মুছলমানৰ মাজত থকা অভিন্ন সম্পৰ্কৰ আঁৰত বিহুৰ অৱদান অনস্বীকাৰ্য। আজান ফকীৰৰ জিকিৰত বিহুৰ সুৰ আৰু কথাৰ যি প্ৰতিফলন ঘটে, সেয়া একমাত্ৰ অসমতহে সম্ভৱ। বিহুৰ সময়ত কোনো এজন অসমীয়াই আন এজনৰ ধৰ্ম নোসোধে, বৰঞ্চ বিহুৰ পিঠাখিনি কেনেকুৱা হৈছে সেইটোহে সোধে। এই উদাৰতা আৰু মহত্ত্বই হ'ল অসমীয়া সংস্কৃতিৰ আচল শক্তি। বিহুৱে আমাক শিকায় যে সংকীৰ্ণ ৰাজনীতি বা বিভেদকামী চিন্তাই কেতিয়াও এটা জাতিক আগুৱাই লৈ যাব নোৱাৰে। কেৱল সমন্বয় আৰু একতাৰ জৰিয়তেহে আমি এক শক্তিশালী অসম গঢ়িব পাৰিম।

সামৰণিত ক'ব পাৰি যে, বিহু হ'ল অসমীয়া সংস্কৃতিৰ এক বিশাল বটবৃক্ষ, যাৰ শীতল ছাঁত প্ৰতিটো জাতি-জনগোষ্ঠীয়ে সুৰক্ষা আৰু শান্তি লাভ কৰে। ই আমাৰ পৰিচয়, আমাৰ শ্ৰেষ্ঠ সম্পদ আৰু আমাৰ ভৱিষ্যতৰ দিশদৰ্শক। বিহুৰ এই মহৎ সমন্বয়ৰ ধাৰা অক্ষুণ্ণ ৰখাটো আমাৰ প্ৰত্যেকৰে পবিত্ৰ কৰ্তব্য। যেতিয়ালৈকে লুইতৰ পাৰত ঢোলৰ গুমগুমণি বাজি থাকিব আৰু বিহুৱানখনে আমাক আদৰিবলৈ সাজু থাকিব, তেতিয়ালৈকে কোনো অপশক্তিয়ে আমাৰ মাজত বিভেদ আনিব নোৱাৰে। আহক, আমি সকলোৱে বিহুৰ এই পবিত্ৰ ক্ষণত একেলগে সংকল্প লওঁ যে, ধৰ্ম-বৰ্ণ-জাতিৰ উৰ্ধত থাকি আমি কেৱল মানুহৰ জয়গান গাম আৰু বিহুৰ সমন্বয়ৰ বাৰ্তা সমগ্ৰ বিশ্বতে বিয়পাই দিম। বিহু আছিল, আছে আৰু চিৰকাল আমাৰ ঐক্যৰ চানেকি হৈ জিলিকি থাকিব।

# ব'হাগ বিহু আৰু গ্ৰাম্য জীৱনৰ পটভূমি

ভাস্কৰ প্ৰিয়ম হাজৰিকা

বৰ অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণৰ ঐতিহ্যময় বৰ্ণিল ইতিহাসত অসমৰ জাতীয় জীৱনৰ আয়ুস-ৰেখা বিহুৱে স্বকীয় বৈচিত্ৰ্যৰে মহীয়ান হৈ বৰ অসমৰ সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিছে। অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিহুৱে যি ভূমিকা পালন কৰিব পাৰে, অসমীয়া সংস্কৃতিৰ অনান্য উপাদানসমূহক এই ক্ষেত্ৰত একে শাৰীতে ৰাখিব নোৱাৰি। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে ওপৰত বিহুৰ প্ৰভাৱ অপৰিসীম।

সংস্কৃতি সমাজৰ দাপোণ। কোনো এটা জনগোষ্ঠী, জাতি বা সম্প্ৰদায়ৰ সামাজিক আচৰণৰ বহিঃপ্ৰকাশেই হ'ল সংস্কৃতি। সংস্কৃতিৰ বিভিন্ন দিশৰ ভিতৰত সামাজিক লোকাচাৰৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। জনগোষ্ঠী একোটাৰ জনসাধাৰণৰ মাজত প্ৰচলিত বিশিষ্ট তথা স্বকীয় অচাৰণ আৰু আচাৰ-পদ্ধতিসমূহক লোকাচাৰ (Custom) বুলি কোৱা হয়। জনগোষ্ঠী একোটাৰ জনসাধাৰণৰ আদৰ্শগত আৰু ধৰ্মীয় দিশৰ পৰিচয় প্ৰদানত সামাজিক লোকাচাৰসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পৰিয়াল তথা সামাজিক জীৱনৰ বিবিধ উৎসৱ-অনুষ্ঠান, ধৰ্মীয় আচৰণ, বিশ্বাস-অবিশ্বাস, অৱসৰ বিনোদন, খেল-ধেমালি, খাদ্যাভ্যাস ৰন্ধন আদিৰ বিভিন্ন লোকাচাৰ থাকে।

লোকবিশ্বাস (folk belief) হ'ল পৰম্পৰাগত বিশ্বাস। জীৱন নিৰ্বাহৰ প্ৰণালী, জাগতিক ৰহস্য, প্ৰকৃতিৰ বিভিন্ন উপাদান, ধৰ্মীয় ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, ক্ৰিয়া-কাণ্ড আদি বিভিন্ন বিষয়ক পৰম্পৰাগত বিশ্বাস। লোকাচাৰৰ লগত লোকবিশ্বাস বিশেষভাৱে জড়িত। আনকথাত অধিকাংশ পৰম্পৰাগত লোকাচাৰৰ লগত এক বা একাধিক লোকবিশ্বাস সাঙোৰ খাই থাকে, আৰু জনগোষ্ঠী একোটাই কিছুমান নিৰ্দিষ্ট লোকবিশ্বাস যুগ যুগ ধৰি বহন কৰি আহে। সেয়ে জনগোষ্ঠী একোটাৰ সংস্কৃতি লোকবিশ্বাসৰ চহকী ভঁৰালস্বৰূপ।

অসমীয়া সংস্কৃতিৰ প্ৰাণস্পন্দন হ'ল বিহু। বছৰটোত পালন কৰা তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহুৱেই হ'ল সৰ্বশ্ৰেষ্ঠ। বসন্তৰ আগমনত প্ৰকৃতিয়ে যেতিয়া নতুন ৰূপ ধাৰণ কৰে, তেতিয়াই অসমৰ জনজীৱন বিহুৰ আনন্দত আত্মহাৰা হৈ পৰে। বিশেষকৈ অসমৰ গ্ৰাম্য জীৱনৰ সৈতে এই বিহুৰ সম্পৰ্ক অতি নিবিড় আৰু চহা জীৱনৰ প্ৰতিটো দিশ ইয়াৰ সৈতে জড়িত হৈ আছে।

**কৃষি আৰু আৰ্থ-সামাজিক পটভূমি ঃ**

অসমৰ গ্ৰাম্য সমাজ মূলতঃ কৃষিভিত্তিক। বহাগ বিহুৰ মূল পটভূমি হ'ল খেতি-বাতিৰ প্ৰস্তুতি। চতৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হোৱা এই বিহুৱে কৃষকসকলক আগন্তুক শালি খেতিৰ বাবে প্ৰস্তুত হ'বলৈ উৎসাহ দিয়ে। গ্ৰাম্য সমাজত গৰু অবিহনে কৃষি কাৰ্য অসম্ভৱ, সেয়েহে বিহুৰ প্ৰথম দিনটো 'গৰু বিহু' হিচাপে পালন কৰি কৃষিৰ অন্যতম সহায়ক শক্তি গৰুৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। নদী বা বিলত গৰু ধুৱাই লাও-বেঙেনা খুৱাই কৃষকসকলে বছৰটোৰ বাবে পশুধনৰ কুশল কামনা কৰে।

**প্ৰকৃতিৰ পৰিৱৰ্তন আৰু গ্ৰাম্য পৰিৱেশ ঃ**

গ্ৰাম্য জীৱনত বহাগ বিহুৰ আগজাননী দিয়ে প্ৰকৃতিয়ে। গছত নতুন পাত ওলায়, নাহৰ ফুলৰ সুবাসে চৌপাশ আমোলমোলাই তোলে আৰু কুলিৰ মাতে ডেকা-গাভৰুৰ মনত বিহুৰ মাদকতা জগায়। গাঁৱৰ পথাৰবোৰত নতুন ঘাঁহ গজি উঠে আৰু বসন্তৰ বৰষুণে ধৰিত্ৰীক শস্য-শ্যামলা কৰিবলৈ সাজু কৰি তোলে। এই প্ৰাকৃতিক পৰিৱৰ্তনেই চহা মানুহৰ মনলৈ কঢ়িয়াই আনে সৃষ্টিৰ নতুন প্ৰেৰণা।

**সংস্কৃতি আৰু সামাজিক একতা ঃ**

ব'হাগ বিহুৱে গ্ৰাম্য সমাজত সম্প্ৰীতি আৰু একতাৰ এনাজৰী ডাল সুদৃঢ় কৰে। গাঁৱৰ ডেকা-বুঢ়া মিলি ঘৰে ঘৰে 'হুঁচৰি' গাই আশীৰ্বাদ দিয়া পৰম্পৰাই সৰু-বৰৰ ভেদাভেদ দূৰ কৰে। হুঁচৰিৰ জৰিয়তে সমাজৰ মংগল কামনা কৰা হয়। আনহাতে, গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে বিহুৰ আগে আগে তাঁতশালত বহি চেনেহৰ 'বিহুৱান' প্ৰস্তুত কৰে। এই বিহুৱান কেৱল এখন বস্ত্ৰই নহয়, ই হ'ল অসমীয়াৰ আন্তৰিকতা আৰু সন্মানৰ প্ৰতীক।

**খাদ্য আৰু আনন্দ-উৎসৱ ঃ**

গ্ৰাম্য জীৱনত বিহুৰ অন্যতম আকৰ্ষণ হ'ল পিঠা-পনা আৰু জলপান। বিহুৰ কেইবাদিনো আগৰে পৰা গাঁৱৰ ঘৰে ঘৰে ঢেঁকীৰ শব্দ শুনা যায়। সান্দহ, চিৰা, মুড়ী আৰু বিভিন্ন প্ৰকাৰৰ পিঠাৰ সুবাসে গাঁৱৰ আকাশ-বতাহ মলমলাই তোলে। বিহুৰ দিনকেইটাত আলহী-অতিথিক আপ্যায়ন কৰা আৰু একেলগে বহি জলপান খোৱাটো গ্ৰাম্য সমাজৰ এক সুন্দৰ ৰীতি।

সাম্প্ৰতিক সময়ত নগৰীয়া যান্ত্ৰিকতাৰ মাজত বিহুৰ স্বৰূপ কিছু সলনি হ'লেও, গ্ৰাম্য সমাজত ইয়াৰ মৌলিকতা আজিও অটুট আছে। পথাৰৰ মাটিৰ গোন্ধ, কুলিৰ মাত আৰু ঢোল-পেঁপাৰ শব্দৰ মাজতেই প্ৰকৃত ৰঙালী বিহুটি জীয়াই থাকে। চহা অসমীয়াৰ সৰলতা, শ্ৰম আৰু সংস্কৃতিৰ মিলনভূমি হ'ল এই ব'হাগ বিহু। ই আমাৰ জাতীয় জীৱনৰ স্বাভিমান আৰু ঐতিহ্যৰ বাহক।

# বিহুটি নামেৰে তিনিটি আখৰ ঐ...

"বিহুটি নামেৰে তিনিটি আখৰ ঐ/ কোনেনো লিখিলে শিলত / ঘূণেও নধৰে মামৰেও নধৰে/ থাকিব অসমীয়াৰ মাজত"।

বিহু নামৰ এই তিনিটা আখৰৰ বিশেষ শব্দটো সঁচাকৈয়ে শিলত কটা..... ঘূণে বা মামৰে ধৰিব নোৱাৰা। প্ৰতিগৰাকী অসমীয়াৰ হিয়াই হিয়াই, শৰীৰৰ প্ৰতিবিন্দু তেজত বিহু আছে, সদায় থাকিব। বিহুটিৰ লগত অসমীয়াৰ যেন উশাহ-নিশাহৰ সম্পৰ্ক জড়িত হৈ আছে। যুগে-যুগে বিহুটিৰ সৈতে অসমীয়া মানুহৰ এক সুগভীৰ আৱেগিক সম্পৰ্ক জড়িত হৈ আছে। প্ৰকৃতাৰ্থতে বিহুটিয়েই বৃহত্তৰ অসমীয়া জাতিটোক জীয়াই থকাৰ সাৰ-পানী যোগাই আহিছে। এটা কথা ঠিক যে, যিদিনাই বিহুটিয়ে আমাৰ মাজৰ পৰা বিদায় লোৱাৰ উপক্ৰম হ'ব সিদিনাই আমাৰ অসমীয়া বুলি চিনাকী দিয়া এই জাতিটোৰো অপমৃত্যু ঘটিব। 'আমাৰ বিহু ভাঙোতা নাই' বুলি চামে চামে ডেকা-গাভৰুৱে বিহুৰ সৈতে আত্মীয়তা ঘোষণা কৰি আহিছে। হেঁপাহৰ বিহুটিয়ে যি উচ্ছাস, প্ৰীতি আৰু আনন্দময়তাৰ সৃষ্টি কৰে বোধকৰো আন কোনো উৎসৱেই সেয়া সৃষ্টি কৰিব নোৱাৰে।



হিমাংশু ৰণ্‌জন ভূঞা

বিহু কৃষিভিত্তিক লুইতপৰীয়া অসমীয়া চহা সমাজৰ কৌটিকলীয়া উৎসৱ, লোকজীৱনৰ বুনিয়াদ আৰু লোক-সংস্কৃতিৰ দাপোনস্বৰূপ। এই বিহুটিৰ লগত অসমত বসবাস কৰা পাহাৰ-ভৈয়াম, ধৰ্ম-বৰ্ণ, জাতি-উপজাতি নিৰ্বিশেষে সকলোৰে সম্পৰ্ক নিবিড় হৈ আছে বাবেই বিহুৰ মৰমত প্ৰতিগৰাকী অসমবাসীৰ হৃদয়ত তৎপৰতা আৰম্ভ হয়। বিহু উৎসৱটোৰ বুকুতে অসমীয়া সংস্কৃতি আৰু জাতীয় জীৱনৰ সিংহভাগ সমল পোৱা যায় বাবেই বিহু অসমীয়া লোক-সংস্কৃতিৰ শ্ৰেষ্ঠতম সম্পদ হিচাপে গণ্য কৰা হয়। প্ৰকৃতিৰ বৈচিত্ৰময় ৰূপ-বৈভৱৰ পৰিৱৰ্তন আৰু কৃষিকেন্দ্ৰীক লোকজীৱনৰ সহজ সৰল জীৱন-যাত্ৰাৰ মাজতেই এদিন বিহুৰ উৎপত্তি হৈছিল। প্ৰকৃতপক্ষে অসমীয়া সমাজ জীৱনৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, ধৰণ কৰণ, পিন্ধন উৰণ, খেতি-বাতি, খোৱা-বোৱা, চিন্তা কল্পনা আদি এনে এটা দিশ নাই যিসমূহ বিহুৰ মাজেদি প্ৰতিফলিত হোৱা নাই। তাৰ লগে-লগে বিহুৱে সামাজিক ঐক্য-সম্প্ৰীতি আৰু জাতীয়তাবোধ সৃষ্টিত মহত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে।



সমস্যাজৰ্জৰ অসমীয়া কৃষিজীৱি চহা জীৱনৰ হা-হুমুনিয়াহ, পোৱা-নোপোৱা, সুখ-দুখবোৰ সংপৃক্ত হৈ আছে বিহুটিৰ সৈতে। বিহু সংস্কৃতি বুলিলে বিহু আৰু ইয়াৰ সৈতে জড়িত থকা ভালেমান সামাজিক লোকাচাৰ আৰু থলুৱা লোক-কৃষ্টি আধাৰিত নৃত্য-গীতৰ কথাই মনলৈ আহে। সম্প্ৰতি বিহুৰ গ্ৰহণযোগ্যতা দেশ-কাল-পাত্ৰভেদে সমৰ্থিত হৈছে। এসময়ত এনে এটা সংকটপূৰ্ণ দিন আছিল, যেতিয়া বিহুক এচাম তথাকথিত ৰক্ষণশীল লোকে শ্লীল-অশ্লীলৰ আঁওতালৈ আনি ৰাউচি জুৰিছিল সমাজ গুছিল বুলি। কিন্তু পৰিৱৰ্তিত সময়ৰ লগে লগে বিহুয়েও আজিৰ অৱস্থা পাইছে। বৰ্তমান বিহু আন্তঃৰাষ্ট্ৰীয় মৰ্যদাপ্ৰাপ্ত সৰ্বসমাদৃত সংস্কৃতি।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক সাঙুৰি লৈ একতা-সম্প্ৰীতিৰ ডোলেৰে বান্ধি লোৱা বাপতি সাহোন বিহুটিক চহা জীৱনৰ মাজৰ পৰা অষ্টাদশ শতিকাৰ আৰম্ভনিত স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰাজপৃষ্ঠপোষকতাৰে ৰংঘৰৰ বাকৰিত আনুষ্ঠানিকভাৱে সামাজিক মৰ্যদা প্ৰদান কৰিলে। নানা জাতি-উপজাতি আৰু বিশাল সাংস্কৃতিক বিনিময়েৰে গঢ়ি উঠা বৃহৎ অসমীয়া জাতিক বিশিষ্ট মৰ্যদা প্ৰদান কৰাৰ বাবেও এই বিহু উৎসৱে বিশেষভাৱে অৰিহণা যোগাই আহিছে আৰু সাংস্কৃতিক সমন্বয়-সংহতিৰ ধ্বজা স্থাপন কৰি জাতীয় জীৱনৰ ভেঁটি সুদৃঢ় কৰি ৰাখিছে। উচ্চ-নীচৰ প্ৰাচীৰ নমনা বিহুৱে মানুহৰ অন্তৰৰ পৰা অন্তৰলৈ বিয়পাই সঁচা ভাতৃত্ববোধ, মৰম, চেনেহ, আত্মীয়তা আৰু শান্তিৰ বন্যা। বিহুৱে পাহৰাই ধনী-দুখীয়াৰ প্ৰভেদ, জাতি-বৰ্ণ-গোষ্ঠীৰ সংকীৰ্ণতা আৰু ৰক্ষণশীলতাৰ ঠেক মনোভাৱ। বিহুৰ সাৰ্বজনীন ৰূপ, ধৰ্ম নিৰপেক্ষতা, সাংস্কৃতিক বিশিষ্টতাৰ বাবে ধৰ্ম-বৰ্ণ-জাতি-উপজাতি নিৰ্বিশেষে সকলোৱে দ্বিধাহীনভাৱে বিহুক আকোঁৱালি লয়। তাৰোপৰি, বিহু উৎসৱৰ নৃত্য-গীত আৰু সামাজিক-সাংস্কৃতিক পৰম্পৰাই, কৃষ্টিৰ বিনন্দীয়া সুৰে মানুহৰ মন পোহৰাই তোলাৰ লগতে নিজস্ব স্বাভীমান আৰু জাতীয়তা বোধৰ বৈশিষ্টৰে সমুজ্বল বৃহত্তৰ অসমীয়া সমাজ জীৱনক মহীয়ান কৰি তুলিছে। আচলতে, বিহুৰ গাঁত ভেঁজা দিয়েই অসমীয়া সংস্কৃতি আৰু জাতীয় জীৱন আগবাঢ়ি আহিছে আৰু অনাগত দিনবোৰতো আগবাঢ়ি যাব।

এটা কথা ঠিক যে, আধুনিক নগৰকেন্দ্ৰীক সংস্কৃতিৰ প্ৰভাৱে গ্ৰামাঞ্চললৈ বাট পোনোৱাৰ লগে লগে বিহুৰ গাত এটাৰ পাছত আনটো আঁচোৰ পৰিবলৈ ধৰিলে। ফলত ভালেমান পৰম্পৰাগত আচাৰ আচৰণ এৰাপলৰীয়া হ'ল। সম্প্ৰতি, বৰ্ণময় ঐতিহ্য-সংস্কৃতিৰে মহীয়ান বিহুৰ উজ্বলতা কিছুমান নেতিবাচক তুলুঙা চিন্তা-চেতনা আৰু কৰ্মব্যৱস্থাত পৰি ক্ৰমাৎ ম্লান পৰিবলৈ আৰম্ভ কৰিছে, যাৰ বাবে বিহুৰ স্বকীয়তা আৰু বিহু নৃত্য-গীতৰ পূৰ্বৰ মাদকতা হেৰাই গৈছে বুলি ক'লেও অতুক্তি কৰা নহ'ব। বৰপথাৰৰ যুৰীয়া আঁহতৰ তলৰ পৰা চহৰৰ ৰং চঙীয়া মঞ্চত উঠাৰ পাছৰ পৰাই বিহুৰ নামত কিছুমান বিজতৰীয়া অপচিন্তা আৰু অন্ধ অনুকৰণে বেছিকৈ গুৰুত্ব লাভ কৰিবলৈ ধৰিলে যাৰ বাবে অসমীয়া সমাজ-জীৱনৰ মৰ্যদাৰ ভেঁটিটোত, গৰিমাপুষ্ট সংস্কৃতিৰ ভেঁটিটোত কেণা লাগিবলৈ আৰম্ভ কৰিলে। পশ্চিমীয়া অপসংস্কৃতিৰ তীব্ৰতাত অসমীয়া জাতীয় উৎসৱ ৰঙালী বিহুটিয়েও নান্দনিক সৌন্দৰ্য আৰু স্বকীয় বৈশিষ্টতা হেৰুৱাই লঠঙা ৰূপ ল'বলৈ বৰ বেছি দিন নালাগিল। ভোগবাদ-বস্তুবাদৰ আঁচোৰত বিহুৰ জীপাল ৰূপটি তেনেই জুৰুলা হৈ পৰিল।

আজি কিছুবছৰৰ পৰা কিছুমান অপতৃণে বিহুক ক্ৰমশঃ এনেদৰে গ্ৰাস কৰিবলৈ ধৰিছে যে আমাৰ উঠি অহা প্ৰজন্মই অতি কম দিনৰ ভিতৰত বিহু সম্পৰ্কত এক নেতিবাচক ভুল আৰু বিকৃত ধাৰণা যে গ্ৰহণ কৰিব সেয়া সহজে অনুমেয়। নিশ্চিত ভাৱে অসমৰ ভৱিষ্যত প্ৰজন্মলৈ বিহুৰ অমিয়া ৰূপ ৰস অক্ষয়-অব্যয় ৰূপত প্ৰবাহিত কৰি নিয়াৰ দায়িত্ব আৰু কৰ্তব্য কান্ধ পাতি ল'ব লাগিব আজিৰ প্ৰতিগৰাকী সচেতন অসমীয়াই। ৰূপান্তৰৰ ৰূপকাৰ জ্যোতিপ্ৰসাদে কৈছিল - 'ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে।' বিহুলৈ অহা এই ৰূপান্তৰ বা পৰিৱৰ্তনসমূহক নিয়ন্ত্ৰিত আৰু পৰিশীলিত ৰূপত আদৰি লৈ, বৰ্তমান আমাৰ সমাজত বিহুক কেন্দ্ৰ কৰি যিবোৰ নেতিবাচক চিন্তা-চৰ্চা আৰু অপসংস্কৃতি গঢ় লৈ উঠিছে, সেইবোৰ আঁতৰাই জাতিটোৰ সুস্থ চিন্তা-চেতনাক উৰ্ধত ৰাখি মানসিক দিশটোক নিকা কৰাৰ অৰ্থে প্ৰতিজন অসমীয়াই আন্তৰিকতাৰে চেষ্টা কৰাটো অতিকে প্ৰয়োজনীয় হৈ পৰিছে। আমি পাহৰি যাব নালাগে যে বিহুৰ অন্তৰ্নিহিত তাৎপৰ্যই হ'ল অসমীয়া সংস্কৃতিৰ, অসমীয়া জাতিৰ দাপোণ। আমি বিহুৰ অতীতৰ সেই বিনন্দীয়া ৰূপটি ঘূৰাই আনিব নোৱাৰিলেও চেষ্টা কৰিলে ইয়াৰ পৰম্পৰাগত ৰীতি-নীতি আৰু ঐতিহ্য ৰক্ষা কৰি উঠি অহা চামলৈ শুদ্ধ ৰূপত বিহুক প্ৰবাহিত কৰাৰ ক্ষেত্ৰত কিছু হ'লেও সফল হ'ব পাৰিম।

এই গভীৰ প্ৰত্যাশাৰেই সকলোলৈকে জাতিটোৰ আয়ুসৰেখা-চেনেহৰ বিহুটি আৰু অসমীয়া নতুন বছৰটিৰ আন্তৰিক শ্ৰদ্ধা, সেৱা আৰু শুভকামনা জনালো। বছৰটো সকলোৰে কুশলে যাওঁক।

# বিহু, প্ৰচলিত পৰম্পৰা আৰু আধুনিকতাৰ সংঘাত

বিহু মূলতঃ বসন্ত উৎসৱ। পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন জনগোষ্ঠীয়ে ইয়াক বিভিন্ন নাম তথা পৰম্পৰাৰে পালন কৰি আহিছে। সৰ্বভাৰতীয় তথা বিশ্ব দৰবাৰত স্থান আৰু মান পোৱা বিহুটি অসমীয়াৰ হিয়াৰ আমঠু, অতি আদৰৰ, অতি হেঁপাহৰ। এই আদৰ তথা হেঁপাহৰ ৰঙালী বিহুটিৰ দ্বাৰা অসমীয়া কৃষিজীৱি ৰাইজে মাটিৰ উৰ্বৰতা বৃদ্ধি, বিপদ -বিঘিনী দূৰীকৰণ তথা কৃষিৰ প্ৰাচুৰ্য কামনা কৰে। সেয়েহে এই বিহুৰ লগত প্ৰতি গৰাকী অসমীয়াৰ এক এৰাব নোৱাৰা সম্পৰ্ক বিদ্যমান।

সময়ৰ দ্ৰুত গতিত আমাৰ লোক - সমাজত বিহু উৎসৱ পালন কৰাৰ ধৰণ -কৰণত বহু পৰিৱৰ্তন অহা দেখিবলৈ পোৱা গৈছে। অৱশ্যে ই বহুলাংশে সময়ৰ আহ্বান। কিয়নো সংস্কৃতি আৱহমান, সংস্কৃতি গতিশীল। আনহাতে সময় কাৰো বাবে ৰৈ নাথাকে। সময়ে পৰিৱৰ্তন সাধন কৰে। সেয়ে বিহুৰ ক্ষেত্ৰত আহি পৰা পৰিৱৰ্তন সমূহক আমি মানি লোৱা বা গ্ৰহণ কৰা উচিত যদিও, পৰিৱৰ্তিত ৰূপত ইয়াৰ প্ৰসাৰ ঘটিলেও কিন্তু বিহুৰ উদ্দেশ্যধৰ্মী চিন্তাটো এৰাই চলা উচিত নহয়। কেৱল মাত্ৰ মনত ৰখা উচিত যে বিৱৰ্তমান পৃথিৱীত বিৱৰ্তনক প্ৰাধান্য দিও বিহুৰ মৌলিকতাখিনি অটুট ৰাখিব পাৰি।



নিবেদিতা হাজৰিকা

পূৰ্বতে বিহু কেৱল চহা কৃষকৰ আনন্দৰ উৎসৱহে আছিল। সেয়েহে অসমীয়া লোক সমাজত পালন কৰা তিনিওটা উৎসৱ আছিল কৃষিকেন্দ্ৰিক। কালক্ৰমত বিহু সামাজিক উৎসৱলৈ পৰিৱৰ্তন হ'ল আৰু অৱশেষত ৰূপ আৰু নাম সলাই বিহু অৱশেষত জাতীয় উৎসৱলৈ পৰিৱৰ্তন হ'ল।

আমাৰ দেশ ভাৰতবৰ্ষ তথা অসমে স্বাধীনতা পোৱাৰ পাছত বিশেষকৈ দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা অসমৰ সমাজ ব্যৱস্থালৈ বহুতো বিপৰ্যয় আহিল। এই বিপৰ্যয়ৰ পাছৰ পৰাই যেন অসমৰ সামাজিক ব্যৱস্থাৰ লগতে আমাৰ চেনেহৰ বিহুটিৰো ভালেমান পৰিৱৰ্তন ঘটিল। বিহু এতিয়া পূৰ্বৰ দৰে স্বতঃস্ফূৰ্ত নহয়। বিহুক এতিয়া আৰোপ কৰা হয় জনসাধাৰণৰ ওপৰত। বিহুত এতিয়া স্বাভাৱিকতাৰ স্থান নাই। বিহু পৰিণত হৈছে ভোগবাদৰ এক পণ্য সামগ্ৰীত।

এসময়ত ৰঙালী বিহু উৎসৱমুক্ত আৰু স্বতঃস্ফূৰ্ত আছিল। স্বতঃস্ফূৰ্ত আৰু মুক্তভাৱে নৈৰ চাপৰি, বাৰীৰ চুক, পথাৰৰ বৰ গছ/ আহঁত গছৰ তলত অথবা যুৰীয়া জামু গছৰ তলত অসমীয়া ডেকা-গাভৰু সকলোৱে মিলি হিয়া উজাৰি বিহুনাম গাই অথবা বিহু নৃত্য পৰিৱেশন কৰি বিহু পালন কৰিছিল। কিন্তু কালক্ৰমত বিহুত আধুনিকতাৰ পৰশ পৰিল। গাঁৱৰ জীয়ৰী-বোৱাৰী সকলে বোৱা-কটা কৰিবলৈ প্ৰায় এৰি দিয়াৰ দৰেই হ'ল। আগৰ গাঁৱৰ ঘৰৰ চিনাকি সেই তাঁতৰ শব্দ, ঢেঁকিৰ শব্দ প্ৰায় নোহোৱাই হ'ল বুলিব পাৰি। যুৱক সকলৰ বহুতেই খেতি কৰিবলৈ এৰি দিয়াৰ দৰে হ'ল। বিহুৰ মৰমৰ গামোচাখনৰ পৰা আৰম্ভ কৰি পিঠা-পনা কেইটাও বজাৰৰ পৰাহে অহা হ'ল। ব্যস্ততাৰ দোহাই দি বহুতে টকা দিলেই পিঠা -পনা সকলো কিনিবলৈ পোৱা যায় বুলি ভাবি লৈ চেনেহৰ বিহুটিত পিঠা-পনা কেইটাও নিজ হাতে প্ৰস্তুত কৰিবলৈ অনীহা প্ৰকাশ কৰে। বিহুত আগৰ দৰে ঘৰে-ঘৰে চিৰা-পিঠা খাই ঘূৰি ফুৰাৰ পৰম্পৰাও নোহোৱাৰ দৰে হ'ল। ঘৰে-ঘৰে গৈ হুঁচৰি গোৱাৰ পৰম্পৰাও যেন নোহোৱা হ'ল। আৰ্থিক ভাবে সৱল সকলৰ ঘৰত মোটা অংকৰ বিনিময়ত হুঁচৰি গোৱা পৰম্পৰা এটাই গা কৰি উঠা আজি বহু বছৰ হ'ল। ধনী-দুখীয়া বিচাৰ নকৰি সকলোৱে ঘৰত পদধূলা দিয়াৰ যি নিয়ম আছিল সিয়োঁ আজি কালৰ বুকুত হেৰাই যোৱাৰ দৰে হ'ল। গৃহস্থৰ কুশল কামনা কৰি আৰ্শীবাদ দি হুঁচৰি গোৱা ৰীতি-নীতি গাঁৱৰ দুখীয়া ঘৰৰ পৰা আহি নগৰৰ বণিক, অভিযন্তা, চিকিৎসক তথা দেশ নেতাৰ, ধনীক শ্ৰেণীৰ ঘৰত প্ৰৱেশ ঘটিল। ৰঙেৰে ওপচা ৰঙালী বিহুৰ যেন বিৱৰ্তনৰ বাটত ইতিমধ্যে মৃত্যু হৈছে। দৰাচলতে শ্ৰমজীৱী জনগণৰ হাতৰ পৰা বিহুৰ দা- দায়িত্ব যি দিনাই নগৰীয়া পৰজীৱি শ্ৰেণীটোৱে কাঢ়ি আনিলে, সেই দিনাই বিহুৰ অকাল মৃত্যু হ'ল। এতিয়া আৰু বিহু কৃষিজীৱি, শ্ৰমজীৱি জনগণৰ বাবে সম্পদ নহয়। তেওঁলোকৰ বাবে ই এক ভালুকৰ সাক্ষী যেন। যাক অতিপাত মৰমৰ বাবে এৰিবও নোৱাৰি আৰু স্বতঃস্ফূৰ্ততাৰ অভাৱৰ বাবে ধৰি ৰাখিবও নোৱাৰি।

সৰ্বভাৰতীয় তথা বিশ্ব দৰবাৰত স্থান আৰু মান পোৱা বিহুটিক বৰ্তমান নগৰৰ দোকান - বজাৰৰ আগত আৱদ্ধ কৰা বুলি ক'লেও অত্যুক্তি কৰা নহয়। গছ তলৰ বিহু গৈ মঞ্চত উঠিল। মুক্ত ভাবে কৰা বিহু নৃত্য নিৰ্দিষ্ট মুদ্ৰাত আৱদ্ধ কৰা হ'ল। ফলত বিহুনৃত্যৰ স্বতঃস্ফূৰ্ত আনন্দ নোহোৱাৰ দৰে হ'ল। ৰঙালী বিহুত মঞ্চত উঠি নৃত্য আৰু ঢোল, পেঁপা, তাল, টকা আদি বজাই গীত পৰিৱেশন কৰাত যে বিহুৰ তাৎপৰ্য নাথাকে সেই কথা ভাবিবৰ হ'ল। বিহুৱে বহন কৰা অসমীয়া জাতীয় জীৱনৰ ছবিখন পৰিৱৰ্তনৰ ঢৌত এনেদৰে ম্লান পৰি যাবলৈ দিয়া উচিত নহয়। উঠি অহা প্ৰজন্মৰ মাজত গঢ় লৈ উঠা বিহু কেন্দ্ৰিক কিছুমান ধাৰণা নিৰ্মূল নকৰিলে প্ৰাণৰ বিহুটিক বাণিজ্যিক উৎসৱ আৰু বিহুগীতবোৰক আধুনিক গীত বুলি ভাবিবলৈ ধৰিব।

জাতীয় জীৱনৰ মহা অংগ স্বৰূপ ৰঙালী বিহুটিত আধুনিকতাৰ পৰাটো স্বাভাৱিক। চলন্ত সময়ৰ লগত গতি কৰিছে বাবেই এই পৰিৱৰ্তন আহিছে। সেই সূত্ৰেই এই পৰিৱৰ্তন। কিন্তু সময়ৰ লগত খোজ মিলাই যাব লাগিব বুলিয়ে আমি আমাৰ বিহুটিক কিমান আধুনিক হ'বলৈ দিম? নতুনত্ব আমিও বিচাৰো। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে আধুনিকতা আৰু নতুনত্বৰ দোহাই দি আমি আমাৰ বিহুটিৰ নিজস্বতা, নিজস্ব সৌন্দৰ্য হানি কৰি ম্লান পৰি যাবলৈ ধৰা সৌন্দৰ্য চকুৰ আগত হেৰাই যাবলৈ দিম। যিমানেই আধুনিক নহওক কিয় নিজস্বতা আৰু স্বকীয় বৈশিষ্ট্য বজাই ৰাখিহে আমি আমাৰ বিহুটিক ন-সাজেৰে আদৰা উচিত। পূৰ্বৰে পৰা চলি অহা পৰম্পৰা সমূহ আধুনিকতাৰ দোহাই দি অমান্য কৰা অনুচিত। কিয়নো, চহা জীৱনৰ সৈতে সংপৃক্ত হৈ থকা বিহু কেন্দ্ৰিক পৰম্পৰা সমূহৰ আছে বহু বৈজ্ঞানিক ভিত্তি। অৱশ্যে এইটোও সত্য যে বহু পৰম্পৰাৰ বৈজ্ঞানিক ভিত্তি নাই যদিও পূৰ্বৰে পৰা চলি অহাৰ বাবে সেই সমূহ তেনেকৈয়ে পুৰুষানুক্ৰমে চলাই লৈ যোৱাটোৱে সঠিক সিদ্ধান্ত। পৰম্পৰাৰ লগত আধুনিকতাৰ সংঘাত হোৱাটো মুঠেই সমিচীন নহয়। এনে হ'লে বিহুৰ প্ৰচলন পৰম্পৰা, লোকাচাৰ আদি এটা সময়ত সম্পূৰ্ণ নিঃশেষ হৈ পৰিব। আমি মনত ৰখা উচিত যে বিহু স্বতঃস্ফূৰ্ত আৰু অকৃত্ৰি। আধুনিকতাৰ পৰশত এই সমূহ হেৰাই যাবলৈ দিয়া মানে বিহুৰ সৌন্দৰ্য হ্ৰাস। সেয়ে বিহুৱে যাতে প্ৰকৃত সৌন্দৰ্য নেহেৰুৱায় আৰু পৰম্পৰাসমূহ আধুনিকতাৰ নামত নিঃশেষ হৈ নাযায় সেই কথাৰ প্ৰতি সচেতন হ'ব লাগিব।

সাতদিনীয়া কাৰ্যসূচীয়েৰে বসন্তৰ আনন্দেৰে মুখৰিত হ'ব সমগ্ৰ অঞ্চল

# চেঙাত ৯৪ সংখ্যক আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ বিশাল আয়োজন

**অসম বাৰ্তা, চেঙা, ১৪ এপ্ৰিল ঃ** অসমীয়াৰ প্ৰাণৰ উৎসৱ ৰঙালী বিহুৰ আগমনৰ লগে লগে ৰাজ্যজুৰি উৎসৱমুখৰ পৰিৱেশে দেখা দিছে। ঋতুৰাজ বসন্তৰ আগমনত প্ৰকৃতি সেউজীয়া ৰূপেৰে সজীৱ হৈ উঠিছে, গছ-গছনিত নতুন পাতা মেলিছে, ফুলেৰে সুগন্ধি বিয়পি পৰিছে আৰু কোকিলৰ মধুৰ কুহু-কুহু মাতত গাঁও-চহৰ মুখৰিত হৈ উঠিছে। এই আনন্দময় পৰিৱেশৰ মাজতে চেঙা অঞ্চলতো আৰম্ভ হৈছে ৰঙালী বিহুৰ ব্যাপক প্ৰস্তুতি। চেঙা ঐক্য সন্মিলনৰ উদ্যোগত এইবাৰ আয়োজন কৰা হৈছে ৯৪ সংখ্যক চেঙা আঞ্চলিক ৰঙালী বিহু সন্মিলন। ১ বহাগৰ পৰা ৭ বহাগলৈকে, অৰ্থাৎ ১৫ এপ্ৰিলৰ পৰা ২১ এপ্ৰিল, ২০২৬ তাৰিখলৈ সাতদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই ঐতিহ্যমণ্ডিত বিহু উৎসৱ। ইতিমধ্যে চেঙা অঞ্চলত উৎসৱৰ প্ৰস্তুতি জোৰদাৰভাৱে চলি আছে আৰু ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা লক্ষ্য কৰা গৈছে। চেঙা ঐক্য সন্মিলনৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিছে গৌতম পাঠকে, সম্পাদক হিচাপে দায়িত্ব পালন কৰিছে চিন্ময় ডেকাই। তদুপৰি চেঙা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ কাৰ্যকৰী সভাপতি হিচাপে অঞ্জন কুমাৰ ৰয় আৰু হৰেকৃষ্ণ ডেকাই দায়িত্ব গ্ৰহণ কৰিছে। সাংস্কৃতিক সম্পাদক হিচাপে কোকিল বায়নে আৰু খেল সম্পাদক হিচাপে বাপুজী পাঠকে দায়িত্ব পালন কৰিব। সভাপতি হিচাপে হৰেন্দ্ৰ নাথ পাঠকে সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে নেতৃত্ব আগবঢ়াইছে। আয়োজক সমিতিৰ পৰা জানিব পৰা মতে, এই সাতদিনীয়া বিহু সন্মিলনত থাকিব বিভিন্ন ধৰ্মী আৰু বৰ্ণাঢ্য কাৰ্যসূচী। ইয়াৰ ভিতৰত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, শোভাযাত্ৰা, মুকলি সভা, বিহুনাচ আৰু বিহুগীত প্ৰতিযোগিতা, থলুৱা ক্ৰীড়া প্ৰতিযোগিতা, শিশু-কিশোৰৰ বাবে চিত্ৰাঙ্কন আৰু সাংস্কৃতিক প্ৰতিযোগিতা, ৰাতিৰ সাংস্কৃতিক সন্ধিয়া আদি উল্লেখযোগ্য। লগতে স্থানীয় শিল্পীসকলৰ উপৰিও ৰাজ্যৰ বিশিষ্ট আৰু জনপ্ৰিয় শিল্পীসকলেও অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। প্ৰতিবছৰে এই বিহু সন্মিলনে চেঙা অঞ্চলত এক বিশেষ সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰি আহিছে। গাঁওবাসী, যুৱ-প্ৰজন্ম আৰু বয়োজ্যেষ্ঠ সকলোৱে একেলগে মিলি এই উৎসৱ উদ্‌যাপন কৰে, যাৰ ফলত সমাজত ঐক্য, ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ বাতাবৰণ অধিক সুদৃঢ় হয়। এইবাৰো সেই একে ধাৰাত, অধিক আকৰ্ষণীয় আৰু সফল ৰূপে উৎসৱ আয়োজন কৰাৰ লক্ষ্য লৈছে আয়োজক সমিতিয়ে। উল্লেখযোগ্য যে, ৰঙালী বিহু কেৱল এটা উৎসৱ নহয়, ই অসমৰ সংস্কৃতি, পৰম্পৰা আৰু জাতীয় চেতনাৰ এক উজ্জ্বল প্ৰতীক। কৃষিভিত্তিক জীৱনধাৰাৰ লগত জড়িত এই উৎসৱে মানুহৰ জীৱনত নতুন আশাৰ বতৰা কঢ়িয়াই আনে। নতুন বছৰৰ আৰম্ভণিৰ লগে-লগে এই উৎসৱে সকলোকে এক নতুন উদ্যম আৰু আনন্দৰ সঁচা অনুভৱ দিয়ে। চেঙা আঞ্চলিক ৰঙালী বিহু সন্মিলনেও এই মহান উদ্দেশ্য আগত ৰাখি কাম কৰি আহিছে। ইয়াৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজত বিহুৰ ঐতিহ্য সংৰক্ষণ কৰাৰ লগতে তেওঁলোকক সংস্কৃতিৰ সৈতে জড়িত কৰি ৰখাৰ প্ৰচেষ্টা চলোৱা হৈছে। সৰ্বশেষত, আয়োজক সমিতিয়ে চেঙা তথা পাৰ্শ্ববৰ্তী অঞ্চলৰ সকলো ৰাইজক এই বিহু উৎসৱত অংশগ্ৰহণ কৰি অনুষ্ঠানসমূহ সফল কৰাৰ বাবে আহ্বান জনাইছে। ৰাইজৰ সহযোগিতা আৰু অংশগ্ৰহণে এই বাৰৰ ৯৪ সংখ্যক ৰঙালী বিহু সন্মিলন অধিক স্মৰণীয় আৰু সফল হৈ উঠিব বুলি আশা প্ৰকাশ কৰা হৈছে।

■ ৰসৰাজ বেজবৰুৱাৰ 'চম্পাৱতী'ৰ নাট্যৰূপ প্ৰদৰ্শন ■

# ডিব্ৰুগড়ত সক্ষম শিশুৰ 'প্ৰেৰণা' শিশুগৃহত উমৈহতীয়া জন্মদিন উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ অনাথ শিশু আৰু বিশেষভাৱে সক্ষম সকলৰ হৈ বিগত পঁচিশ বছৰৰো অধিক কাল সেৱা আগবঢ়াই অহা 'প্ৰেৰণা প্ৰতিবন্ধী এনজিঅ' নামৰ একমাত্ৰ স্বেচ্ছাসেৱী সংগঠন চমুকৈ 'প্ৰেৰণা'ৰ উদ্যোগত সংগঠনটোৰ 'প্ৰেৰণা শিশুগৃহ'ত থকা ৩০ গৰাকী শিশুৰ উমৈহতীয়া জন্মদিন পালন কৰা হয়। ইয়াৰ স'তে সংগতি ৰাখি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধু 'চম্পাৱতী'ৰ ৰাজীৱ দাসৰ নাট্যৰূপ আৰু পৰিচালনা, ৰুদ্ৰাণী শৰ্মাৰ সহযোগী পৰিচালনাত সাৱলীল ভাৱে প্ৰদৰ্শন কৰি শিশুসকল উপস্থিত থাকি সকলোকে আপ্লুত কৰে। এই উপলক্ষে চহৰখনৰ মানকটাস্থিত 'শ্ৰীশ্ৰী আউনীআটী সত্ৰ প্ৰেক্ষাগৃহ'ত অনুষ্ঠিত দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিশিষ্ট নাট্যকাৰ, অভিনেতা অসীম শৰ্মা আৰু সত্ৰৰ নামঘৰীয়া প্ৰশান্ত বৰাই। 'প্ৰেৰণা শিশু গৃহ'ৰ শিশুসকলে মাতৃবন্দনা পৰিৱেশন কৰে। শিশুসকলৰ উমৈহতীয়া জন্মদিন উপলক্ষ্যত কেক্ কাটি শুভাৰম্ভ কৰে ডিব্ৰুগড় জিলা শিশু কল্যাণ সমিতিৰ সভানেত্ৰী ৰূপাৰাণী কৌৰ, বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ আৰু 'প্ৰেৰণা প্ৰতিবন্ধী'ৰ সভাপতি বিৰু কুমাৰ সিঙে। 'আলোকৰে যাত্ৰা' শীৰ্ষক শিশুসকলৰ সৃষ্টিসম্বলিত প্ৰদৰ্শনী মুকলি কৰে ডিব্ৰুগড় জিলা আইন প্ৰাধিকৰণৰ সচিব অভিজিৎ শইকীয়াই। সংগঠনটোৰ দ্বাৰা প্ৰকাশিত 'প্ৰেৰণা শিশু গৃহ'ৰ শিশুসকলৰ দ্বাৰা লিখিত মুখপত্ৰ 'আমাৰ আশা' যৌথভাৱে উন্মোচন কৰে বিশিষ্ট লেখক পেইম থি গোহাঁই আৰু জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই। ইয়াৰ পিছতে অনুষ্ঠিত 'প্ৰণামী' অনুষ্ঠানত সমাজকৰ্মী কিৰণ বৰা, ডাঃ অদিতি বৰুৱা, চেতনা দত্ত, মৌচুমী পাল, মামনি শৰ্মা, ডিব্ৰুগড় শিশু কল্যাণ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড গীতিমল্লিকা গগৈ, প্ৰণীতা কোঁৱৰ, ব্যৱসায়ী প্ৰণৱ সোণোৱাল, অধিবক্তা প্ৰাঞ্জল কোঁৱৰ আদিক শিশুসেৱাৰ ক্ষেত্ৰত কৰা সহযোগিতাৰ বাবে সংগঠনটোৰ দ্বাৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। 'প্ৰেৰণা শিশু গৃহ'ৰ শিশুসকলৰ দ্বাৰা পৰিৱেশিত 'চম্পাৱতী' নাট আৰু বিচিত্ৰানুষ্ঠানটি উদ্বোধন কৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়াই। 'প্ৰেৰণা' সংগঠনৰ অধ্যক্ষা তথা শদিয়া সমষ্টিৰ প্ৰাক্তন বিধায়িকা জ্যোৎস্না সোণোৱালে আঁতধৰা অনুষ্ঠানত সমাজকৰ্মী কল্পনা খাউন্দ, সংগীতমৰ সভানেত্ৰী কল্পনা ডেকা কলিতা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাৰী অধ্যয়ন কেন্দ্ৰৰ অধ্যাপিকা লনী দুৱৰা, মহীয়সী সেউজী সাহিত্য মঞ্চৰ ডিব্ৰুগড় শাখাৰ জিতা ডেকা হাজৰিকা, জিলা শিশু কল্যাণ সমিতিৰ সদস্য-সদস্যাবৃন্দ, হেল্পিং হেণ্ডৰ সদস্যবৃন্দৰ লগতে 'প্ৰেৰণা প্ৰতিবন্ধী'ৰ সম্পাদক মহেশ কৈৰী, 'প্ৰেৰণা শিশু গৃহ'ৰ অধ্যক্ষা পাপৰি বৰুৱা, ৰশ্মিৰেখা গোস্বামী, ব্যৱস্থাপক নিৰ্মল শেনচোৱাকে ধৰি বহুসংখ্যক গণ্যমান্য বিশিষ্ট ব্যক্তিৰ লগতে দ্বিশতাধিক লোক উপস্থিত থাকে। 'প্ৰেৰণা'ৰ সদস্যাসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে সামৰণি পৰা অনুষ্ঠানটিত 'প্ৰেৰণা শিশুগৃহ'ত থকা ওঁঠৰ বছৰ উৰ্ধৰ কিশোৰ-কিশোৰী সকলৰ সংস্থাপনৰ বাবে এক আঁচনি গ্ৰহণৰ বাবে উপস্থিত অতিথি তথা বিশিষ্ট অতিথিসকলে ঐকমত্য প্ৰকাশ কৰে।

# বাক্সাৰ শংকৰদেৱ শিশু নিকেতন নবস্তিৰ পৰ্যালোচনা বৈঠক

**অসম বাৰ্তা, বাগানপাৰা, ১৪ এপ্ৰিল ঃ** বাক্সা জিলাৰ নবস্তি অঞ্চলৰ অগ্ৰনী ব্যক্তিগত শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন নবস্তি। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এই নিকেতনৰ ছাত্ৰ-ছাত্ৰী সকলে সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। নিকেতনৰ সফলতাত অঞ্চলবাসী ৰাইজে অতিশয় সন্তোষ প্ৰকাশ কৰিছে। পোন প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১৭ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাৰে ৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ মাৰ্ক লেটাৰ সহ উত্তীৰ্ণ হোৱাৰ লগতে ৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। নিকেতনৰ এই সবলতা সন্দৰ্ভত ১৩ এপ্ৰিলত অনুষ্ঠিত হয় পৰ্যালোচনা বৈঠক। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি চন্দ্ৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত বগুলামাৰী আঞ্চলিক হাইস্কুলৰ শিক্ষক অলকেশ চক্ৰৱৰ্তীয়ে ভাষণ প্ৰসংগত কয় যে সমাজ পৰিবৰ্তনৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ ৰাইজৰ সহায় -



সহযোগিতা অতি প্ৰয়োজন। তেতিয়াহে সমাজ, নিকেতন আদিৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত নিৰ্ভৰ কৰে সেই পৰ্যালোচনা বৈঠকত নয়াবস্তি হাইস্কুলৰ শিক্ষক ব্ৰজেন দাস, বাক্সা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি নৱজিৎ ৰাজবংশী, পাঞ্জাব নেচনেল বেংকৰ বড়িকাদঙা শাখাৰ শাখা পৰিচালক সমুদ্ৰ নাৰায়ণ দাস, ইন্দিৰা গান্ধী এম ই স্কুলৰ সহকাৰী প্ৰধান শিক্ষক জয়গোপাল সাহা, সমাজকৰ্মী অতুল ডেকা, ৰিখ বাহাদুৰ ৰাই, বড়িকাদঙা মিলন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দিলীপ কুমাৰ মেধি, ভাস্কজ্যোতি ছোৱালী হাইস্কুলৰ শিক্ষক হৰেন কলিতাই অংশগ্ৰহণ কৰি নিকেতন খনৰ সফলতাত সন্তোষ প্ৰকাশ কৰে। লগতে অদূৰ ভৱিষ্যতে ইয়াতকৈ অধিক ফলাফল দেখুৱাবলৈ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি আহ্বান জনায়। উক্ত বৈঠকত অঞ্চলৰ দুই শতাধিক লোক উপস্থিত থাকে। বৈঠক খনিৰ আঁত ধৰে শংকৰদেৱ শিশু নিকেতন নবস্তিৰ প্ৰধান আচাৰ্য ধনেশ্বৰ কলিতাই।

# সোণাৰি ন-জৱকাত নৱম বাৰ্ষিক আদৰণি আৰু মুকলি বিহু উদ্‌যাপন

**অসম বাৰ্তা বিশেষ, সোণাৰি, ১৪ এপ্ৰিল ঃ** "চ'তৰে শেষতে ব'হাগে পালেহি গছে-বনে সলালে ঐ পাত। আজি বিহুতলীত ঢোল, পেঁপা বাজিলে নাচো নাচো লাগিছে গাত" অসমীয়াৰ হিয়াৰ আমঠু জুবিন বিহীন এটি বহাগ। এই বহাগ বিহু উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চৰাইদেউ জিলাৰ সোণাৰি ন-জৱকা ৰংগমঞ্চত দিনযোৰা কাৰ্যসূচীৰে নৱম বাৰ্ষিক ৰঙালী বিহু আদৰণি আৰু মুকলি বিহু উদযাপন কৰা হয়। ৰাতিপুৱা গৰু গা-ধোৱা, কণী যুঁজ প্ৰতিযোগিতা, বৃক্ষৰোপণ, স্থানীয় বিহু নৃত্য আৰু শিশু সকলৰ প্ৰতিভা বিকাশৰ প্ৰদৰ্শন, বয়োজ্যেষ্ঠ সকলৰ সম্বৰ্ধনা, বহুকেইটা আমন্ত্ৰিত বিহু দলৰ প্ৰদৰ্শন কৰা লগতে সমূহীয়া জলপানেৰে দিনযোৰা কাৰ্যসূচী পালন কৰা হয়।

# নলবাৰী মৈৰাদঙ্গা পাগলাদিয়াপাৰত সমূহীয়াভাৱে গৰু বিহু উদ্‌যাপন

উপস্থিত জয়ন্ত মল্ল বৰুৱা



**অসম বাৰ্তা, নলবাৰী, ১৪ এপ্ৰিল ঃ** মঙ্গলবাৰে পালন কৰা হ'ল গৰু বিহু। ৰাজ্যৰ চৌদিশে ৰাতিপুৱাৰে পৰা নৈ-পুখুৰী আদি সমূহত নিজ নিজ গৰু সমূহক পৰম্পৰাগত নিয়ম ম'তে গা ধুৱাবলৈ লৈ যায়। ব্যতিক্ৰম নহয় নলবাৰীও। আজি নলবাৰী জিলাৰ মৈৰাদঙা পাগলাদিয়া পাৰত নলবাৰী জিলা বিহু সন্মিলনীৰ উদ্যোগত গৰু বিহু উলহ-মালহেৰে পালন কৰা হয়। অঞ্চলটোৰ ভিন্ন প্ৰান্তৰ কৃষক সকলে নিজ নিজ গৰু সমূহক লগত লৈ আহে আৰু অসমীয়া পৰম্পৰাগত নিয়ম ম'তে লাও-বেঙেনা আদি খুৱাই পাগলাদিয়া নৈত গৰু সমূহক গা ধুৱাই। এই গা ধুওৱা পৰ্বত চহা কৃষক সকলৰ লগত উপস্থিত থাকে নলবাৰী জিলা ৰঙালী বিহু সন্মিলনীৰ সভাপতি তথা এইবেলি একেটা সমষ্টিৰে NDAৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱা। অসমীয়া সাজ-পোচাক পৰিধান কৰি জয়ন্ত মল্ল বৰুৱাইও নদীৰ বুকুত গৰুক গা ধুৱাই। এইদৰে সমূহীয়াকৈ গৰু ধোৱা পৰ্ব সমাপনৰ পিছত এখন সভা অনুষ্ঠিত কৰা হয়। সভাত বিহুৰ সভাপতি জয়ন্ত মল্ল বৰুৱাই প্ৰথমে সকলো অসমবাসী ৰাইজক ৰঙালী বিহুৰ শুভেচ্ছা জনাই লগতে ৰঙালীত প্ৰকৃতিৰ আনন্দৰ দৰে সকলো ৰাইজৰে সুখ-শান্তি হোৱাৰ কামনা কৰে আৰু গৰু সমূহৰ শ্ৰীবৃদ্ধি কামনা কৰে। ইয়াৰ পিছত সকলোৱে মিলি বিহু নাচ প্ৰদৰ্শন কৰে। আজিৰ এই অনুষ্ঠানত নলবাৰী জিলা ৰঙালী বিহু সন্মিলনীৰ মুখ্য সম্পাদক ব্ৰজেন তালুকদাৰ, যুটীয়া সম্পাদক জোন কুমাৰ বৰ্মন, নয়ন গোস্বামী, বিশিষ্ট নাট্যকাৰ তথা পৰিচালক ধ্ৰুৱজ্যোতি শৰ্মা, আছু নেতা অক্ষয় ডেকা, কৌতুক অভিনেতা হৰিশ তালুকদাৰকে প্ৰমুখ্য কৰি বিহু পৰিচালনা সমিতিৰ বিষয় ববীয়া, চহা কৃষক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# গোসাঁইগাঁৱৰ দাউলিগুৰীত ৪৬ তম্ ঐতিহ্যমণ্ডিত চড়ক পূজা উদ্‌যাপন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৪ এপ্ৰিল ঃ** চড়ক পূজা অসমৰ লগতে ভাৰতবৰ্ষৰ এক অতি প্ৰাচীন লোকাচাৰভিত্তিক ধৰ্মীয় উৎসৱ। চ'ত সংক্ৰান্তিৰ পবিত্ৰ দিনটোত অনুষ্ঠিত হোৱা এই পূজাক শিৱ ঠাকুৰৰ গাজন উৎসৱ বুলিও জনা যায়। আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱ মহকুমাৰ অন্তৰ্গত দাউলিগুৰী এচ, চি পাৰাত চড়ক পূজা সমিতিৰ উদ্যোগত আৰু স্থানীয় গাঁৱৰ গাঁওবুঢ়া ভজেন সৰকাৰৰ সহযোগত পৰম্পৰাগত ৰীতি-নীতিৰে ৪৬ তম চড়ক পূজা উদ্‌যাপন কৰা হয়। পূজাৰ লগত সংগতি ৰাখি ভক্তসকলে বিভিন্ন ধৰ্মীয় আচাৰ-অনুষ্ঠান পালন কৰে আৰু শিৱ ভক্তসকলৰ উপস্থিতিত স্থানখন ভক্তিময় পৰিৱেশেৰে মুখৰিত হৈ উঠে। উৎসৱৰ অন্যতম আকৰ্ষণ আছিল ভক্তসকলৰ তপস্যামূলক আচৰণ আৰু বিভিন্ন লোকাচাৰ-সংস্কৃতিৰ প্ৰদৰ্শন। স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগিতাত অগণন ভক্তৰ সমাগমত অনুষ্ঠানটো সাফল্যমণ্ডিতভাৱে সম্পন্ন হয়। উক্ত স্থানত চড়ক পূজাই অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাৰ লগতে নতুন প্ৰজন্মক প্ৰাচীন পৰম্পৰাৰ সৈতে পৰিচিত কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে বুলি উল্লেখ কৰে পূজা সমিতিৰ সভাপতি প্ৰদীপ সৰকাৰ আৰু সাধাৰণ সম্পাদক দিপক ৰায়ে।

# গোসাঁইগাঁৱত ড° বি.আৰ. আম্বেদকাৰৰ ১৩৫ সংখ্যক জন্ম জয়ন্তী পালন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৪ এপ্ৰিল ঃ** ভাৰতীয় সংবিধানৰ পিতৃ স্বৰূপ, ভাৰত ৰত্ন ড° ভীমৰাও আম্বেদকাৰৰ ১৩৫ সংখ্যক জন্ম দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোসাঁইগাঁৱতো এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। অসম অনুসূচিত জাতি পৰিষদৰ গোসাঁইগাঁও জিলা সমিতিৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মহান মনিষীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে তেওঁৰ আদৰ্শৰে সমাজ গঢ়াৰ সংকল্প লোৱা হয়। আজি পুৱাই গোসাঁইগাঁৱত এক আধ্যাত্মিক আৰু শ্ৰদ্ধাপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। অসম অনুসূচিত জাতি পৰিষদৰ গোসাঁইগাঁও জিলা সমিতিৰ নেতৃত্বত ড° বি.আৰ. আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যৰ্পন আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত উপস্থিত থকা সমিতিৰ বিষয়ববীয়া তথা স্থানীয় ৰাইজে মহান নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। "ড° আম্বেদকাৰ কেৱল ভাৰতীয় সংবিধানৰ প্ৰণেতাই নাছিল, তেওঁ আছিল সামাজিক ন্যায় আৰু সমতাৰ এগৰাকী আজীৱন যুঁজাৰু। তেওঁৰ দৰ্শন আজিও আমাৰ সমাজৰ বাবে সমানেই প্ৰাসংগিক।" কেৱল শ্ৰদ্ধাঞ্জলিতেই আৱদ্ধ নাথাকি এই অনুষ্ঠানত অনুসূচিত জাতিসমূহৰ অধিকাৰৰ সন্দৰ্ভতো গুৰুত্বপূৰ্ণ চৰ্চা কৰা হয়। জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তথা অৱসৰপ্ৰাপ্ত শিক্ষক জয়নাথ সৰকাৰে চৰকাৰৰ ওচৰত বিভিন্ন সমস্যা সমাধানৰ বাবে দাবী উত্থাপন কৰে। বিশেষকৈ বিটিচি (BTC) আৰু ৰাজ্য চৰকাৰক উদ্দেশ্যি তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ আহ্বান জনায়। "আমি ৰাজ্য চৰকাৰ আৰু বিটিচি চৰকাৰক অনুৰোধ জনাও যাতে অনুসূচিত জাতিসমূহৰ বাবে থকা প্ৰাপ্য অনুদানসমূহ সঠিক সময়ত প্ৰদান কৰা হয়। ইয়াৰ লগতে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত থকা 'ৰিজাৰ্ভেচন' বা সংৰক্ষণ ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আমি চৰকাৰক জোৰদাৰ আহ্বান জনাইছোঁ।" উল্লেখ্য যে ড° আম্বেদকাৰৰ এই জন্ম জয়ন্তীৰ জৰিয়তে গোসাঁইগাঁৱৰ অনুসূচিত জাতি পৰিষদে সমাজৰ পিছপৰা শ্ৰেণীৰ সৰ্বাংগীণ উন্নতি আৰু সাংবিধানিক সুৰক্ষাৰ বাবে এক ঐক্যবদ্ধ সংগ্ৰামৰ ইংগিত প্ৰদান কৰিছে।

# বিন্নাকান্দিত নিৰ্বাচনী ভাষণৰ ভিডিঅ' বিকৃতিৰ অভিযোগ; আৰক্ষীত গোচৰ ৰুজু

**অসম বাৰ্তা, ডবকা, ১৪ এপ্ৰিল ঃ** হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ অসম গণ পৰিষদ (AGP) দল তথা এন, ডি, এ মিত্ৰ যোটৰ প্ৰাৰ্থী সাহাব উদ্দিন মজুমদাৰৰ নিৰ্বাচনী প্ৰচাৰৰ মাজত এক বিতৰ্কৰ সৃষ্টি হৈছিল। অভিযোগ অনুসৰি, তেওঁৰ কণ্যা তথা চৌধুৰী বজাৰ জিলা পৰিষদৰ সদস্যা শ্বাবানা শ্বনম চৌধুৰীয়ে নিৰ্বাচনী সভাত দিয়া ভাষণৰ কিছু অংশ কাটি বিকৃত ৰূপত সামাজিক মাধ্যমত প্ৰচাৰ কৰা হৈছে। এই ঘটনাই ৰাজনৈতিক পৰিৱেশত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰাৰ লগতে প্ৰাৰ্থী আৰু তেওঁৰ পৰিয়ালক মানসিক হাৰাশাস্তিত পেলোৱা বুলি জনোৱা হৈছে। ইতিমধ্যে শ্বাবানা শ্বনম চৌধুৰীয়ে ডবকা আৰু লংকা আৰক্ষী থানাত এই সন্দৰ্ভত দুষ্ট চক্ৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। ইয়াৰ মাজতে নিজকে ধুৱা তুলসীৰ পাত সজাবলৈ "জুলা এইট" নামৰ এটা ফেচবুক পেজৰ সৈতে জড়িত এটা ভিডিঅ সামাজিক মাধ্যমত ব্যাপকভাৱে ভাইৰেল হৈছে। উক্ত ভিডিঅটোত এজন কিশোৰে সাহাব উদ্দিন মজুমদাৰ আৰু শ্বাবানা শ্বনম চৌধুৰীৰ ওচৰত নিজৰ ভুল স্বীকাৰ কৰাৰ লগতে তেওঁৰ বয়স মাত্ৰ ১৫ বছৰ বুলি উল্লেখ কৰিছে। যদিও তেওঁ ক্ষমা বিচাৰিছে, তথাপি এই ঘটনাই সমাজত গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। স্থানীয় সচেতন মহলৰ মতে, "জুলা এইট" নামৰ এই ফেচবুক পেজটোৰ পৰা বহুদিন ধৰি সমাজত অশোভনীয় আৰু বিভ্ৰান্তিকৰ বিষয়বস্তু প্ৰচাৰ কৰি আহিছে। ইয়াৰ ফলত উঠি অহা প্ৰজন্মৰ মাজত অশ্লীল ভাষা আৰু আচৰণ বৃদ্ধি পাইছে বুলি অভিযোগ উত্থাপন হৈছে। সচেতন মহলে এই ঘটনাক অত্যন্ত গুৰুত্ব সহকাৰে লৈছে আৰু কৈছে যে, এনে কাৰ্যকলাপৰ বাবে অভিভাৱক সকলৰ দায়িত্বও আছে। তেওঁলোকে মত প্ৰকাশ কৰে যে, এই ধৰণৰ পথভ্ৰষ্ট কাৰ্যত জড়িত কিশোৰ সকলক সঠিক দিশ দেখুৱাবলৈ অভিভাৱক সকল ব্যৰ্থ হৈছে। একে সময়তে, আইন ব্যৱস্থাই এই ক্ষেত্ৰত যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। ইফালে সাহাব উদ্দিন মজুমদাৰে এটা ভিডিঅ' বাৰ্তাৰ জৰিয়তে সামাজিক মাধ্যমত বিকৃত কৰি প্ৰচাৰ কৰা ভিডিঅ সমূহ শীঘ্ৰে ডিলিট কৰিবলৈ অনুৰোধ জনাইছে। তেওঁ লগতে কয় যে, এই ধৰণৰ অপপ্ৰচাৰ আৰু ব্যক্তিগত আক্ৰমণ গণতান্ত্ৰিক পৰিৱেশৰ বাবে অশুভ সংকেত। সমগ্ৰ ঘটনাটোৱে সামাজিক মাধ্যমৰ অপব্যৱহাৰ আৰু নিৰ্বাচনী সময়ত ভুৱা বা বিকৃত তথ্য প্ৰচাৰ বিৰুদ্ধে বিহীত ব্যৱস্থাৰ দাবী কৰে।

# ডিব্ৰুগড় ছল্ট ব্ৰুক একাডেমীৰ সফলতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ এপ্ৰিল ঃ** উজনি অসমৰ শৈক্ষিক প্ৰতিষ্ঠান ডিব্ৰুগড় ছ'ল্ট ব্ৰুক স্কুলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ সফলতা লাভ কৰিছে। শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ৯৮ গৰাকী পৰীক্ষাৰ্থীৰ ৯৮ গৰাকীয়েই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰে ৪৩ জন পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন, ৩৫ জনে ষ্টাৰ মাৰ্কচ আৰু ২০জন প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিক্ষানুষ্ঠানখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। গণিত বিষয়ত -৭জন, ঐচ্ছিক গণিত- ৮জন আৰু হিন্দী বিষয়ত- ৫জন পৰীক্ষাৰ্থীয়ে ১০০ ভিতৰত ১০০ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া বিষয়ত মুঠ ৩৭ গৰাকীয়ে, হিন্দী বিষয়ত ৭ গৰাকী, কম্পিউটাৰ বিজ্ঞান বিষয়ত ২২ গৰাকী, ঐচ্ছিক গণিত বিষয়ত ৩৯ গৰাকী, ইংৰাজী বিষয়ত ৭৭, বিজ্ঞান বিষয়ত ৭৮, গণিত বিষয়ত ৮৪ আৰু সমাজ বিজ্ঞান বিষয়ত ৬২ গৰাকী পৰীক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰিছে। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ডিব্ৰুগড় পাঁচআলি নিবাসী অধিবক্তা গাজী মহম্মদ চাব্ৰি চুলতান আৰু মাতৃ বিলকিছ হকৰ পুত্ৰ চাইফি ৰাকাৰ আহমেদে ডিব্ৰুগড় ছল্ট ব্ৰুক একাডেমীৰ পৰা মুঠ ৬০০ নম্বৰৰ ভিতৰত ৫৭৩ নম্বৰ অৰ্থাৎ ৯৫.৫ শতাংশ লাভ কৰে। ৰাকাৰ আহমেদে অসমীয়াত ৯১, ইংৰাজীত ৯১, অঙ্কত ৯৯, বিজ্ঞানত ৯৮, সমাজ বিজ্ঞানত ৯৪ আৰু ঐচ্ছিক গণিতত ১০০ নম্বৰ লাভ কৰে। তেওঁৰ এই সফলতাত অঞ্চলটোত উৎফুল্ল হৈ পৰে। ৰাকাৰে ইয়াৰ বাবে পিতৃ মাতৃ আৰু ছল্ট ব্ৰুক একাডেমী কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ আৰু থলগিৰি মুছলিম জাতীয় ঐক্য পৰিষদে এই সফলতাত সন্তোষ প্ৰকাশ কৰাৰ লগতে শুভেচ্ছা জনাইছে। উল্লেখযোগ্য যে এইবাৰ এই বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত মাত্ৰ এক নম্বৰৰ বাবে তৃতীয় স্থানৰ পৰা বঞ্চিত হয় বৰিষ্ঠা চাংমা নামৰ ছাত্ৰী এগৰাকী। অৱশ্যে ডিব্ৰুগড়ৰ লিট'ল ফ্লাৱাৰ স্কুলৰ পৰা জিয়া ফাৰাহ ইছলামে ৰাজ্যৰ ভিতৰতে তৃতীয় স্থান লাভ কৰি ডিব্ৰুগড়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

# প্ৰশাসন-বন বিভাগৰ চকুৰ সমুখতে দেওশীলা-দুধনৈত বালিৰ অবৈধ ৰমৰমীয়া ব্যৱসায়

খহনীয়াৰ আতংকত নৈপৰীয়া ৰাইজ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৪ এপ্ৰিল ঃ** চৰকাৰী নিয়মক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি গোৱালপাৰা জিলাৰ নদীসমূহৰ বুকুত চলিছে অবৈধ বালি খননৰ অঘোষিত প্ৰতিযোগিতা। বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ সৈতে মিতিৰালি কৰি এটা দুষ্টচক্ৰই চলাই যোৱা এই লুণ্ঠনৰ ফলত এতিয়া নৈপৰীয়া ৰাইজৰ মাজত সৃষ্টি হৈছে তীব্ৰ খহনীয়াৰ আতংক। বিশেষকৈ গোৱালপাৰা জিলাৰ ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত দেওশীলা আৰু দুধনৈ নৈৰ পৰা প্ৰতিদিনে শ শ ডাম্পাৰ বালি অবৈধভাৱে সৰবৰাহ হৈ থকাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজৰ অভিযোগ মৰ্মে, বন বিভাগৰ 'সেউজ সংকেত' লাভ কৰিয়েই অসাধু বালি ব্যৱসায়ী সকলে দিন-দুপৰতে নদীৰ বুকু উদং কৰি পেলাইছে। চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি নদীৰ পৰা বালি উলিওৱাৰ নিৰ্দিষ্ট সীমা থাকে যদিও এই দুষ্টচক্ৰটোৱে কোনো ধৰণৰ বৈধ চালান নোহোৱাকৈয়ে প্ৰয়োজনতকৈ অধিক অৰ্থাৎ অভাৰলোড বালি কঢ়িয়াই আহিছে। কেৱল সেয়াই নহয়, নদীৰ গভীৰলৈকে মেচিন ব্যৱহাৰ কৰি বালি খনন কৰাৰ ফলত নদীৰ গতিপথ সলনি হোৱাৰ উপৰিও পাৰৰ ভূমিত ব্যাপক খহনীয়াৰ সৃষ্টি হৈছে। ইয়াৰ জৰিয়তে চৰকাৰক বৃহৎ পৰিমাণৰ ৰাজহৰ পৰা বঞ্চিত কৰি একাংশই নিজৰ পকেট গৰম কৰাত ব্যস্ত হৈ পৰিছে। অবৈধ বালি কঢ়িওৱাৰ কামত কেৱল ডাম্পাৰেই নহয়, ট্ৰেক্টৰ আৰু পিকআপ ভেনো ব্যাপক হাৰত ব্যৱহৃত হৈছে। তীব্ৰবেগী এই বাহন সমূহৰ যাতায়তৰ ফলত গাঁৱৰ কেঁচা-পকী পথসমূহৰো বিস্তৰ ক্ষতিসাধন হৈছে। বৰ্ষাকাল সমাগত হোৱাৰ পৰিপ্ৰেক্ষিতত নদীৰ এই বৰ্ধিত খহনীয়া দেখি এতিয়া টোপনি হৰিছে নৈপৰীয়া ৰাইজৰ। গাঁৱৰ বসতিস্থল আৰু কৃষিভূমি নদীৰ বুকুত বিলীন হোৱাৰ লগতে বালিত পোত যোৱাৰ আশংকাত ৰাইজে বাৰে-বাৰে প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিছে যদিও ৰহস্যজনক ভাৱে মৌন হৈ আছে বন বিভাগ। অতি সোনকালে এই অবৈধ বালি খনন বন্ধ নকৰিলে আৰু দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অঞ্চলটোত ভয়াৱহ পৰিৱেশ সৃষ্টি হোৱাটো নিশ্চিত।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন